বিনামূলীয়া পাঠ্যপুথি

J6Y1B1

# অংকুৰণ

## (চতুৰ্থ ভাগ)

(চতুৰ্থ শ্ৰেণীৰ বাবে)




শিক্ষা (প্ৰাথমিক) বিভাগ, অসম চৰকাৰ

# ক্ৰিয়া-কলাপত ব্যৱহাৰ হোৱা প্ৰতীকসমূহ আৰু ইয়াৰ অৰ্থ

 — গাওঁ আহা, গোৱা, লগে-ভাগে গোৱা

 — কওঁ আহা, ছবি চাই কওঁ, শব্দ কওঁ

 — কোৱা

 — পঢ়োঁ আহা,  তুমিও পঢ়া

 — লিখোঁ আহা, লিখা, পঢ়োঁ আৰু লিখোঁ, ছবিৰ নাম পূৰোৱা, চাই চাই লিখা, শব্দ গঠন কৰোঁ

 — জানো আহা, শিকোঁ আহা, চিনাকি হোৱা

 — কৰোঁ আহা, কৰা, ক'ত আছে বিচৰা, প্ৰকল্প

 — আঁকা, আঁকো আহা, ৰং দিয়া, ছবি সম্পূৰ্ণ কৰা

 — কোৱা, লিখা, পঢ়া, কৰা, মিলোৱা, নাম পূৰোৱা ইত্যাদি

 — কৰা আৰু কোৱা, খেলা, গাই গাই নাচা, মিলাওঁ আহা

 — অভিনয় কৰা

 — সাঁথৰ ভাঙা,  প্ৰকল্প

 — যুক্তাক্ষৰ ভাঙি পঢ়োঁ আৰু লিখোঁ আহা

 — সম্পূৰ্ণকৈ আয়ত্ত নোহোৱালৈকে নিজাববীয়াকৈ অনুশীলন কৰা

J6Y1B1

# অংকুৰণ

চতুৰ্থ ভাগ

(পাঠ্য তথা অভ্যসন পুথি)

চতুৰ্থ শ্ৰেণীৰ বাবে

প্ৰস্তুতকৰ্তা

ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম



নাম ..............................................................

শ্ৰেণী .................... শাখা .................... ৰোল নং ....................

বিদ্যালয় .............................................. চন ....................

শিক্ষা (প্ৰাথমিক) বিভাগ,

অসম চৰকাৰ

**ANKURAN : CHATURTHA BHAG** – An integrated text-cum-workbook for Class **IV**, in Assamese, developed and reviewed by SCERT, Assam, through workshops, and published by the Assam State Textbook Production and Publication Corporation Limited on behalf of Government of Assam.

**FREE TEXTBOOK**

**ALL RIGHTS RESERVED :** No reproduction in any form of this book, in whole or in part (except for brief quotation in critical articles or reviews), may be made without written authorization from the SCERT, Assam.

গ্ৰন্থস্বত্ব ঃ ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম

প্ৰথম প্ৰকাশ ঃ ২০১২
দ্বিতীয় প্ৰকাশ ঃ ২০১৩
তৃতীয় প্ৰকাশ ঃ ২০১৪
চতুৰ্থ প্ৰকাশ ঃ ২০১৫
পঞ্চম প্ৰকাশ ঃ ২০১৬
ষষ্ঠ প্ৰকাশ ঃ ২০১৭
সপ্তম প্ৰকাশ ঃ ২০১৮
অষ্টম প্ৰকাশ ঃ ২০১৯
নবম প্ৰকাশ ঃ ২০২০

ঃ 70 GSM কাগজত মুদ্ৰিত পাঠ্যপুথি।

প্ৰকাশক ঃ অসম চৰকাৰৰ দ্বাৰা বিনামূলীয়াকৈ বিতৰণৰ বাবে অসম ৰাজ্যিক পাঠ্যপুথি প্ৰণয়ন আৰু প্ৰকাশন নিগম লিমিটেডৰ দ্বাৰা প্ৰকাশিত পাঠ্যপুথি।

মুদ্ৰণ ঃ জেনুইন ট্ৰেডিং এজেঞ্চী,
বামুনীমৈদাম, গুৱাহাটী-২১

# শিক্ষক-শিক্ষয়িত্ৰীয়ে মন কৰিবলগীয়া কথা

আগৰ শ্ৰেণীৰ পাঠ্যপুথি **'অংকুৰণ'**ৰ দৰে চতুৰ্থ শ্ৰেণীৰ পাঠ্যপুথিখনো ৰাষ্ট্ৰীয় শৈক্ষিক গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদে প্ৰস্তুত কৰা পাঠ্যপুথিৰ আৰ্হিত প্ৰস্তুত কৰা হৈছে। পাঠ্যপুথিখন প্ৰস্তুত কৰোঁতে পূৰ্বৰ ধাৰা, দৰ্শন আদি প্ৰতিফলিত কৰা হৈছে। এই সকলো দিশৰ প্ৰতি দৃষ্টি ৰাখি পাঠ আদান-প্ৰদানত আগবাঢ়িলে উদ্দেশ্য ফলপ্ৰসূ হ'ব। বিশেষভাৱে মন কৰিবলগীয়া দিশসমূহ ঃ

(১) পাঠ্যপুথিখনত মুঠতে চৈধ্যটা পাঠ সন্নিৱিষ্ট কৰা হৈছে।

(২) পাঠৰ প্ৰকাৰসমূহ হ'ল- পদ্য/কবিতা, ছবিৰে কাহিনী, সাধু ,গল্প, জনজাতীয় সাধু, জীৱনী, বৰ্ণনামূলক পাঠ, নাটিকা ইত্যাদি।

(৩) পাঠৰ ক্ৰিয়া-কলাপত প্ৰতীক ব্যৱহাৰ কৰা হৈছে। সেই অনুসৰি পাঠদান কাৰ্যত আগবাঢ়িলে শিক্ষাদান সহজ হ'ব।

(৪) পাঠসমূহৰ ক্ৰিয়া-কলাপক চাৰিটা ভাগত ভাগ কৰা হৈছে — পাঠভিত্তিক ক্ৰিয়া, ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ), জ্ঞান সম্প্ৰসাৰণ (পাঠ্যপুথি বহিৰ্ভূত) আৰু প্ৰকল্প।

(৫) পাঠভিত্তিক ক্ৰিয়া নিৰ্দিষ্ট পাঠৰ সহায়ত কৰাব। ব্যাৱহাৰিক ব্যাকৰণৰ ক্ৰিয়া-কলাপ পাঠত থকা ব্যাকৰণৰ আধাৰত প্ৰস্তুত কৰা হৈছে। এই ক্ৰিয়া-কলাপসমূহ শিকাৰুৰ বাবে দৈনন্দিন জীৱনত ব্যৱহাৰ কৰা ভাষাৰ একো একোটা অংশ স্বৰূপহে। তদুপৰি, প্ৰয়োজন অনুসৰি ব্যাকৰণৰ প্ৰাৰম্ভিক ধাৰণা দিবলৈ চেষ্টা কৰা হৈছে। ইয়াৰ ধাৰণা আৰু ব্যৱহাৰ স্থায়ীকৰণৰ বাবে আপুনি বিভিন্ন ব্যাকৰণ পুথি অধ্যয়ন কৰিব আৰু অবিৰত মূল্যায়নৰ ব্যৱস্থা কৰিব।

(৬) পাঠত লাভ কৰা অভিজ্ঞতা আৰু ছাত্ৰ-ছাত্ৰীয়ে দৈনন্দিন জীৱনত লাভ কৰা অভিজ্ঞতাৰ লগত সামঞ্জস্য ৰাখি জ্ঞান সম্প্ৰসাৰণৰ ক্ৰিয়া-কলাপ অনুশীলন কৰাব।

(৭) ক্ৰিয়া-কলাপত দিয়া প্ৰকল্পসমূহ ছাত্ৰ-ছাত্ৰীয়ে নিজে কৰাটো নিশ্চিত কৰিব, কিয়নো প্ৰকল্পৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীৰ পৰ্যৱেক্ষণ, বিশ্লেষণ, সিদ্ধান্ত গ্ৰহণ আদিৰ দক্ষতা বাঢ়ে। প্ৰকল্পৰ জৰিয়তে স্থানীয় কলা-সংস্কৃতি, উৎসৱ-পাৰ্বণ আৰু ভাষিক বিষয়বস্তুৰ তথ্য সংগ্ৰহ আৰু সংৰক্ষণৰ বাবে ক্ষেত্ৰ-ভ্ৰমণৰ ব্যৱস্থা কৰি শিকাৰুক বাস্তৱ অভিজ্ঞতা দিব। প্ৰকল্পৰ কামত ছাত্ৰ-ছাত্ৰীক সহায় কৰিবলৈ অভিভাৱকসকলক দিহা-পৰামৰ্শ দিব।

(৮) এই পাঠ্যপুথিখনত পদ্য, সাধু বা বিভিন্ন পাঠত স্বাভাৱিকভাৱে অহা নতুন যুক্তাক্ষৰসমূহ শিকোৱা হৈছে। লগতে তৃতীয় শ্ৰেণীত শিকি অহা যুক্তাক্ষৰবোৰ পুনৰ আলোচনা, দৃঢ়ীকৰণ আৰু মূল্যায়নৰ বাবে দিয়া হৈছে।

(৯) যুক্তাক্ষৰ শিকনৰ বাবে ক্ৰমান্বয়ে 'যুক্তাক্ষৰ পঢ়োঁ আৰু লিখোঁ', 'যুক্তাক্ষৰ গঠন কৰোঁ', আদি অনুশীলন কৰাব। ছাত্ৰ-ছাত্ৰীয়ে আয়ত্ত কৰিব নোৱৰালৈকে বাৰে বাৰে কৰাব।

(১০) 'গাওঁ আহা', 'কৰোঁ আহা', 'পঢ়োঁ আহা', লিখোঁ আহা', 'কওঁ আহা'- ইত্যাদি ক্ৰিয়া-কলাপত শিকাৰুক শিক্ষক বা আনে সহায় কৰিব। আনহাতে, 'কৰোঁ', 'পঢ়োঁ', 'গাওঁ', 'শিকোঁ', 'কওঁ' আদি শিকাৰুৱে নিজেই অনুশীলন কৰিব। মূল্যায়নৰ ক্ষেত্ৰত আকৌ 'কৰা', 'গোৱা', 'পঢ়া', 'লিখা' আদিৰ নিৰ্দেশনা দিয়া হৈছে। এবাৰতে শিকনীয় দিশৰ বিকাশ নোহোৱা ছাত্ৰ-ছাত্ৰীক বাৰে বাৰে অনুশীলন কৰাব যাতে তেওঁলোকে বাঞ্ছিত লক্ষ্যত উপনীত হ'ব পাৰে।

(১১) এবাৰতে শিকনীয় দিশৰ স্পষ্ট ধাৰণা নহ'লে দুৰ্বলতাখিনি চিনাক্ত কৰি ক্ৰিয়া-কলাপসমূহ আগতকৈ সহজ কৰি পুনৰ মূল্যায়ন কৰিব।

(১২) প্ৰয়োজনবোধে ক্ৰিয়া-কলাপসমূহ শ্ৰেণীৰ বাহিৰতো কৰাব।

(১৩) পাঠ্যপুথিত থকাৰ বাহিৰে স্থানীয়ভাৱে প্ৰচলিত গীত-মাত, কাহিনী, সাধু আদি সংগ্ৰহ কৰি অনুশীলন কৰাব। এই ক্ষেত্ৰত ভাষাৰ মান্যৰূপৰ উপৰি কথিত ৰূপৰ প্ৰয়োগতো গুৰুত্ব দিব।

পাঠত সন্নিৱিষ্ট গীত-মাতসমূহ শিকাওঁতে স্থানীয় সমল ব্যক্তিৰ সহায় ল'ব। সুবিধা অনুসৰি প্ৰতিষ্ঠিত কবি, সাহিত্যিকসকলৰ ৰচিত ৰচনাৱলী ছাত্ৰ-ছাত্ৰীক দেখুওৱাৰ ব্যৱস্থা কৰিব পাৰিলে ভাল।

(১৪) বহুভাষিক পৰিৱেশত শিক্ষা গ্ৰহণ কৰা শিশু আৰু বিশেষভাৱে সক্ষম শিশুৰ প্ৰতি গুৰুত্ব দিব। বিশেষভাৱে সক্ষম শিশুৰ শাৰীৰিক আৰু মানসিক প্ৰকাৰ অনুসৰি বহা স্থানৰ সুবিধা কৰি দিব। ক্ৰিয়া-কলাপ কৰাওঁতে তেওঁলোকৰ প্ৰতি বিশেষভাৱে যত্ন ল'ব।

(১৫) পাঠদান কৰিবলৈ যোৱাৰ পূৰ্বে পাঠৰ আঁচনি আৰু আহিলা (শব্দ কাৰ্ড, বাক্য কাৰ্ড, বিভিন্ন পাঠ্যবিষয়ক আহিলা, বস্তু আদি) প্ৰস্তুত কৰি ল'ব।

(১৬) শ্ৰেণীকক্ষত পাঠটো আৰম্ভ কৰাৰ আগে আগে সেই পাঠটোৰ পটভূমি ব্যাখ্যা কৰিব আৰু সেই সম্পৰ্কে ছাত্ৰ-ছাত্ৰীৰ পূৰ্বজ্ঞানৰ বুজ ল'ব।

(১৭) শিকনীয় দিশত প্ৰয়োজন সাপেক্ষে অভিভাৱকৰ লগত সম্পৰ্ক সাধন কৰি সহযোগিতা বিচাৰিব।

(১৮) যুক্তাক্ষৰ ভাঙোতে দিয়া শব্দবোৰৰ অৰ্থ বাস্তৱ উদাহৰণেৰে বুজাই দিব। আখৰ জোঁটনি আৰু শব্দাৰ্থৰ ক্ষেত্ৰত বিশেষকৈ 'অসমীয়া হেমকোষ' আৰু 'চন্দ্ৰকান্ত অভিধান'কৈ আধাৰ স্বৰূপে গ্ৰহণ কৰা হৈছে। প্ৰয়োজন সাপেক্ষে ব্যৱহাৰ কৰিব।

(১৯) প্ৰত্যেক ছাত্ৰ-ছাত্ৰীৰ পঠন আৰু লিখন অৰ্হতা আয়ত্ত কৰোৱাবলৈ বাৰে বাৰে অনুশীলন কৰাব।

(২০) শৈক্ষিক দিনপঞ্জীত উল্লেখ কৰা ধৰণে মূল্যায়নত গুৰুত্ব দিব।

(২১) প্ৰতিটো পাঠ পঢ়োৱাৰ পাছত শ্ৰুতলিপি দিয়াৰ ব্যৱস্থা কৰিব।

*********

## ডিজিটেল বিষয়বস্তু উপলব্ধ কৰিবলৈ কেনেদৰে QR CODE ব্যবহাৰ কৰিব:

আপোনাৰ মোবাইলৰ ব্ৰাউজাৰত diksha.gov.in/app type কৰক আৰু install button স্পৰ্শ কৰক।

OR

Google Play Store ত DIKSHA search কৰক আৰু App টো ডাউনলড কৰিবলৈ Install Button টো স্পৰ্শ কৰক।

### মোবাইলত QR Code ব্যবহাৰ কৰি কেনেকৈ ডিজিটেল বিষয়বস্তু উপলব্ধ কৰিব পাৰি—

1) অগ্ৰাধিকাৰ দিয়া ভাষাটোক নিৰ্বাচন কৰক।
2) আপোনাৰ ভূমিকা বাছনি কৰক-ছাত্ৰ/শিক্ষক/অন্য
3) QR Code Scan কৰিবলৈ QR ক'ডৰ আইকনটোত স্পৰ্শ কৰক।
4) প্ৰবেশ অনুমোদন কৰক আৰু এপ ব্যৱহাৰৰ অনুমতি দিয়ক।
5) পাঠ্যপুথিৰ QR Codeত Camera কেন্দ্ৰীভূত/ দৃষ্টিপাত (Focus) কৰক।
6) QR Code সম্পৰ্কিত হৈ থকা বিষয়বস্তু প্ৰদৰ্শন কৰিবলৈ ক্লিক কৰক।

### Desktop অত QR Code ব্যবহাৰ কৰি ডিজিটেল বিষয়বস্তু কেনেদৰে উপলব্ধ কৰিব পাৰি

1) QR Codeৰ তলত আপুনি ছটা অংকবিশিষ্ট সংখ্যাটো (ডায়েল কোড) দেখিব।
2) আপোনাৰ ব্ৰাউজাৰত Diksha.Gov.in/as/get টাইপ কৰক।
3) ৬ অংকৰ ডায়েল ক'ডটো আপোনাৰ Desktopৰ চাৰ্চবাৰডালত লিখক।
4) উপলব্ধ বিষয়বস্তুৰ তালিকা নিৰীক্ষণ কৰক আৰু নিজৰ পছন্দৰ বিষয়বস্তুত ক্লিক কৰক।



# সূচীপত্ৰ




| | | |
|---|---|---|
| ১। | মোৰ দেশ ভাল | ১ — ৯ |
| ২। | মানুহৰ মাজলৈ কাপোৰ কেনেকৈ আহিল | ১০ — ২০ |
| ৩। | কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা | ২১ — ৩১ |
| ৪। | লঘোন | ৩২ — ৪০ |
| ৫। | পানী | ৪১ — ৫০ |
| ৬। | দীঘল-ঠেঙীয়া | ৫১ — ৬১ |
| ৭। | ৰাতিপুৱা | ৬২ — ৭০ |
| ৮। | বীৰাংগনা মূলাগাভৰু | ৭১ — ৮০ |
| ৯। | অসমৰ কাঁহ শিল্প | ৮১ — ৯০ |
| ১০। | বৰদৈচিলা | ৯১ — ৯৯ |
| ১১। | ব্ৰহ্মপুত্ৰ | ১০০ — ১০৯ |
| ১২। | আজৰি পৰৰ কাম | ১১০ — ১১৫ |
| ১৩। | জন্ম-দিনৰ আয়োজন | ১১৬ — ১২৫ |
| ১৪। | গছে যদি খোজ কাঢ়ে | ১২৬ — ১৩২ |
| | *শব্দ সম্ভাৰ* | ১৩৩ — ১৩৯ |

পাঠ ১



E1V4P7



# মোৰ দেশ ভাল

সকলো দেশত কৰি মোৰ দেশ ভাল
চৰণত সেৱা যাৰ কৰোঁ চিৰকাল।
ক'ত আছে এনে মাটি সোণৰ চপৰা
ক'ত আছে এনে পানী সুধাৰ নিজৰা!
ক'ত আছে এনে ধান এই ধৰণীত
ক'ত আছে এনে ধন হাবি-বননিত।
ক'ত আছে এনে পলু—এৰী মুগা পাট
ক'ত আছে এনে পখী অমাতৰ মাত!
ক'ত আছে এনে ফুল ফুলে বাৰমাহ
ক'ত আছে এনে ফল দেখিলে উলাহ!
ক'ত আছে এনে ঠাই সৰগ-ফুলনি
ক'ত আছে এনে আই সোণৰ গোসাঁনী!
ভাই-ভনী মিলি য'ত থাকোঁ চিৰকাল
সকলো দেশত কৰি মোৰ দেশ ভাল।

কবি—সাহিত্যাচাৰ্য অতুলচন্দ্ৰ হাজৰিকা

*(উৎস ঃ শিশু-সাহিত্য সম্ভাৰ, ২য় খণ্ড, ৭৫৭ পৃষ্ঠা, প্ৰকাশক ঃ এছ. এইছ. এডুকেশ্বনেল ট্ৰাষ্ট, গুৱাহাটী -৭৮১০০৫)*

☞ *পদ্যটি দলগতভাৱে গোৱাৰ পাছত এজন এজনকৈ প্ৰত্যেককে গাবলৈ দিব। প্ৰত্যেকে সম্পূৰ্ণকৈ গাব নোৱাৰালৈকে বাৰে বাৰে গোৱাব।*

**ক্ৰিয়া-কলাপ**

## ক — পাঠভিত্তিক ক্ৰিয়া

**পদ্যটি শুদ্ধ আৰু স্পষ্ট উচ্চাৰণেৰে পঢ়োঁ আৰু আবৃত্তি কৰোঁ আহা**

**পদ্যটিৰ কথাখিনি নিজৰ কথাৰে কোৱা।**

**উত্তৰ দিয়া।**

(ক) কবিয়ে 'সকলো দেশত কৰি মোৰ দেশ ভাল' বুলি গৌৰৱ কৰা দেশ বা ৰাজ্যখনৰ নাম কি?

..........................................................................................

(খ) 'ক'ত আছে এনে ঠাই সৰগ-ফুলনি
ক'ত আছে এনে আই সোণৰ গোসাঁনী!'
— পদ্যছোৱাত 'ঠাই' আৰু 'আই'ক কাৰ লগত তুলনা কৰা হৈছে?

..........................................................................................

**পদ্যটিত কবিয়ে কি কি কথাৰে নিজৰ দেশৰ গুণ বৰ্ণনা কৰিছে লিখা।**

**নামৰ তালিকা কৰা।**

(ক) 'ক'ত আছে এনে ফুল ফুলে বাৰমাহ'

**বাৰমাহে ফুলা কেইবিধমান ফুলৰ নাম লিখা।**

| ফুলৰ তালিকা | |
|---|---|
| • | • |
| • | • |
| • | • |
| • | • |

(খ) 'ক'ত আছে এনে ধান এই ধৰণীত'

**কেইবিধমান ধানৰ নাম লিখা।**

| ধানৰ তালিকা | |
|---|---|
| • | • |
| • | • |
| • | • |
| • | • |

*☞ নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

তলৰ পদ্য কেইফাকি গদ্য ৰূপত লিখা।



**উদাহৰণ—** 'সকলো দেশত কৰি মোৰ দেশ ভাল'
ওপৰৰ পদ্যশাৰী গদ্যত লিখিলে এনে হ'ব—মোৰ দেশ সকলো দেশতকৈ ভাল।

(ক) ক'ত আছে এনে মাটি সোণৰ চপৰা
ক'ত আছে এনে পানী সুধাৰ নিজৰা!

(খ) ভাই-ভনী মিলি য'ত থাকোঁ চিৰকাল
সকলো দেশত কৰি মোৰ দেশ ভাল।

পদ্যটি গদ্য ৰূপত লিখা।

## খ — ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ)

### জানো আহা

মোৰ দেশ **সকলোতকৈ** ভাল। ইয়াৰ অৰ্থ, কবিয়ে পৃথিৱীৰ আন দেশবোৰৰ লগত তুলনা কৰি নিজৰ দেশখন সকলো দেশতকৈ ভাল বুলি কৈছে। এনেদৰে বহুতৰ লগত দোষ-গুণৰ তুলনা কৰিবলৈ বাক্যত **সকলোতকৈ, সবাতোকৈ** বা **আটাইতকৈ** আদি শব্দ ব্যৱহাৰ কৰা হয়।

**সকলোতকৈ, সবাতোকৈ, আটাইতকৈ আদি শব্দ ব্যৱহাৰ কৰি তলৰ বাক্যকেইটি সম্পূৰ্ণ কৰা।**

(ক) ভাৰতৰ নদীবোৰৰ ভিতৰত গংগা ............... দীঘল আৰু ব্ৰহ্মপুত্ৰ ............ বহল।

(খ) মাজুলী পৃথিৱীৰ ভিতৰত ............ ডাঙৰ নদী-দ্বীপ।

(গ) কাজিৰঙাৰ জীৱ-জন্তুবিলাকৰ ভিতৰত এশিঙীয়া গঁড় ............. আপুৰুগীয়া।

(ঘ) আনৰ বস্তুৰ প্ৰতি লোভ কৰা ............. বেয়া গুণ।

*নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

## জানো আহা

তুলনা সাধাৰণতে দুটা বা তাতকৈ অধিকৰ মাজত হয়। তেনেক্ষেত্রত দোষ-গুণ কম-বেছি বুজাবৰ বাবে সাধাৰণতে **'-তকৈ'** যোগ দি তুলনা কৰা হয়।
যেনে—ৰীতা ভনিতা**তকৈ** ধুনীয়া । তুলা লো**তকৈ** পাতল। নাই মোমাই**তকৈ** কণা মোমাই ভাল।

## আঁচটনা ঠাইত '-তকৈ' ব্যৱহাৰ কৰি লিখা আৰু পঢ়া।

অসমৰ আটাই......... দীঘল নদ ব্ৰহ্মপুত্ৰ।


মাজুলী আটাই......... ডাঙৰ নদী-দ্বীপ।

মাউন্ট এভাৰেষ্ট সকলো......... ওখ শৃংগ।

পদ্যটোত 'সকলো দেশত কৰি মোৰ দেশ ভাল' বুলি কবিয়ে নিজৰ দেশখনক আন দেশৰ লগত তুলনা কৰিছে। এনেদৰে তুলনা কৰোঁতে কবিয়ে '-তকৈ' ৰ সলনি '-ত কৰি' ব্যৱহাৰ কৰিছে।

## শব্দৰ খেল খেলোঁ আহা

(মনত ৰাখিবা- **ঙ, ঞ, ণ, ৱ, য় আৰু ৎ, ং, ঃ, ঁ** — এই কেইটা আখৰেৰে আৰম্ভ হোৱা শব্দ অসমীয়া ভাষাত নাই। চন্দ্ৰ বিন্দু ( ঁ ) অকলে নবহে। ই সদায় স্বৰধ্বনিৰ লগত যুক্ত হৈ থাকে। গতিকে খেলোঁতে শব্দৰ শেষত যদি উক্ত আখৰকেইটা আহে, তেনেহ'লে খেলখন আকৌ আৰম্ভ কৰি খেলিবা।)




## তলত দিয়া বাক্যকেইটাৰে তুলনামূলক বাক্য গঠন কৰা।

**উদাহৰণ—**

- অভিজিৎ ক্ষীণ; ৰাজেশ শকত।

অভিজিৎ ৰাজেশতকৈ ক্ষীণ।
ৰাজেশ অভিজিতকৈ শকত।

*নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

- আমলখিজোপা ওখ; বেঙেনাজোপা চাপৰ।
- জয়সাগৰ পুখুৰীটো ডাঙৰ; আমাৰ বাৰীৰ পুখুৰীটো সৰু।

**শব্দ গঠন কৰা।**

চিৰ — কাল → চিৰকাল
চিৰ — দিন → ______
চিৰ — স্থায়ী → ______
চিৰ — স্মৰণীয় → ______

বন, ধান, ঘাঁহ, শাক — অনি — বননি, ______, ______, ______

**তলৰ বাক্যাংশৰ লগত খাপখোৱা শব্দ পাত্ৰটোৰ পৰা বাছি উলিয়াই লিখা।**

চিৰদিন নমস্কাৰ কৰিবলগীয়া

মাহ খেতিয়ে জুৰি থকা ঠাই

চিৰদিন মনত ৰাখিবলগীয়া

বাঁহ গছেৰে ভৰি থকা ঠাই




**বাক্য ৰচনা কৰা।**

অমাতৰ মাত ______

উলাহ ______

চিৰকাল ______

☞ *নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

## গ— জ্ঞান সম্প্ৰসাৰণ

**কাৰণবোৰ লিখা।**

(ক) তুমি তোমাৰ ওপজা ঠাইখনক কিয় ভালপোৱা?

(খ) তুমি কি কি কাম কৰিলে মাৰাই মনত সুখ আৰু দুখ পায়?

(গ) আনে তোমাৰ কোনবোৰ কথা ক'লে তুমি লাজ পোৱা আৰু কোনবোৰ কথা ক'লে তোমাৰ বুকুখন গৰ্বত ফুলি উঠে?


**তলৰ বাক্যশাৰী দুবাৰ লিখা।**

# দেশতকৈ মোমাই ডাঙৰ নহয়।

........................................................................................................................

........................................................................................................................

**'আমাৰ ভাৰতবৰ্ষ' নামৰ কবিতাটো আবৃত্তি কৰা।**



**আমাৰ ভাৰতবৰ্ষ**

শিতানত হিমালয়
দক্ষিণে সাগৰ,
পূব পিনে শাৰী শাৰী
গিৰি মনোহৰ।
পছিম দিশত আছে
আৰব সাগৰ,
ভাৰতবৰ্ষ মোৰেই দেশ
জন্ম জন্মান্তৰ।

*কবি— নৰকান্ত বৰুৱা*



*(উৎস—'শিশু-সাহিত্য সমগ্ৰ'পৃষ্ঠা ২৩৫, সম্পাদনা— গগন চন্দ্ৰ অধিকাৰী, প্ৰকাশক — অন্বেষা)*

**ভাৰতবৰ্ষৰ মানচিত্ৰ চাই পদ্যটিৰ আধাৰত ভাৰতৰ চাৰিসীমা লিখা।**


*ভাৰতবৰ্ষৰ মানচিত্ৰ এখন আনি কবিতাটোৰ লগত মিলাই চোৱাত সহায় কৰিব।*

*নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

কুমাৰ আৰু খনিকৰে কি কি সজা দেখিছা ? মাটিৰে যিকোনো এবিধ ফল সাজা।

ছবি আঁকা।

চৰাই, পখিলা, পলু



আকস্মিক বক্তৃতাত ভাগ লওঁ আহা

(**বিষয়বস্তু** — আই, নিজৰা, জন্মভূমি, অৰণ্য, পানী, ধান, চৰাই, ফুল ইত্যাদি।)

> *উল্লিখিত বিষয়বস্তুসমূহ লৈ ছাত্ৰ-ছাত্ৰীক আকস্মিক বক্তৃতাত অংশ গ্ৰহণ কৰাব।*

## ঘ— প্ৰকল্প

তুমি জনা বা শুনা প্ৰাকৃতিক সম্পদৰ এখন তালিকা প্ৰস্তুত কৰা আৰু সেই সম্পদৰ উপকাৰিতাৰ বিষয়ে তিনিটাকৈ বাক্য লিখা।

| সম্পদৰ নাম | উপকাৰিতা |
|---|---|
| উদাহৰণ -<br>১। বাঁহ | ১। বাঁহেৰে কাগজ তৈয়াৰ কৰা হয়।<br>২। বাঁহেৰে জেওৰা দিয়া হয়।<br>৩। বাঁহেৰে খৰাহি, চালনী আদি তৈয়াৰ কৰা হয়। |
| ২। .......................... | .......................................................................... |
| ৩। .......................... | .......................................................................... |
| ৪। .......................... | .......................................................................... |

*নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

ছবিখন চোৱা আৰু কোৱা।



কওঁতে ছাত্ৰ-ছাত্ৰীক সহায় কৰিব।

নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী

## পাঠ ১

### পাঠটোৰ পৰা আহৰণ কৰিবলগীয়া অৰ্হতা

- পদ্য শুনি আৰু বুজি আবৃত্তি কৰিব পৰা
- জনা, শুনা আৰু নতুনকৈ শিকা পদ্য গাব পৰা
- শেষৰ ধ্বনিৰ মিল থকা শব্দ ক'ব আৰু লিখিব পৰা
- শব্দৰ অৰ্থ ক'ব পৰা আৰু লিখিব পৰা
- ভাৰতবৰ্ষৰ চাৰিসীমাৰ ধাৰণা হোৱা
- দেশপ্ৰেমৰ ভাব জাগ্ৰত হোৱা আৰু দেশপ্ৰেমমূলক পদ্য, কবিতা, গদ্য আদি পঢ়িবলৈ/জানিবলৈ আগ্ৰহী হোৱা
- প্ৰকল্পৰ জৰিয়তে প্ৰাকৃতিক সম্পদৰ ধাৰণা পাব আৰু বিভাজন কৰিব পৰা

### শিকাৰুৰ পাঠভিত্তিক অৰ্হতাৰ মূল্যায়ন

| পদ্য | পদ্য শুনি গাব পৰা | পদ্য আবৃত্তি কৰিব পৰা | পদ্যটো পঢ়ি বুজি পোৱা | পদ্যটো নিজৰ কথাৰে ক'ব পৰা | পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ দিব পৰা | পদ্যটো গদ্য ৰূপত লিখিব পৰা |
|---|---|---|---|---|---|---|
| | | | | | | |
| ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ) | পদ্যৰ শাৰী গদ্যৰূপত ক'ব আৰু লিখিব পৰা | -'তকৈ' (তুলনা কৰা) ব্যৱহাৰ কৰি বাক্য সম্পূৰ্ণ কৰিব পৰা | নতুন শব্দ গঠন কৰিব পৰা | তুলনামূলক বাক্য লিখিব পৰা | বাক্যাংশ এটা শব্দত প্ৰকাশ কৰিব পৰা | বাক্য ৰচনা কৰিব পৰা |
| | | | | | | |
| জ্ঞান সম্প্ৰসাৰণ | নিজৰ অভিজ্ঞতা ব্যক্ত কৰিব পৰা | ভাৰতৰ মানচিত্ৰ চাই চাৰিসীমা চিনাক্ত কৰিব পৰা | হাতৰ আখৰ লিখিব পৰা | পাঠৰ উপৰি আন পদ্য আবৃত্তি কৰিব পৰা | ছবি আঁকিব পৰা | আকস্মিক বক্তৃতাত অংশগ্ৰহণ কৰিব পৰা |
| | | | | | | |
| প্ৰকল্প | প্ৰাকৃতিক সম্পদৰ তালিকা প্ৰস্তুত কৰিব পৰা | প্ৰাকৃতিক সম্পদৰ উপকাৰিতাৰ বিষয়ে লিখিব পৰা | | | | |
| | | | | | | |

☞ *অৰ্হতা আয়ত্ত হ'লে ওপৰৰ তালিকাখনৰ তলৰ খালী ঘৰত ✓ চিন দিব আৰু নহ'লে ✗ চিন দিব। অৰ্হতা আয়ত্ত নোহোৱা শিকাৰুক অতিৰিক্তভাৱে শিকাই পুনৰ মূল্যায়ন কৰিব।*

গ্ম

# মানুহৰ মাজলৈ কাপোৰ কেনেকৈ আহিল

(অৰুণাচলৰ মিচিমি জনজাতিৰ সাধু)



অৰুণাচল প্ৰদেশত কামলাং নামেৰে এখন নৈ আছে। কোৱান্‌ছা নামৰ ডেকা এজন প্ৰায়ে তালৈ মাছ মাৰিবলৈ যায়। কোৱান্‌ছা ঘাত-মাউৰা। তেওঁ ওৰে দিনটো পথাৰত কাম কৰিলেহে দুবেলা দুমুঠি খাবলৈ পায়। নহ'লে তেওঁৰ পেটত গাঁথি, টেকেলিও কাতি। তেওঁৰ কিন্তু মাছ মৰাতহে হেঁপাহ। এদিন তেওঁ কামলাঙৰ পানীত এখন দলঙা পাতি থ'লে।

গধূলি পৰত দলঙাখন দাঙি তেওঁ আনন্দত জঁপিয়াই উঠিল। দুটা অচিনাকি মাছ দলঙাত উঠিছে। তাৰে এটা সৰু, আনটো ডাঙৰ। ডাঙৰ মাছটো দেখি তেওঁৰ চকু থৰ হ'ল। ঘৰলৈ নি লাউৰ খোলা এটাত ডাঙৰ মাছটো জীয়াই থ'লে আৰু সৰু মাছটো খালে।

পাছদিনাখন গধূলি কামৰপৰা উভতি আহি কোৱান্‌ছাই তেওঁৰ ঘৰটো কাপোৰেৰে ভৰি থকা দেখিলে। এদ'ম কাপোৰ! কোনে বাৰু আনি থ'লে কাপোৰৰ দ'মটো! বিস্ময়ত তেওঁৰ চকু কপালত উঠিল।

নিতৌ ৰাতিপুৱা মাছটোক আহাৰ খুৱাই কোৱান্‌ছা কামলৈ যায়। ঘূৰি আহি প্ৰতিদিনে তেওঁ বাৰেবৰণীয়া কাপোৰেৰে ঘৰটো ভৰি থকা দেখা পায়হি। এদিন ৰহস্য ভেদ কৰিবলৈ তেওঁ কামলৈ নগৈ ঘৰটোৰ ওচৰতে লুকাই থাকিল। কোৱান্‌ছাই দেখিবলৈ পালে যে মাছটোৱে লাহেকৈ নিজৰ ৰূপ এৰি এজনী দীপ্‌-লিপ ছোৱালী হ'ল। তাই তাঁত-শাল মেলি খট্‌খটাই কাপোৰ ববলৈ ধৰিলে। কোৱান্‌ছাই সাউৎকৰে গৈ তাইৰ হাতত থাপ মাৰি ধৰি সুধিলে— "তই কোন ? ক'ৰপৰা আহিছ ? কেনেকৈ কাপোৰ ববলৈ শিকিলি ? ফুলবোৰৰ এই নমুনাবোৰ ক'ত পালি ?" থত্‌মত্‌ খাই ছোৱালীজনীয়ে ক'লে—'মই হামব্ৰু ফৈদৰ জীয়াৰী হামব্ৰুমাই। ঘৰ কামলাঙত। আদি মানৱী নিম্‌কেই মোক শিপিনী হ'বলৈ কোৱাত মই কাপোৰ বোৱা আৰম্ভ কৰিলোঁ। ফুলৰ নমুনাবোৰ ক'ত পালোঁ শুনা। মই পানীৰ বুৰবুৰণি, পানীৰ ঢৌ, পাহাৰৰ গছ-গছনিৰ সৌন্দৰ্য দেখি মোহিত হৈ সেইবোৰৰ চানেকি কাপোৰত তুলিলোঁ। পানীত দেখা ৰঙা, নীলা আৰু বগা এই তিনি ৰঙৰ সাপ দেখি তাৰো ৰঙীন চানেকিৰে বুটা তুলিলোঁ। আকাশৰ মনোমোহা ৰং, ডাৱৰৰ লুকা-ভাকু আৰু মাছৰ বাকলিৰ চিক্‌মিকনিৰ ছবিৰেও কাপোৰত বুটা বাছিলোঁ।' হামব্ৰুমাইৰ কথাবোৰ শুনি কোৱান্‌ছা মোহিত হ'ল। তেওঁ তাইক বিয়া কৰালে। কোৱান্‌ছাই হামব্ৰুমাইৰ লগত যুগ্ম জীৱন আৰম্ভ কৰিলে।



এদিন তেওঁলোকে কাপোৰবোৰ ৰ'দত শুকাবলৈ দিছিল। হঠাতে অহা ধুমুহা বতাহে কাপোৰবোৰ উৰুৱাই নি পৃথিৱীৰ চুকে-কোণে সিঁচৰতি কৰি দিলে। যিবোৰ ঠাইত কাপোৰবোৰ পৰিল সেই ঠাইৰ মানুহবোৰে তেতিয়াৰে পৰা কাপোৰ বব জনা হ'ল। হামব্ৰুমায়ে কথাটো গম পাই ক'লে-'পৃথিৱীৰ উপকাৰ হ'ল। আদি মানৱী নিম্‌কেৰ মনোবাঞ্ছাও পূৰ্ণ হ'ল।'

*(সংগৃহীত সাধুৰ আলমত)*

☞ *সাধুটো একেৰাহে নকৈ, মাজে মাজে ছাত্ৰ-ছাত্ৰীক প্ৰশ্ন সুধি তেওঁলোকে বুজি পাইছে নে নাই বুজ ল'ব আৰু মনোযোগ আনিবলৈ চেষ্টা কৰিব।*

**ক্ৰিয়া- কলাপ**

## ক — পাঠভিত্তিক ক্ৰিয়া




**উত্তৰ দিয়া।**

১। কামলাং নৈখন কোন প্ৰদেশত আছে?

২। কামলাং নৈত মাছ মাৰিবলৈ যোৱা ডেকাজনৰ নাম কি?

৩। কোৰান্‌ছাই কামলাঙৰ পানীত কি পাতি থৈছিল?

৪। ডাঙৰ মাছটো কোৰান্‌ছাই ক'ত জীয়াই থৈছিল?

৫। কোৰান্‌ছাই তেওঁৰ ঘৰটো কিহেৰে ভৰি থকা দেখিছিল?

৬। তাঁত-শালখন মেলি খট্‌খটাই কোনে কাপোৰ বৈছিল?



**সাধুটো নিজৰ কথাৰে কোৱা।**



**কোনে কাক কৈছিল লিখা।**

(ক) 'তই কোন? ক'ৰ পৰা আহিছ? কেনেকৈ কাপোৰ ববলৈ শিকিলি? ফুলবোৰৰ এই নমুনাবোৰ ক'ত পালি?'

(খ) 'পৃথিৱীৰ উপকাৰ হ'ল। আদি মানৱী নিম্‌কেৰ মনোবাঞ্ছাও পূৰ্ণ হ'ল।'

☞ *নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

## খ— ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ)



জানো আহা

### ‘পেটত গাঁথি, টেকেলিও কাতি’

এইটো এটা প্ৰবচন। প্ৰবচনটোত বহু-ভাব লুকাই আছে। মানুহৰ পেটত খুদকণ এটিও নপৰিলে ভোকৰ জ্বালা অধিকতৰ হয় আৰু তেতিয়া ভোক নিবাৰণৰ বাবে পেটত গাঁথি মাৰিবলগীয়া অৱস্থা হয়। আনহাতে, চাউল আদি নথকা টেকেলিও কাতি হৈ পৰি থাকে। পেটত গাঁথি, টেকেলিও কাতি এই প্ৰবচনটোৰ দ্বাৰা কোৱান্‌ছা নামৰ ডেকা এজনৰ আৰ্থিক দুৰৱস্থাৰ কথাকেই প্ৰকাশ পাইছে।

আমাৰ ভাষাত থকা এনেকুৱা কিছুমান খণ্ড বাক্য, ফকৰা-যোজনা, প্ৰবচন, নীতি-বচন আদিত একো একোটা গূঢ়াৰ্থ বা ভাব নিহিত হৈ থাকে। এই ভাব বা অৰ্থক সহজ-সৰলভাৱে বুজাই লিখাকে ভাব বহলাই লিখা বা ভাব সম্প্ৰসাৰণ বোলে।



**তলৰ প্ৰবচনফাকিৰ ভাব বহলাই লিখা।**

‘ৰাইজে নখ জোকাৰিলে নৈ বয়।’



**বাক্য ৰচনা কৰা।**

ঘাত-মাউৰা ..................................................................................

চুকে-কোণে ..................................................................................

গছ-গছনি ..................................................................................

লুকা-ভাকু ..................................................................................

☞ *নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

**পাঠটোৰ পৰা যুক্তাক্ষৰ থকা শব্দবোৰ বাছি উলিয়াই লিখা।**

**তলত দিয়া বাক্যকেইটা পঢ়া আৰু সেই বাক্যবোৰক প্ৰশ্নবোধক বাক্যলৈ নিয়া।**

**উদাহৰণ—** মই হামব্ৰুমাই তই কোন?

মই হামব্ৰু ফৈদৰ জীয়াৰী। ______________________

মোৰ ঘৰ কামলাঙত। ______________________

মই বজাৰৰ পৰা আহিছোঁ। ______________________

মই সাধু শুনি ভাল পাওঁ। ______________________

কোৰান্‌ছাই মাছ মাৰি ভাল পায়। ______________________

**যুক্তাক্ষৰ ভাঙি পঢ়োঁ আৰু লিখোঁ আহা**

| | | | | | | |
|---|---|---|---|---|---|---|
| যুগ্ম | গ্ম = গ + ম | গই | মই | গ্ম | —অযুগ্ম, | বাগ্মিতা |

**যুক্তাক্ষৰ গঠন কৰোঁ আহা**

গ + ম = গই মই গ্ম

*নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

পঢ়োঁ আহা

যুগ্ম　　　　অযুগ্ম　　　　যুগ্মৰাশি

হিব্ৰু　　　　হামব্ৰু　　　　ডিব্ৰুগড়

**যুগ্ম মানে যোৰ।**

**গণিতত যুগ্ম আৰু অযুগ্ম সংখ্যা আছে।**

**যুগ্মৰাশিক সমানে দুভাগ কৰিব পাৰি, কিন্তু অযুগ্মক নোৱাৰি।**

জানো আহা

নিতৌ ৰাতিপুৱা মাছটো**ক** আহাৰ খুৱাই কোৱান্‌ছা কাম**লৈ** যায়। ঘূৰি আহি প্ৰতিদিনে তেওঁ বাৰেবৰণীয়া কাপো**ৰেৰে** ঘৰটো ভৰি থকা দেখা পায়হি। এদিন ৰহস্য ভেদ কৰিব**লৈ** তেওঁ কাম**লৈ** নগৈ ঘৰটো**ৰ** ওচৰ**তে** লুকাই থাকিল। কোৱান্‌ছা**ই** দেখিব**লৈ** পালে যে মাছটো**ৰে** লাহেকৈ লাউ**ৰ** খোলাটো**ৰ পৰা** ওলাই আহি দীপ্‌-লিপ ছোৱালী এজনী হ'ল। তাই তাঁত-শাল মেলি খট্‌খটাই কাপোৰ বব**লৈ** ধৰিলে। কোৱান্‌ছা**ই** সাউৎকৰে গৈ তাই**ৰ** হাত**ত** থাপ মাৰি ধৰি সুধিলে—"তই কোন? ক'**ৰপৰা** আহিছ? কেনেকৈ কাপোৰ বব**লৈ** শিকিলি? ফুলবোৰ**ৰ** এই নমুনাবোৰ ক'ত পালি?"

**ওপৰৰ বাক্যবোৰত পোৱা কেইটিমান শব্দ তলৰ তালিকাত ভাঙি দেখুওৱা হৈছে চোৱা।**

| বাক্যত ব্যৱহাৰ হোৱা ৰূপ | শব্দৰ মূল ৰূপ | লগ লাগিছে |
|---|---|---|
| মাছটোক<br>কামলৈ | মাছ<br>কাম | টো- ক<br>লৈ (অলৈ) |

*নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

| | | |
|---|---|---|
| কাপোৰেৰে | কাপোৰ | ৰে (এৰে) |
| কামলৈ | কাম | লৈ (অলৈ) |
| ঘৰটোৰ | ঘৰ | টো-ৰ |
| ওচৰতে | ওচৰ | অত-এ |
| কোৱান্‌ছাই | কোৱান্‌ছা | ই |
| মাছটোৱে | মাছ | টো-এ (ৱে) |
| লাউৰ | লাউ | ৰ |
| খোলাটোৰ পৰা | খোলা | টো-ৰ পৰা |
| তাইৰ | তাই | ৰ |
| হাতত | হাত | ত |
| ক'ৰ পৰা | ক'ৰ | পৰা |

বাক্যত ব্যৱহাৰ হওঁতে শব্দৰ লগত লগলগা এই ৰূপবোৰৰ কিছুমান শব্দবিভক্তি (**ই, এ, ক, ৰে, লৈ, পৰা, ৰ, ত**) আৰু পৰসৰ্গ। উদাহৰণত থকা '**টো**' নিৰ্দিষ্টতাবাচক প্ৰত্যয়। শব্দ বিভক্তিবোৰ শব্দৰ লগত পোনে পোনে লগ লাগে, যেনে- ঘৰৰ। কিন্তু নিৰ্দিষ্টতাবাচক প্ৰত্যয় লগ লাগিলে প্ৰত্যয়টো শব্দত আৰু বিভক্তি সেই প্ৰত্যয়টোৰ পাছত লগ লাগে, যেনে- ঘৰ-টো-ৰ = ঘৰটোৰ।



**পাঠটোত থকা ই, এ (এ, ৱে, য়ে), ক, ৰে (এৰে), লৈ (অলৈ), ৰ, ত বিভক্তি যোগ হোৱা শব্দবোৰ বিচাৰি উলিয়াই লিখা।**



**তলৰ শব্দবোৰৰ বিপৰীত অৰ্থ বুজোৱা শব্দ পাঠটোৰ পৰা বিচাৰি আনি লিখা।**

বুঢ়া —

নিৰানন্দ —

শেষ —

খালী —

জপাই —

☞ *নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

## গ— জ্ঞান সম্প্ৰসাৰণ

লিখা।

কোৰান্‌ছাই কামলাং নদীত দলঙাৰে মাছ ধৰিছিল। তোমালোকে দলঙা দেখিছানে? দলঙাৰ বাহিৰেও আন কি কি সঁজুলিৰে মাছ ধৰিব পাৰি?


হামব্ৰুমাই তাঁত-শাল মেলি খট্‌খটাই কাপোৰ বৈছিল। তাঁত-শালৰ বাহিৰেও আন কি কি শালত কাপোৰ বব পাৰি? তোমালোকৰ ঘৰত বা অঞ্চলত বা দূৰদৰ্শনৰ অনুষ্ঠানত কেনেকুৱা সঁজুলিৰে তাঁত বোৱা দেখিছা?

তুমি জনা সাধু এটা কোৱা।

অৰুণাচল অসমৰ এখন চুবুৰীয়া ৰাজ্য। অসমৰ চৌপাশে থকা আন চুবুৰীয়া ৰাজ্যবোৰ কি কি মেপত চাই নাম লিখা।

কামলাং নদী অৰুণাচলৰ মাজেৰে বৈ আহিছে। অৰুণাচলৰ মাজেৰে অসমলৈ বৈ অহা নদীবিলাকৰ নাম লিখা। (আৱশ্যকবোধে ভূচিত্ৰাৱলী ব্যৱহাৰ কৰিবা)

কোৰান্‌ছাই দলঙাৰে ধৰা মাছ দুটা বৰ ৰংচঙীয়া আৰু ধুনীয়া আছিল। একুৱিয়ামত এনে ধৰণৰ মাছ পোহে বা ৰাখে। এনে ধৰণৰ মাছ পালে তোমালোকেও খোলা মুখৰ বটল বা বৈয়ামত জীয়াই ৰাখি সিহঁতৰ কাৰ্যাৱলী চাবা।



মাছ কি কি প্ৰণালীৰে খাব পাৰি?



**সাধাৰণতে পাতে, মাৰে, বায় আদি শব্দবোৰ আমি মাছ ধৰা সঁজুলিৰ লগত ব্যৱহাৰ কৰোঁ। এই শব্দবোৰ অন্য শব্দৰ লগতো ব্যৱহাৰ হয়। যেনে**

| (ক) | | (খ) | | (গ) | |
|---|---|---|---|---|---|
| | জাল পাতে। | | জাল মাৰে। | | জাকৈ বায়। |
| | চেপা পাতে। | | পল মাৰে। | | জুলুকি বায়। |
| | দৈ পাতে। | | বঠা মাৰে। | | ঢোল বায়। |
| | থাপনা পাতে। | | দলি মাৰে। | | হাল বায়। |
| | ....... পাতে। | | ....... মাৰে। | | ....... বায়। |
| | ....... পাতে। | | ....... মাৰে। | | ....... বায়। |



এই সাধুটোত এটা মাছে হামক্ৰুমাই নামৰ এজনী দীপ্-লিপ ছোৱালীৰ ৰূপ লৈছিল। ঠিক তেনেদৰে লক্ষ্মীনাথ বেজবৰুৱাৰ 'বুঢ়ী আইৰ সাধু' পুথিত থকা 'ঔ-কুঁৱৰী' নামৰ সাধুটোত ঔৰ পৰা এজনী দীপ্-লিপ ছোৱালী ওলোৱাৰ কথা আছে। এনে ধৰণৰ জীৱ-জন্তু, ভেকুলী, সাপ, ফল-মূল আদিৰ পৰা কোঁৱৰ-কুঁৱৰী ওলোৱা বা ৰূপ লোৱা সাধু সংগ্ৰহ কৰি কোৱা।

## ঘ— প্ৰকল্প



অসমৰ বিভিন্ন জনগোষ্ঠীয়ে ব্যৱহাৰ কৰা সাজ-পোছাকৰ নাম সংগ্ৰহ কৰি লিখা।



বিভিন্ন পৰিস্থিতি অনুসৰি কোনে কি পোছাক পৰিধান কৰিছে ছবি চাই কোৱা আৰু লিখা।



*নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

# পাঠ ২

## পাঠটোৰ পৰা আহৰণ কৰিবলগীয়া অৰ্হতা

- সাধু পঢ়ি বুজি পোৱা আৰু ক'ব পৰা
- বিভিন্ন সাধু, কাহিনী আৰু জনগোষ্ঠীয় লোককথা পঢ়াৰ প্ৰতি আগ্ৰহ জন্মা
- বিভিন্ন কাপোৰ বোৱা তাঁত-শালৰ বিষয়ে জনা
- মাছ ধৰা সঁজুলিৰ বিষয়ে জানিব পৰা
- মানুহৰ বিভিন্ন জীৱিকাৰ বিষয়ে জানিব পৰা
- শব্দাৰ্থ লিখিব আৰু বাক্য ৰচনা কৰিব পৰা
- বিভক্তিৰ চিনৰ লগত পৰিচয় হৈ ব্যৱহাৰ কৰিব পৰা
- অৰুণাচলৰ লগতে অসমৰ চুবুৰীয়া ৰাজ্যৰ বিষয়ে জনা
- অৰুণাচলৰ মাজেৰে অসমলৈ বৈ অহা নদীৰ নাম জনা
- মাছ কি কি প্ৰণালীৰে খাব পাৰি জানিব পৰা
- অসমৰ বিভিন্ন জনগোষ্ঠীয়ে ব্যৱহাৰ কৰা সাজ-পোছাকৰ নাম জনা

## শিকাৰুৰ পাঠভিত্তিক অৰ্হতাৰ মূল্যায়ন

| | | | | | | |
|---|---|---|---|---|---|---|
| সাধু | সাধু পঢ়িব পৰা | সাধু শুনি ক'ব পৰা | প্ৰশ্নৰ নিৰ্দেশনা শুনি বুজি ক'ব পৰা | পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ লিখিব পৰা | | |
| | | | | | | |
| ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ) | যুক্তাক্ষৰ- গ্ম, ব্ৰু পঢ়িব পৰা | যুক্তাক্ষৰকেইটা ভাঙি আৰু গঠন কৰি পঢ়িব পৰা | যুক্তাক্ষৰকেইটা ভাঙি আৰু গঠন কৰি লিখিব পৰা | যুক্তাক্ষৰ থকা শব্দ পঢ়িব পৰা | বাক্য গঠন কৰি পঢ়িব আৰু লিখিব পৰা | প্ৰশ্নবোধক বাক্য গঠন কৰি পঢ়িব আৰু লিখিব পৰা |
| | | | | | | |
| | বিপৰীত অৰ্থ বুজোৱা শব্দ লিখিব পৰা | শব্দবিভক্তিৰ চিনসমূহ জনা আৰু ব্যৱহাৰ কৰিব পৰা | শব্দত ব্যৱহাৰ হোৱা শব্দবিভক্তিৰ চিনসমূহ বিচাৰি উলিয়াব পৰা | জতুৱা-ঠাঁচ ব্যৱহাৰ কৰিব পৰা | | |
| | | | | | | |
| জ্ঞান সম্প্ৰসাৰণ | মাছ ধৰা সঁজুলি আৰু বিভিন্ন তাঁত-শালৰ নাম ক'ব আৰু লিখিব পৰা | অসমৰ চুবুৰীয়া ৰাজ্যবোৰৰ নাম মেপত চাই ক'ব পৰা | মেপত চাই অৰুণাচলৰ মাজেৰে অসমলৈ বৈ অহা নদীৰ নাম ক'ব পৰা | মাছ ৰন্ধা বিভিন্ন প্ৰণালীৰ বিষয়ে জনা | মাছ ধৰা সঁজুলিৰ লগত ব্যৱহাৰ হোৱা শব্দৰ প্ৰয়োগ জনা | অন্যান্য সাধু ক'ব পৰা, পঢ়িব পৰা আৰু লিখিব পৰা |
| | | | | | | |
| প্ৰকল্প | অসমৰ বিভিন্ন জনগোষ্ঠীয়ে ব্যৱহাৰ কৰা পোছাকৰ নাম ক'ব জনা | পৰিস্থিতি অনুসৰি পৰিধান কৰা বিভিন্ন পোছাকৰ নাম ক'ব আৰু লিখিব পৰা | | | | |
| | | | | | | |

☞ *অৰ্হতা আয়ত্ত হ'লে ওপৰৰ তালিকাখনৰ তলৰ খালী ঘৰত ✓ চিন দিব আৰু নহ'লে ✗ চিন দিব। অৰ্হতা আয়ত্ত নোহোৱা শিকাৰুক অতিৰিক্তভাৱে শিকাই পুনৰ মূল্যায়ন কৰিব।*

পাঠ ৩

# কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা

ষঙ শ্ব ণ্ড ল্প স্কৃ

Q3P5D3

বিলতে হালিছে ধুনীয়া পদুমী
ফুলনিত ফুলিছে ফুল।
সেই ফুলে ফুলে পখিলাই চুমিছে
সানিছে ৰেণুৰ বোল।।

.............................................................

.............................................................



তোমালোকে তৃতীয় শ্ৰেণীৰ পাঠ্যপুথিত এই গীতটি পঢ়িবলৈ পাইছা। ইতিমধ্যে সকলোৱে চাগৈ গীতটি গাবলৈও শিকিছা। এই গীতটিৰ ৰচকজনৰ নাম তোমালোকৰ মনত আছেনে? তেখেত হ'ল সংস্কৃতিৰ পূজাৰী বিষ্ণুপ্ৰসাদ ৰাভা।

বিষ্ণুপ্ৰসাদ ৰাভা এজন সৃষ্টিশীল প্ৰতিভাসম্পন্ন আৰু তীক্ষ্ণ বুদ্ধিৰ ব্যক্তি আছিল। তেখেত একাধাৰে সুনিপুণ নৃত্য-শিল্পী, বাদ্য-শিল্পী, নাট্যকাৰ, সুদক্ষ অভিনেতা, গল্পকাৰ, খেলুৱৈ, নিবন্ধকাৰ, সুগায়ক, গীতিকাৰ আৰু সুৰকাৰ আছিল। বিষ্ণুপ্ৰসাদ ৰাভাক 'কলাগুৰু' বুলিও জনা যায়। এই পাঠটিৰ জৰিয়তে তোমালোকে তেখেতৰ সাংস্কৃতিক জীৱনৰ বিষয়ে কিছু কথা জানিব পাৰিবা।



বিষ্ণুপ্ৰসাদ ৰাভাই স্কুলীয়া শিক্ষাৰ লগে লগে সংগীতৰ শিক্ষাও আৰম্ভ কৰিছিল। সেই সময়ৰ বংগৰ বিখ্যাত সংগীতজ্ঞ ওস্তাদ মোতী মিঞা, কালাচাঁদ আৰু গহৰজান বিবিৰ পৰা বিষ্ণুপ্ৰসাদ ৰাভাই গীত, বাদ্য আৰু নৃত্যৰ শিক্ষা লাভ কৰিছিল। ৰাছিয়াৰ বিশ্ববিখ্যাত নৃত্য পটিয়সী আনা পাভলোভাৰ নৃত্য

দেখি বিষ্ণুপ্ৰসাদ ৰাভা বিশেষভাৱে অনুপ্ৰাণিত হৈছিল আৰু নৃত্য-কলাৰ প্ৰতি আকৃষ্ট হৈছিল।

বিষ্ণুপ্ৰসাদ ৰাভা এজন নিখুঁত চিত্ৰকৰো আছিল। তেখেতে বহুতো চিত্ৰ আঁকিছিল। তাৰ ভিতৰত শ্ৰীমন্ত শংকৰদেৱৰ চিত্ৰ আৰু 'বাঁহী' আলোচনীৰ বেটু-পাতৰ বাবে অঁকা সাতখলপীয়া সিংহাসনৰ ছবি উল্লেখযোগ্য।

১৯৪০ চনৰ কথা। কাশী হিন্দু বিশ্ববিদ্যালয়ত বিষ্ণুপ্ৰসাদ ৰাভাই শিৱৰ তাণ্ডৱ নৃত্য, ওজা-পালি নৃত্য, কালীয় দমন নৃত্য পৰিৱেশন কৰে। তেখেতৰ নৃত্য দেখি সেই সময়ৰ কাশী হিন্দু বিশ্ববিদ্যালয়ৰ উপাচাৰ্য দাৰ্শনিক পণ্ডিত সৰ্বপল্লী ৰাধাকৃষ্ণণ মুগ্ধ হৈছিল। সেই সাংস্কৃতিক অনুষ্ঠানৰ সংগঠক প্ৰেমচান্দেও বিষ্ণুপ্ৰসাদ ৰাভাৰ নৃত্য প্ৰতিভাৰ ভূয়সী প্ৰশংসা কৰিছিল।

বিষ্ণুপ্ৰসাদ ৰাভাৰ সাংস্কৃতিক জীৱনৰ কেন্দ্ৰস্থল আছিল তেজপুৰৰ বাণ থিয়েটাৰ। তাত তেখেতে বিভিন্ন গীত গোৱাৰ উপৰি নাটকত অভিনয় কৰিছিল। তেখেতে কেইবাটাও ভাষাত দক্ষতা অৰ্জন কৰিছিল। অসমীয়া, বাংলা, হিন্দী, ইংৰাজী ভাষাৰ বাহিৰে ৰাভা, বড়োকে ধৰি কেইবাটাও জনজাতীয় ভাষা জানিছিল।



বিষ্ণুপ্ৰসাদ ৰাভা এজন বাদ্য শিল্পীও আছিল। তেখেতে বিভিন্ন প্ৰকাৰৰ বাদ্য বজাব জানিছিল। অসমৰ বিভিন্ন বাদ্য-যন্ত্ৰ যেনে- ঢোল, খোল, তাল, পেঁপা, টকা, কালি, টোকাৰী আদিৰ বিষয়ে তেখেতে বিজ্ঞানসন্মত অধ্যয়ন কৰিছিল।

অসমৰ সুসন্তান এইজনা শিল্পীয়ে ১৯৬৯ চনৰ ২০ জুন তাৰিখে আমাক কন্দুৱাই পৰলোকলৈ গমন কৰে। অসমবাসীয়ে তেখেতৰ মৃত্যুৰ দিনটো 'বিষ্ণুৰাভা দিৱস' হিচাপে পালন কৰি আহিছে। এই পাঠটিত

বিষ্ণুপ্ৰসাদ ৰাভাৰ জীৱনৰ কথাবোৰ তেনেই চমুকৈ আলোচনা কৰা হৈছে। ভৱিষ্যতে তোমালোকে তেখেতৰ বিষয়ে আৰু বহু কথা জানিব পাৰিবা।

**বিষ্ণুপ্ৰসাদ ৰাভাৰ বিষয়ে জানো আহা**

*জন্ম ঃ ১৯০৯ চনৰ ৩১ জানুৱাৰী*
*পিতৃ ঃ গোপাল ৰাভা*
*মাতৃ ঃ গেঠি ৰাভা*
*জন্ম স্থান ঃ ঢাকা (বৰ্তমান বাংলাদেশ)*
*প্ৰাথমিক শিক্ষা ঃ ঢাকা (বৰ্তমান বাংলাদেশ)*
*হাইস্কুলীয়া শিক্ষা ঃ তেজপুৰ*
*কলেজীয়া শিক্ষা ঃ কোচবিহাৰ আৰু কলিকতা (বৰ্তমানৰ কলকাতা)*
*ৰচনাৰাজি ঃ বিষ্ণুপ্ৰসাদ ৰাভাই বহুধৰণৰ বিষয় লৈ লিখা-মেলা কৰিছিল। তাৰে ভিতৰত অজস্ৰ গীত-মাত, নাটক-নৃত্যনাটিকা, গল্প-প্ৰবন্ধ, জীৱনী আৰু উপন্যাসো আছিল। 'ৰাভা ৰচনাৱলী প্ৰকাশন সংঘ'ই সেইবোৰ থুপাই দুটা বৃহৎ খণ্ডত "বিষ্ণুপ্ৰসাদ ৰাভা ৰচনা সম্ভাৰ" প্ৰকাশ কৰি উলিয়াইছে।*

**ক্ৰিয়া-কলাপ**

**ক — পাঠভিত্তিক ক্ৰিয়া**




**পাঠটো স্পষ্ট আৰু শুদ্ধ উচ্চাৰণেৰে পঢ়া আৰু তলৰ প্ৰশ্নসমূহৰ উত্তৰ দিয়া।**

(ক) 'বিলতে হালিছে ধুনীয়া পদুমী'...গীতটি কোনে ৰচনা কৰিছিল?

(খ) বিষ্ণুপ্ৰসাদ ৰাভাই স্কুলীয়া শিক্ষাৰ লগে লগে কি শিক্ষা লৈছিল?

(গ) বিষ্ণুপ্ৰসাদ ৰাভাই কোন বিদেশিনীৰ নৃত্য দেখি অনুপ্ৰাণিত হৈছিল?

(ঘ) কি কি বাদ্য-যন্ত্ৰৰ বিষয়ে বিষ্ণুপ্ৰসাদ ৰাভাই বিজ্ঞানসন্মত চৰ্চা কৰিছিল?

(ঙ) বিষ্ণুপ্ৰসাদ ৰাভাই অঁকা উল্লেখযোগ্য ছবি কেইখন কি কি?

(চ) বিষ্ণুপ্ৰসাদ ৰাভাৰ মৃত্যুৰ দিনটো কি দিৱস হিচাপে পালন কৰা হয়?

(ছ) তেজপুৰত থকা সাংস্কৃতিক মঞ্চখনৰ নাম কি?



**শব্দবোৰৰ অৰ্থ শব্দ সম্ভাৰৰ পৰা বিচাৰি লিখা।**

| শব্দ | অৰ্থ |
|---|---|
| সংস্কৃতি | |
| প্ৰতিভাসম্পন্ন | |
| অনুপ্ৰাণিত | |
| সুনিপুণ | |

| শব্দ | অৰ্থ |
|---|---|
| সুদক্ষ | |
| ৰচক | |
| তীক্ষ্ণ | |
| ভূয়সী | |

**লিখা-**



কাশী হিন্দু বিশ্ববিদ্যালয়ত বিষ্ণুপ্ৰসাদ ৰাভাই নচা ৩টা নৃত্যৰ নাম?



কাশী হিন্দু বিশ্ববিদ্যালয়ত বিষ্ণুপ্ৰসাদ ৰাভাৰ নৃত্য দেখি মুগ্ধ হোৱা উপাচাৰ্যজনৰ নাম কি?



বিষ্ণুপ্ৰসাদ ৰাভাক গীত, বাদ্য আৰু নৃত্য শিকোৱা গুৰুৰ নাম?

*নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

## খ — ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ)

### যুক্তাক্ষৰ ভাঙি পঢ়োঁ আৰু লিখোঁ আহা

উষ্ণ — ষ্ণ = ষ + ণ ষই ণই ষ্ণ

| | | | | | | |
|---|---|---|---|---|---|---|
| ষ্ণ | ষ + ণ | ষই | ণই | ষ্ণ | — | বিষ্ণু, বৈষ্ণৱ, সহিষ্ণু |
| শ্ব | শ + ৱ | শই | ৱই | শ্ব | — | অশ্ব, নশ্বৰ, নৰেশ্বৰ |
| ণ্ড | ণ + ড | ণই | ডই | ণ্ড | — | লণ্ডন, খণ্ডন, মুণ্ডন |
| ল্প | ল + প | লই | পই | ল্প | — | গল্প, অল্প, শিল্প, শিল্পী |
| স্কৃ | স + ক + ঋ | সই কই স্ক তাত ঋ কাৰে | | স্কৃ | — | সংস্কৃতি, সংস্কৃত |

### যুক্তাক্ষৰ গঠন কৰোঁ আহা

| | | | | | | | |
|---|---|---|---|---|---|---|---|
| ষ + ণ | ষই | ণই | ষ্ণ | ল + প | লই | পই | ল্প |
| শ + ৱ | শই | ৱই | শ্ব | | | | |
| ণ + ড | ণই | ডই | ণ্ড | | | | |
| স + ক + ঋ | সই কই স্ক তাত ঋ কাৰে | | স্কৃ | | | | |

### পঢ়োঁ আহা

**কৃষ্ণ উষ্ণ উষ্ণতা পাণ্ডু পাণ্ডৱ পণ্ডিত কল্পনা**

**সংকল্প কল্পতৰু নমস্কাৰ পুৰস্কাৰ বিশ্ব ঈশ্বৰ মহেশ্বৰ**

ঝান্সীৰ ৰাণী অশ্ব চালনাত পাকৈত আছিল।


বিষ্ণুপ্ৰসাদ ৰাভা সংস্কৃতিৰ পূজাৰী আছিল।

আনন্দৰাম বৰুৱা এজন তীক্ষ্ণ মেধাসম্পন্ন ব্যক্তি আছিল।

শিল্পীক সকলোৱে সন্মান কৰে।



## শব্দ গঠন কৰোঁ আহা




*শব্দ গঠন কৰোঁতে ছাত্ৰ-ছাত্ৰীক সহায় কৰিব। লগতে নতুনকৈ গঠন হোৱা শব্দটোৰ অৰ্থ কৈ দিব।*



## পাঠৰ পৰা বিচাৰি উলিয়াই লিখা।

(ক) মানুহৰ নাম, যেনে - বিষ্ণুপ্ৰসাদ ৰাভা, ...................

(খ) ঠাইৰ নাম, যেনে- বংগ, ......................

(গ) অনুষ্ঠানৰ নাম, যেনে - বাণ থিয়েটাৰ, ................

(ঘ) ভাষাৰ নাম, যেনে - অসমীয়া, ......................

(ঙ) বাদ্য-যন্ত্ৰৰ নাম, যেনে - ঢোল, ..................

(চ) কৰ্ম বা বৃত্তিৰ নাম, যেনে - গীতিকাৰ, .....................

**এনেধৰণৰ মানুহ, ঠাই, অনুষ্ঠান, ভাষা, গুণ, বৃত্তি, দিন, বাৰ, মাহ, জীৱ-জন্তু, উদ্ভিদ, বয়-বস্তু আদিৰ নাম বুজোৱা পদবোৰক বিশেষ্য পদ বুলি কোৱা হয়।**

এতিয়া তোমালোকে এই পাঠটোৰ উপৰি আন পাঠত থকা বিশেষ্য পদবোৰ বাছি উলিওৱা।

*এই ক্ৰিয়া-কলাপটো কৰোঁতে বাতৰি কাকত, আলোচনী আদি ছপা সামগ্ৰী ব্যৱহাৰ কৰিব।*

*নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

**তলৰ বাক্যবোৰত থকা বিশেষ্য পদৰ তলত আঁচ টানি দেখুওৱা।**

(ক) <u>মুকুট</u> <u>ডিব্ৰুগড়</u>লৈ যাব।

(খ) সৰলতাৰ বাবে গৌতম সকলোৰে প্ৰিয় পাত্ৰ।

(গ) ৰমেন বৰ চঞ্চল।

(ঘ) গাইগৰুৱে গাখীৰ দিয়ে।

(ঙ) শৰৎ কালত শেৱালি ফুলে।

## গ— জ্ঞান সম্প্ৰসাৰণ

**বিষ্ণুপ্ৰসাদ ৰাভাৰ দৰে কলা-সংস্কৃতিৰ সাধনা কৰা কেইগৰাকীমান ব্যক্তিৰ নাম লিখা।**

জানো আহা

**গীতিকবি পাৰ্বতিপ্ৰসাদ বৰুৱা (১৯০৪-১৯৬৪ চন)**— অসমীয়া সাহিত্য-সংস্কৃতিক যিসকল লোকে অমূল্য অৱদানেৰে চহকী কৰি থৈ গৈছে সেইসকলৰ ভিতৰত পাৰ্বতিপ্ৰসাদ বৰুৱাও এজন। তেখেতৰ জন্ম হৈছিল শিৱসাগৰত। তেখেতে স্কুলীয়া শিক্ষা শিৱসাগৰতে সমাপ্ত কৰে। তাৰ পাছত কটন কলেজৰ পৰা আই. এছ. চি. পৰীক্ষা পাছ কৰি কলিকতাৰ স্কটিছ চাৰ্চ কলেজৰ পৰা বি. এ. পাছ কৰে। তেখেত বহু প্ৰতিভাসম্পন্ন ব্যক্তি আছিল। তেখেতে বহুতো গীত আৰু কবিতাৰ পুথি ৰচনা কৰি থৈ গৈছে। সেইবিলাকৰ ভিতৰত—'লখিমী', 'সোণৰ সোলেঙ', 'গুণগুণনি', 'ভঙা টোকাৰীৰ সুৰ', 'লুইতী', 'শুকুলা ডাৱৰ ঐ কঁহুৱা ফুল' আদি উল্লেখযোগ্য।

তেখেতে ৰচনা কৰা গীতসমূহত অসমৰ থলুৱা লোকগীত, বনগীত, আইনাম, ধাইনাম, টোকাৰী গীত, বিয়ানাম আৰু বিহুগীতৰ সুৰ দি অসমীয়া সংগীতলৈ এক নতুন ধাৰা বোৱাইছিল। তেখেতৰ বহুতো দেশপ্ৰেমমূলক গীত আছে। সেইবোৰ হ'ল— 'নোবোলো তোক সোণৰ অসম', 'জয় জয় অসম মাতৃৰ জয়' আৰু 'পূজোঁ আহা আই মাতৃৰ চৰণ কমল, উঠক বাজি জয়ধ্বনি পৰম মংগল' আদি।

**পাৰ্বতিপ্ৰসাদ বৰুৱাৰ এই গীতটো লগে ভাগে গাওঁ আহা—**

লুইতৰ চাপৰিত ক'ৰে নাৱৰীয়া
বালিত ভাতে ৰান্ধি খায়;
সাউদৰ ডিঙৰা বগা পালে তৰা
উজনি দেশলৈ যায়।
হেৰ' নাৱৰীয়া মেলি দে ডিঙৰা
তৰি দে শুকুলা পাল,
পশ্চিমৰ দিশৰে পছোৱা আহিছে
বতাহ বলিছে ভাল।
পালতে লাগিব পশ্চিমৰ পছোৱা
তুল-বুল কৰিব নাও,
ঢউৰ চেৱে চেৱে নামে লগাই দিবি
হালিব-জালিব গাৱ।।

*(উৎস ঃ পাৰ্বতিপ্ৰসাদ বৰুৱা ৰচনাৱলী, সম্পাদনা-শ্ৰীপৰনাথ শৰ্মা, তৃতীয় সংস্কৰণ-২০০০ চন, প্ৰকাশক-অসম সাহিত্য সভা, পৃ.-১৫২)*



## শব্দ গঠন কৰোঁ আহা

উদাহৰণ - গীত - গীতিকাৰ

নাটক -

সুৰ -

প্ৰবন্ধ -

নিবন্ধ -

## কাক কি নামেৰে জনা যায় আঁচ টানি মিলোৱা

| | |
|---|---|
| (ক) পাৰ্বতিপ্ৰসাদ বৰুৱা | নট সূৰ্য |
| (খ) বিষ্ণুপ্ৰসাদ ৰাভা | লুইত কোঁৱৰ |
| (গ) জ্যোতিপ্ৰসাদ আগৰৱালা | গীতিকবি |
| (ঘ) ফণী শৰ্মা | কলাগুৰু |
| (ঙ) ৰুদ্ৰ বৰুৱা | ৰূপকোঁৱৰ |

## জানো আহা

মহাপুৰুষ শংকৰদেৱ আৰু মাধৱদেৱে ৰচনা কৰা গীত — বৰগীত।

কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাই ৰচনা কৰা গীত— বিষ্ণু ৰাভা সংগীত।

ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাই ৰচনা কৰা গীত— জ্যোতি সংগীত।

কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰে ৰচনা কৰা গীত— ৰবীন্দ্ৰ সংগীত।

## কোনে ৰচনা কৰিছিল ?

(ক) বৰগীত ............................................................

(খ) বিষ্ণু ৰাভা সংগীত ..........................................

(গ) জ্যোতি সংগীত ................................................

(ঘ) ৰবীন্দ্ৰ সংগীত ..................................................

নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী

## ঘ — প্ৰকল্প


- শিক্ষক বা স্থানীয় সমল ব্যক্তিৰ পৰা শিকি শ্ৰেণীকোঠাত বা বিদ্যালয়ত পতা অনুষ্ঠানত তলৰ কবিতা আৰু নৃত্য-গীতসমূহ পৰিৱেশন কৰা—

  (ক) বিষ্ণু ৰাভা সংগীত

  (খ) বিষ্ণুপ্ৰসাদ ৰাভাই ৰচনা কৰা কবিতাৰ আবৃত্তি

  (গ) বিষ্ণুপ্ৰসাদ ৰাভাৰ সংগীতৰ নৃত্য-ৰূপ

- তলৰ ছবিকেইখন চাই আঁকা।



- তোমালোকৰ নিজ নিজ এলেকাত ব্যৱহাৰ কৰা বাদ্য-যন্ত্ৰৰ ছবি সংগ্ৰহ কৰি এখন বাদ্য-যন্ত্ৰৰ তালিকা প্ৰস্তুত কৰা। প্ৰতিটো বাদ্য-যন্ত্ৰৰ তলত নাম লিখিবা।

*নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

# পাঠ ৩

## পাঠটোৰ পৰা আহৰণ কৰিবলগীয়া অৰ্হতা

- জীৱনী শুনি বুজি পোৱা আৰু ক'ব পৰা
- শুদ্ধ উচ্চাৰণেৰে পাঠটো পঢ়িব পৰা আৰু পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ দিব পৰা
- যুক্তাক্ষৰ ভাঙি পঢ়িব আৰু গঠন কৰিব পৰা
- নিজৰ অঞ্চল/বিদ্যালয়ত পালন কৰা উৎসৱ/দিবসৰ বিষয়ে জনা আৰু ক'ব পৰা
- বিষ্ণুপ্ৰসাদ ৰাভাৰ বিষয়ে জনা আৰু তেখেতৰ গীত গাব পৰা
- কলা-সংস্কৃতি সাধনা কৰা ব্যক্তিৰ নাম জনা, বিভিন্ন বাদ্য-যন্ত্ৰৰ নাম জনা
- বিশেষ্য পদৰ বিষয়ে ধাৰণা পোৱা আৰু বিশেষ্য পদ বাছি উলিয়াব পৰা
- শব্দ অৰ্থ জানি লিখিব পৰা
- ছবি আঁকিব পৰা

## শিকাৰুৰ পাঠভিত্তিক অৰ্হতাৰ মূল্যায়ন


| | | | | | | |
|---|---|---|---|---|---|---|
| জীৱনী | শুদ্ধ উচ্চাৰণেৰে গদ্য পাঠ পঢ়িব পৰা | পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ দিব পৰা | বিষ্ণুপ্ৰসাদ ৰাভাৰ বিষয়ে ক'ব আৰু লিখিব পৰা | নতুন শব্দৰ অৰ্থ জনা | | |
| | | | | | | |
| ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ) | যুক্তাক্ষৰ পঢ়িব আৰু লিখিব পৰা | যুক্তাক্ষৰ ভাঙিব আৰু গঠন কৰিব পৰা | শব্দ গঠন কৰিব জনা | | | |
| | | | | | | |
| | বিশেষ্য পদৰ ধাৰণা পোৱা | বাক্যত বিশেষ্য পদ চিনি পোৱা আৰু লিখিব পৰা | | | | |
| | | | | | | |
| জ্ঞান সম্প্ৰসাৰণ | বিষ্ণুপ্ৰসাদ ৰাভাৰ বিষয়ে ক'ব পৰা | বিষ্ণুপ্ৰসাদ ৰাভাৰ গীত গাব পৰা | বিভিন্ন বাদ্য-যন্ত্ৰৰ নাম জনা | কলা-সংস্কৃতি সাধনা কৰা ব্যক্তিৰ নাম জনা | শিল্পীসকলে লাভ কৰা উপাধিৰ নাম জনা | |
| | | | | | | |
| প্ৰকল্প | বিষ্ণুপ্ৰসাদ ৰাভা আৰু পাৰ্বতিপ্ৰসাদ বৰুৱা ৰচিত গীত শুদ্ধকৈ গাব জনা | বাদ্য-যন্ত্ৰৰ তালিকা প্ৰস্তুত কৰিব পৰা | বাদ্য-যন্ত্ৰৰ ছবি আঁকিব পৰা | বিষ্ণুপ্ৰসাদ ৰাভা সংগীতক নৃত্য ৰূপ দিব পৰা | | |
| | | | | | | |

☞ *অৰ্হতা আয়ত্ত হ'লে ওপৰৰ তালিকাখনৰ তলৰ খালী ঘৰত ✓ চিন দিব আৰু নহ'লে ✗ চিন দিব। অৰ্হতা আয়ত্ত নোহোৱা শিকাৰুক অতিৰিক্তভাৱে শিকাই পুনৰ মূল্যায়ন কৰিব।*

পাঠ ৪

Q5S7R9

# লঘোন



একোকে নেখাওঁ আজি
একেবাৰে ভোক নাই
আছে যদি আধা সেৰ
চিৰা দিবা ভাল চাই।
দৈ মোক নেলাগেই
গাখীৰৰ সৰ পালে,
খেজুৰিৰ গুৰ নেকি?
লৈ আহ এইফালে।
নাই যদি মালভোগ
জাহাজী কলকে আন;
আৰু একো নেলাগেই
এয়ে হ'ব জলপান।

আজি যদি অহা নাই
ভীম চিং পালোৱান,
তাৰ বাবে ভাজি থোৱা
দুটা মান আলু আন।
পাপৰ আছিল বোলে?
আওঠাত সেক চোন।
আচাৰো ওলাব পাৰে
বিচাৰিলে চুক কোণ।
ৰৌ মাছ ভজা আছে?
তাৰো দুচকল দে,
এয়ে হ'ব লঘোনত
আৰু একো নেলাগে।

*(উৎস ঃ মৰুৰা ফুল, পৃষ্ঠা—২৫৮-২৫৯, প্ৰকাশক—অসম প্ৰকাশন পৰিষদ, গুৱাহাটী )*

**কবি- নৱকান্ত বৰুৱা**

**ক্রিয়া-কলাপ**

## ক — পাঠভিত্তিক ক্রিয়া

**পদ্যটি শুদ্ধ আৰু স্পষ্টকৈ আবৃত্তি কৰা।**

**উত্তৰ দিয়া।**

(ক) 'লঘোন' পদ্যটো ৰচনা কৰা কবিজনৰ নাম কি?

(খ) 'লঘোন' শব্দৰ অৰ্থ কি?

(গ) পালোৱান বুলিলে কেনেকুৱা মানুহ এজনৰ ছবি তোমাৰ মনলৈ আহে?

**'লঘোন' পদ্যটিৰ ভিত্তিত ক-অংশৰ কথাখিনিৰ লগত খ-অংশৰ কথাখিনি মিলাই লিখা।**

| ক-অংশ | খ-অংশ |
|---|---|
| ১। আছে যদি আধা সেৰ | জাহাজী কলকে আন |
| ২। দৈ মোক নেলাগেই | তাৰো দুচকল দে |
| ৩। নাই যদি মালভোগ | চিৰা দিবা ভাল চাই |
| ৪। পাপৰ আছিল বোলে | গাখীৰৰ সৰ পালে |
| ৫। ৰৌ মাছ ভজা আছে | আওঠাত সেকচোন |

**'লঘোন' শব্দটোৰ অৰ্থ 'লঘোন' পদ্যটোৰ কথাখিনিৰ লগত মিলিছেনে? যদি মিলা নাই, কিয় মিলা নাই লিখা।**

**তলত উল্লেখ কৰা বস্তুকেইবিধৰ বিষয়ে দলত আলোচনা কৰি চমু টোকা লিখা।**

(ক) মালভোগ কল (খ) গাখীৰৰ সৰ (গ) আচাৰ (ঘ) পাপৰ

☞ *'লঘোন'ৰ অৰ্থ ছাত্ৰ-ছাত্ৰীক ভালদৰে বুজাই দিব।*

☞ *নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

## খ —ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ)

**উদাহৰণত দেখুওৱাৰ দৰে তলৰ ক্ৰিয়াবোৰৰ নঞৰ্থক ৰূপ লিখা।**

উদাহৰণ—

ন + চায় = নাচায় বা নেচায় ন + পালে = ____ বা ____

ন + কাটে = ____ বা ____ ন + খালে = ____ বা ____

**জানো আহা**

**'লঘোন' নামৰ পদ্যটিত আহ, আন, অহা আদি স্বৰবৰ্ণেৰে আৰম্ভ হোৱা ক্ৰিয়া পদ আছে। এনে ধৰণৰ স্বৰবৰ্ণেৰে আৰম্ভ হোৱা ক্ৰিয়াত নঞৰ্থক ন যোগ দিলে ন-ৰ 'অ' স্বৰটো লোপ পায়।** যেনে— ন(অ) + আহ = নাহ (অ), ন(অ) + আন = নান (অ)। ইয়াত 'ন' -ৰ 'অ' স্বৰটো লোপ পাইছে।

**তলত দিয়া স্বৰবৰ্ণেৰে আৰম্ভ হোৱা ক্ৰিয়াবোৰৰ নঞৰ্থক ৰূপ লিখোঁ আহা**

ন + এৰে = ____ ন + অহা = ____ ন + উঠে = ____

ন + আছিল = ____ ন + আহিবা = ____ ন + ওলায় = ____

**এটা শব্দত প্ৰকাশ কৰা।**

(ক) ভোকত আতুৰ হোৱা লোক — ____

(খ) নিয়মমতে খৰচ কৰা লোক — ____

(গ) বেছিকৈ ভাত খোৱা মানুহ — ____

(ঘ) বন্ধা-বঢ়া কৰা তিৰোতা — ____

*নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

কোৱা আৰু লিখা।



কি কি কল তুমি খোৱা আৰু কিয় খোৱা?

কলগছ আমাৰ কি কি কামত লাগে?



তোমাৰ কি কি ফল খাই ভাল লাগে?

তলৰ শব্দবোৰেৰে অৰ্থৰ পাৰ্থক্য প্ৰকাশ পোৱাকৈ বাক্য ৰচনা কৰা।

উদাহৰণ—

সৰ্— (ওপৰৰ পৰা পৰ্; খহ্)-গছৰ পকা ফলবোৰ সৰি তলত পৰিছে।

সৰ— (গাখীৰৰ ওপৰত পৰা চামনি)-পগোৱা গাখীৰৰ ওপৰত ডাঠকৈ সৰ পৰিছে।

*নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

কল— (সুখাদ্য ফল বিশেষ) ....................................................................................

কল— (যন্ত্ৰ) ....................................................................................

চিৰা— (ফুট কঢ়া ধান ভাজি চেপেটাকৈ খুন্দি উলিওৱা চাউল) ........................................

চিৰা— (ছেঁই, মাহজাতীয় উদ্ভিদৰ বীজযুক্ত দীঘলীয়া বীজাৱৰণ) ........................................

দৈ— (দৈ গাখীৰ) ....................................................................................

দৈ— (বাঁহৰ চেপেটা আৰু মিহি কাঠি) ....................................................................

আলু— (এবিধ পাচলি) ....................................................................................

আলু— (দাঁতৰ গুৰি) ....................................................................................

কোণ— (চুক) ....................................................................................

কোন— (প্ৰশ্নবোধক শব্দ) ....................................................................................



**পদ্যটোত আলু ভাজে, মাছ ভাজে বুলি পঢ়িছা। তেনেদৰে আৰু কি কি ভাজে, ৰান্ধে, পগায় আৰু পোৰে দলত আলোচনা কৰি তাৰ এখন তালিকা কৰা।**

## গ — জ্ঞান সম্প্ৰসাৰণ



আলু ভজা খাবলৈ মজা। আলু ভাজি খোৱাৰ উপৰি আৰু কি কি ধৰণে খাইপাইছা ?



মালভোগ কল আৰু জাহাজী কলৰ বাহিৰে আৰু কি কি কলৰ নাম জানা লিখা।



'পঁইতা ভাতে পোৱা মাছে' বুলি ক'লে জিভাৰ পানী পৰে। পোৱা মাছৰ বাহিৰে আৰু কি কি আঙঠাত পুৰি বা সেকি খাব পাৰি ?

*☞ নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*



অসমীয়া মানুহে চিৰা, সান্দহ, মুড়ি, আখৈ, কোমল চাউল, বৰা চাউলৰ জলপান খায়। চাহৰ লগত নানাবিধ পিঠা-পনা খায়। এতিয়া বজাৰত জিভাত জুতি লগা নানাবিধ খোৱা বস্তু ওলাইছে। তুমি পিছে জলপান হিচাপে কি কি খোৱা?



তলত দুবিধ খাদ্যবস্তুৰ ছবি আছে আৰু তাৰ চাৰিওফালে কেইবিধমান প্ৰাণীৰ নাম দিয়া হৈছে। সেইবোৰৰ ভিতৰত কোনে কোনবিধ খায় দলত আলোচনা কৰি 'মাছ খোৱা', 'কল খোৱা' 'দুয়োবিধ খোৱা' আৰু 'এবিধো নোখোৱা' প্ৰাণীৰ নামৰ তালিকা কৰা।

| | | | |
|---|---|---|---|
| হাতী | মানুহ | বাঘ | মাছৰোকা |
| উদ |  | | বাদুলী |
| বান্দৰ | | | বগলী |
| মেকুৰী |  | | পাৰ |
| শালিকা | শিয়াল | হাঁহ | বৰটোকোলা |

*পুৰা, গধূলি জলপান হিচাপে ঘৰত প্ৰস্তুত কৰা খাদ্য খাবলৈ আগ্ৰহান্বিত কৰিব আৰু তাৰ উপকাৰিতাৰ বিষয়ে ক'ব।*

*নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

## জানো আহা

**ডাকৰ বচন**

ডাকৰ বচনবোৰ লোক সংস্কৃতিৰ ভিতৰুৱা। ডাক নামৰ পুৰুষ এজনে এই বচনবোৰ ৰচনা কৰিছিল। এই বচনবোৰ যুগ যুগ ধৰি মানুহৰ মুখে মুখে প্ৰচলিত হৈ আহিছে। ডাকৰ বচনবোৰ মানুহৰ সামাজিক আৰু ব্যাৱহাৰিক জীৱনত পালন কৰিব পৰা কিছুমান পৰামৰ্শ মূলক উক্তি, য'ত ৰাজনীতি, সমাজনীতি, ধৰ্মনীতি, অৰ্থনীতি, কৃষিনীতি, ৰন্ধন প্ৰক্ৰিয়া, যাত্ৰাৰ ফল, ৰোগৰ বিৱৰণ আদিৰ উল্লেখ আছে।

**উদাহৰণ**— তিনিশ যাঠি জোপা ৰুবা কল
মাহেকে-পযেকে চিকুণাবা তল।
পাত পচলা লাভত পাবা,
লঙ্কাৰ বণিজ ঘৰতে পাবা।

তিনিশ যাঠি জোপা কলগছ ৰুই তাৰ তলখন মাহেকে-পযেকে চিকুণাব লাগে, যাতে বন জাবৰ গজি উঠি কলগছৰ তলখন অনুৰ্বৰ কৰিব নোৱাৰে। কলখেতিয়কে সেই কলগছৰ পাত বিভিন্ন কামত ব্যৱহাৰ কৰিব পাৰে। কলৰ পুলি পচলা হিচাপে খাব পাৰে। তদুপৰি তিনিশ যাঠি জোপা কলগছৰ কল বেচি তেওঁ ঘৰতে বহি ধন ঘটিব পাৰে। ধন বিচাৰি তেওঁ লঙ্কালৈ বা দূৰলৈ যাব নালাগে।

## বহলাই লিখা।

অল্প অৰ্জন, বিস্তৰ ভোজন,
সেই পুৰুষৰ দৰিদ্ৰৰ লক্ষণ।।

## ঘ— প্ৰকল্প

- **তোমাৰ পৰিয়ালৰ বা আন জ্যেষ্ঠজনক সুধি তিনিটা ডাকৰ বচন সংগ্ৰহ কৰা আৰু সেই তিনিটাৰ ভাব বহলাই লিখা।**

☞ *বহলাই লিখা কাৰ্যটোত ছাত্ৰ-ছাত্ৰীক সহায় কৰিব।*

● **তলৰ সাঁথৰটো ভাঙা আৰু তেনেধৰণৰ সাঁথৰ সংগ্ৰহ কৰি লিখা।**

পাখি আছে মোৰ
নোৱাৰোঁ উৰিব,
আখি আছে মোৰ
নোৱাৰোঁ মুদিব।
ভৰি নহ'লেও
ফুৰিছোঁ ঘূৰি,
জীৱন কটাওঁ
পানীত সাঁতুৰি।



যদি তুমি মোক চিনি পোৱা
তেনেহ'লে মোৰ নামটো কোৱা।

● **ছবি আঁকোঁ আহা**



## পাঠ ৪

### পাঠটোৰ পৰা আহৰণ কৰিবলগীয়া অৰ্হতা

- পদ্য শুনি আবৃত্তি কৰিব পৰা
- ধেমেলীয়া পদ্য পঢ়ি বুজি পোৱা আৰু আমোদ পোৱা
- পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ ক'ব আৰু লিখিব পৰা
- ধেমেলীয়া পদ্য পঢ়াৰ প্ৰতি আগ্ৰহ জন্মা
- লয়, ছন্দ আদিৰ জ্ঞান লাভ কৰিব পৰা
- স্থানীয় খাদ্যৰ বিষয়ে জনা
- ডাকৰ বচনৰ লগত পৰিচয় হোৱা আৰু ভাব বহলাই লিখিব পৰা
- ন যোগ দি নঞৰ্থক শব্দ গঠন কৰিব পৰা
- এটা শব্দত প্ৰকাশ কৰি লিখিব পৰা
- একে শব্দৰ বেলেগ বেলেগ অৰ্থ জনা
- সাঁথৰ সংগ্ৰহ কৰি ভাঙিব পৰা হোৱা

### শিকাৰুৰ পাঠভিত্তিক অৰ্হতাৰ মূল্যায়ন

| পদ্য | পদ্য আবৃত্তি কৰিব পৰা | পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ দিব পৰা | পদ্যত থকা বিষয় লৈ চমুটোকা লিখিব পৰা | | |
|---|---|---|---|---|---|
| | | | | | |
| ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ) | ক্ৰিয়াৰ নঞৰ্থক ৰূপ সম্পৰ্কে জনা আৰু প্ৰয়োগ কৰিব পৰা | এটা শব্দত প্ৰকাশ কৰি ক'ব আৰু লিখিব পৰা | অৰ্থৰ পাৰ্থক্য প্ৰকাশ হোৱাকৈ বাক্য ৰচনা কৰিব পৰা | ছবি চাই ক'ব আৰু লিখিব পৰা | খাদ্য খোৱা বিভিন্ন প্ৰস্তুত প্ৰণালীৰ বিষয়ে ক'ব পৰা |
| | | | | | |
| জ্ঞান সম্প্ৰসাৰণ | স্থানীয় খাদ্য সামগ্ৰীৰ বিষয়ে ক'ব আৰু লিখিব পৰা | জীৱ-জন্তুৰ ছবি চাই কোনে কি খাদ্য খায় ক'ব পৰা | ডাকৰ বচনৰ ভাব প্ৰকাশ কৰি লিখিব পৰা | | |
| | | | | | |
| প্ৰকল্প | ডাকৰ বচন সংগ্ৰহ কৰিব আৰু অৰ্থ লিখিব পৰা | সাঁথৰ ভাঙিব পৰা | সাঁথৰ সংগ্ৰহ কৰি লিখিব পৰা | ছবি আঁকিব পৰা | |
| | | | | | |

☞ *অৰ্হতা আয়ত্ত হ'লে ওপৰৰ তালিকাখনৰ তলৰ খালী ঘৰত ✓ চিন দিব আৰু নহ'লে ✗ চিন দিব। অৰ্হতা আয়ত্ত নোহোৱা শিকাৰুক অতিৰিক্তভাৱে শিকাই পুনৰ মূল্যায়ন কৰিব।*

পাঠ ৫

# পানী

ক্ষ্ম ঙ্গ

মোক তোমালোকে নৈ-বিল, জান-জুৰি আৰু হয়তো নলী-নাদ, নলৰ মুখত দেখা। কিন্তু জানানে বাৰু, মই যে থাকোঁ বায়ুৰ লগত, জীৱৰ দেহত, মাটিৰ তলত। তেনেহ'লে মই নাথাকোঁ ক'ত?



সকলোৱে কয় মোৰ হেনো আকাৰ নাই!
ক'তা, মই দেখোন প্ৰকাণ্ড পাত্ৰ আৰু
ক্ষুদ্ৰ পাত্ৰৰো আকাৰ ল'ব পাৰোঁ।
মই য'তেই থাকোঁ তাৰেই আকাৰ লওঁ।
মই কেতিয়াবা উটুৱায়ো লৈ যাওঁ,
সুৰঙ্গৰ মাজেদিও যাওঁ
আৰু সূক্ষ্ম ছিদ্ৰৰ সুৰুঙাও লওঁ।
মোৰ পিছে কেতিয়াও ৰৈ থকাৰ
ইচ্ছা নাই। অবিৰাম বৈ থাকিবলৈহে
মন যায়। মোৰ অকণো দুখ-ভাগৰ,
জিৰণি নাই। ভাপ হৈ আকাশলৈ উৰোঁ,
বৰষুণ হৈ পুনৰ ধৰালৈ ঘূৰোঁ।



মই মোৰ ৰূপ সলাবও পাৰোঁ। জাৰত যেতিয়া ঠেঁটুৰৈ ধৰে, তেতিয়া মই গোট মাৰোঁ। তাপ পালে আকৌ ভাপ হৈ উৰোঁ। মোৰ ভাপতে যন্ত্ৰ চলে আৰু মোৰ বলতেই বিজুলী চাকিও জ্বলে।

তোমালোকে মোৰ যহতে মাছে-ভাতে খোৱা, শাক-পাচলি, ফল-মূল পোৱা। তাৰ পাছতো মোৰ সোৱাদ নাই বুলি কোৱা।

মই যে কেৱল ৰূপহে সলাব পাৰোঁ তেনে নহয়; স্থান, কাল, পাত্ৰ ভেদে মাত-বোলো সলনি কৰোঁ। পাহাৰৰ পৰা নামি আহোঁতে শিলৰ লগত কুলু-কুলুকৈ কথা পাতোঁ, উতলিলে বক্ বকাওঁ আৰু সৰি পৰোঁতে টপ্ টপাওঁ।

ভাবিছানে কেতিয়াবা, মই কেনেকৈ আকাশত উৰোঁ আৰু কেনেকৈ তললৈ সৰোঁ? কেতিয়াবা যদি মই নোহোৱা হওঁ নাইবা পৃথিৱীখন বুৰাই থওঁ— তেতিয়া কি হ'ব বাৰু?

## ক — পাঠভিত্তিক ক্ৰিয়া

**ক্ৰিয়া-কলাপ**



**উত্তৰ দিয়া।**

**নৈ- বিল, জান-জুৰি, নলী-নাদ আদিৰ উপৰি পানী আৰু ক'ত ক'ত থাকে?**


**উত্তৰ দিয়া।**

(ক) আমি পানী ক'ত ক'ত পাওঁ?

(খ) পানী কি কি অৱস্থাত থাকে?

(গ) পানী উতলিলে কেনে শব্দ হয়?

(ঘ) পাহাৰৰ পৰা পানী বাগৰি আহিলে কেনে শব্দ হয়?



**'মই য'তেই থাকোঁ তাৰেই আকাৰ লওঁ।' —পাঠটোত পানীয়ে কি কি আকাৰ লোৱাৰ কথা কৈছে?**

তলৰ শব্দবোৰৰ অৰ্থ দলত আলোচনা কৰি লিখা।

| শব্দ | অৰ্থ |
|---|---|
| আকাৰ | |
| সূক্ষ্ম | |
| ছিদ্ৰ | |

| শব্দ | অৰ্থ |
|---|---|
| অবিৰাম | |
| সুৰুঙা | |
| ধৰা | |

উত্তৰ দিয়া।

(ক) পানী ভাপ হৈ ক'লৈ যায়?

(খ) পানী বৰষুণ হৈ ক'লৈ নামি আহে?

## খ — ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ)

যুক্তাক্ষৰ ভাঙি পঢ়োঁ আৰু লিখোঁ আহা

সূক্ষ্ম ক্ষ্ম = ক্ষ + ম ক্ষই মই ক্ষ্ম

| | | | | | |
|---|---|---|---|---|---|
| ক্ষ্ম | ক্ষ + ম | ক্ষই | মই | ক্ষ্ম | সূক্ষ্ম, যক্ষ্মা, লক্ষ্মী |
| ঙ্গ | ঙ + গ | ঙই | গই | ঙ্গ | অঙ্গ, সঙ্গ, সুৰঙ্গ |

যুক্তাক্ষৰ গঠন কৰোঁ আহা

| | | | |
|---|---|---|---|
| ক্ষ + ম | ক্ষই | মই | ক্ষ্ম |
| ঙ + গ | ঙই | গই | ঙ্গ |

পঢ়োঁ আহা

| | | | |
|---|---|---|---|
| সূক্ষ্ম | লক্ষ্মী | লক্ষ্মণ | লক্ষ্মীনাৰায়ণ |
| সুৰঙ্গ | ৰঙ্গ | প্ৰসঙ্গ | প্ৰাসঙ্গিক |

☞ *নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

লীনাই কথাবোৰ সূক্ষ্মভাৱে বিবেচনা কৰে।

শৰৎ কালত লক্ষ্মীপূজা পালন কৰা হয়।

সঙ্গ দোষত মানুহ বেয়া হয়।

তেজপুৰত বাণ ৰঙ্গমঞ্চ আছে।

## বাক্য ৰচনা কৰা।

অবিৰাম ..........................................................................................................

জান-জুৰি ..........................................................................................................

কুলু-কুলু ..........................................................................................................

সুৰুঙা ..........................................................................................................

ছিদ্ৰ ..........................................................................................................

## জানো আহা

(ক) পাহাৰৰ পৰা পানী কুলু-কুলুকৈ বৈ আহিছে।

(খ) গছৰ পাতৰ পৰা পানী টপ্-টপ্কৈ পৰিছে।

'ক' বাক্যত পানী পাহাৰৰ পৰা বৈ আহিছে। এই ক্ষেত্ৰত কুলু-কুলু শব্দ ব্যৱহাৰ কৰা হৈছে। সেই একেদৰে 'খ' বাক্যত পানী গছৰ পাতৰ পৰা পৰিছে, এই ক্ষেত্ৰত টপ্-টপ্ শব্দ ব্যৱহাৰ কৰা হৈছে।

সেইদৰে নিজৰাৰ পৰা পানী বৈ আহিলে জিৰ্-জিৰ্ শব্দ হয়। ভেটা ভাঙি পানী বৈ গ'লে হৰ্-হৰ্ শব্দ হয়।

কোনো বস্তু বা প্ৰাণীয়ে যি কোনো কাৰ্য কৰোঁতে বিশেষ ধৰণৰ ধ্বনি সৃষ্টি কৰে। সেই ধ্বনি অনুকৰণ কৰি কোৱা বা লিখা শব্দবোৰক ধ্বন্যাত্মক শব্দ বা অনুকাৰ শব্দ বোলে।

*নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

**অনুকাৰ শব্দ জানো আহা**





| | | |
|---|---|---|
| কাউৰীৰ | — | কা কা |
| ঘড়ীৰ | — | টং টং |
| বতাহৰ | — | হুৰ্ হুৰণি |
| ভোমোৰাৰ | — | গুণ্ গুণ্ |
| চিকাৰ | — | চিক্ চিক্ |

**কাষৰ ডুলিৰ পৰা শব্দ আনি মিলাই লিখা।**




(ক) দুৱাৰ/খিৰিকী বতাহত বন্ধ হ'লে

(খ) বতাহত বাঁহে বাঁহে ঘঁহনি খালে

(গ) বেল বাজিলে

(ঘ) পানী উতলিলে

(ঙ) জেঠীয়ে মাতিলে

**গ —জ্ঞান সম্প্ৰসাৰণ**

**পাঠটোত পানীয়ে নিজৰ বিষয়ে কৈছে। বেলিয়ে নিজৰ বিষয়ে ক'লে কেনেদৰে ক'ব লিখা।**

**লগে-ভাগে গাওঁ আহা**

পানী-মিঠৈ পানী-পিঠা
বিহুৰ বতৰত খাওঁ,
পানীলাউৰে বৰালি মাছ
কিযে সোৱাদ পাওঁ।
পানীখাইতীত পানী-কাউৰী
দেখিবলৈ যে নাই,
পানী-ভাত পানী-শিঙৰি
জহৰ দিনত খায়।

*নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

**'পানী'**ৰ লগত **'মেটেকা'** শব্দ যোগ হৈ **পানী-মেটেকা** হ'ল। এই ধৰণে **'পানী'** শব্দৰ লগত যোগ হোৱা আন কেইটামান শব্দ জানো আহা—

| | | |
|---|---|---|
| পানী-পিঠা | পানী-পৰুৱা | পানী-খাইতী |
| পানী-টেঙা | পানী-হিলৈ | পানী-শিঙৰি |
| পানী-ভাত | পানী-যুঁৰলি | পানী-পিপলী |
| পানী-মিঠৈ | পানী-কাউৰী | পানী-কেঁচুৱা |

ইয়াৰ বাহিৰে তোমালোকে নিজ নিজ ঠাইত ব্যৱহাৰ হোৱা এনেধৰণৰ শব্দবোৰ বিচাৰি লিখা।

**ছবিখন পৰ্যৱেক্ষণ কৰা।**





**ছবিখনৰ আধাৰত তলৰ বাক্যশাৰীৰ ভাব বহলাই লিখা।**

'ভাপ হৈ আকাশলৈ উৰোঁ, বৰষুণ হৈ পুনৰ ধৰালৈ ঘূৰোঁ।'

*নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

কিছুমান বৃত্তি পানীৰ লগত জড়িত হৈ আছে। ছবি চাই সেইবোৰ কোৱা।





*নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

সাঁথৰ ভাঙা।

(ক) টুপ্ টুপ্ টুপলি
পানী পালে মুকলি।

(খ) ৰজাৰ কাপোৰ তিয়াব পাৰি
শুকুৱাব নোৱাৰি।

জানো আহা

বৰ্তমান সময়ত প্ৰাকৃতিক পৰিৱেশ বিনষ্ট হোৱাৰ আৰু গভীৰ নলী-নাদ বহুওৱাৰ ফলত ভূ-গৰ্ভৰ পানীৰ স্তৰ ক্ৰমান্বয়ে তললৈ নামিছে। সেইবাবে মানুহৰ খোৱা পানীৰ নাটনি হৈছে। এই নাটনি পূৰাবলৈ বৰষুণৰ পানী সংৰক্ষণ কৰাত গুৰুত্ব আৰোপ কৰা হৈছে। এইক্ষেত্ৰত চৰকাৰে উদগনিমূলক আঁচনি গ্ৰহণ কৰিছে। স্কুল, কলেজ আদিত বৰষুণৰ পানী সংৰক্ষণ কৰাৰ ব্যৱস্থা হাতত লৈছে।



☞ *নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

তলৰ খণ্ডবাক্যকেইটাৰ অৰ্থ শিক্ষকৰ পৰা জানি লোৱা আৰু খণ্ডবাক্যকেইটাৰে বাক্য ৰচনা কৰা।

পানীত পৰ্    পানী কৰ্    পানীৰ তলৰ কাঁইট

## ঘ — প্ৰকল্প

- কি কি কামত পানীৰ প্ৰয়োজন হয় তাৰ এখন তালিকা কৰা।
- কেতিয়াবা যদি পানী নোহোৱা হয় নাইবা পৃথিৱীখন পানীয়ে বুৰাই থয়, তেতিয়া কি কি সমস্যা হ'ব পাৰে তলত দিয়া তালিকাত নথিভুক্ত কৰা।

| যদি পানী নোহোৱা হয় | যদি পৃথিৱীখন পানীয়ে বুৰাই থয় |
|---|---|
| ১। | ১। |
| ২। | ২। |
| ৩। | ৩। |
| ৪। | ৪। |
| ৫। | ৫। |

*নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

# পাঠ ৫

## পাঠটোৰ পৰা আহৰণ কৰিবলগীয়া অৰ্হতা

- পাঠটো পঢ়ি বুজি ক'ব পৰা আৰু লিখিব পৰা
- পানীৰ উপকাৰিতা আৰু ইয়াৰ বিভিন্ন উৎসৰ বিষয়ে জনা
- ক্ষ্ম, ঙ্গ এই যুক্তাক্ষৰ দুটা পঢ়িব, ভাঙিব আৰু গঠন কৰিব পৰা
- অনুকাৰ শব্দৰ বিষয়ে জনা আৰু প্ৰয়োগ কৰিব পৰা
- পানী শব্দৰ লগত অন্য শব্দ যোগ হৈ হোৱা খণ্ডবাক্যৰ বিষয়ে জনা
- পানীৰ লগত জড়িত বৃত্তিৰ বিষয়ে জনা আৰু ক'ব পৰা
- পানীৰ বিভিন্ন অৱস্থা সম্পৰ্কে ক'ব পৰা
- সাথঁৰ ভাঙিব জনা আৰু ক'ব পৰা

## শিকাৰুৰ পাঠভিত্তিক অৰ্হতাৰ মূল্যায়ন

| | | | | | | |
|---|---|---|---|---|---|---|
| গদ্য | আত্মকথামুলক গদ্য পাঠ শুনি বুজি পোৱা আৰু ক'ব পৰা | স্পষ্ট আৰু শুদ্ধ উচ্চাৰণেৰে পাঠটো পঢ়িব পৰা | নতুন শব্দৰ অৰ্থ ক'ব পৰা | পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ দিব পৰা | | |
| | | | | | | |
| ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ) | ক্ষ্ম, ঙ্গ—যুক্তাক্ষৰকেইটা ভাঙিব পৰা, গঠন কৰিব পৰা | ক্ষ্ম, ঙ্গ—যুক্তাক্ষৰ থকা শব্দ আৰু বাক্য পঢ়িব পৰা | অনুকাৰ শব্দ জনা আৰু প্ৰয়োগ কৰিব পৰা | | | |
| | | | | | | |
| জ্ঞান সম্প্ৰসাৰণ | পাঠ বহিৰ্ভূত পদ্য, গদ্য পঢ়ি প্ৰশ্ন অনুসৰি উত্তৰ দিব পৰা | পানী শব্দৰ লগত যুক্ত হৈ গঠন হোৱা খণ্ডবাক্যৰ দ্বাৰা বাক্য ৰচনা কৰিব পৰা | ছবি পৰ্যৱেক্ষণ কৰি ছবিৰ ভাষা বুজি পোৱা আৰু সেই সম্পৰ্কে বৰ্ণনা কৰিব পৰা | পানীৰ লগত জড়িত বৃত্তিসমূহৰ নাম লিখিব জনা | সাঁথৰ ভাঙিব পৰা | |
| | | | | | | |
| প্ৰকল্প | পানীৰ প্ৰয়োজনীয়তা অনুসৰি তালিকা কৰিব পৰা | পৃথিৱীত পানী নোহোৱা হ'লে নাইবা বেছি হ'লে হ'ব পৰা সমস্যা ভাবি লিখিব পৰা | | | | |
| | | | | | | |

☞ *অৰ্হতা আয়ত্ত হ'লে ওপৰৰ তালিকাখনৰ তলৰ খালী ঘৰত ✓ চিন দিব আৰু নহ'লে ✗ চিন দিব। অৰ্হতা আয়ত্ত নোহোৱা শিকাৰুক অতিৰিক্তভাৱে শিকাই পুনৰ মূল্যায়ন কৰিব।*

পাঠ ৬

# দীঘল-ঠেঙীয়া

A7X3H8



এসময়ৰ কথা। এজনী বুঢ়ী আছিল। তেওঁ এজাক গৰু পুহি কোনোমতে টুক্-টুক্, টাক্-টাক্কৈ খাই বৈ আছিল। তেওঁৰ শোৱা ঘৰটো বৰ পুৰণি। তাৰ ছালৰ খেৰবোৰ উৰলি গৈছে দেখি উৰুখি বৰষুণৰ পানী পৰে। এদিন ডাৱৰীয়া ৰাতি তেওঁ খাই-বৈ উঠি—'এ প্ৰভু, দীঘল-ঠেঙীয়াই নেপায় যেন' এই বুলি চাঙত উঠি শুবলৈ ল'লে।

সেই দিনা ৰাতি এটা চোৰে বুঢ়ীৰ গৰু এটা চুৰ কৰি নিবলৈ বুলি আহি গোহালিৰ কাষতে লুকাই বহি, বুঢ়ী শোৱালৈ বাট চাই থাকিল। এটা বাঘেও গৰু খাবলৈ মন কৰি

আন্ধাৰে-মুন্ধাৰে মনে মনে আহি বুঢ়ীৰ গোহালিৰ গৰুজাকৰ মাজত সোমাই বুঢ়ী শোৱালৈ বাট চাই আছিল। বুঢ়ীয়ে কোৱা সেই কথাষাৰ বাঘ আৰু চোৰ দুয়ো শুনিলে। কিন্তু দীঘল-ঠেঙীয়া মানে কি সিহঁতে বুজিব নোৱাৰি ভাবিবলৈ ধৰিলে, ‘দীঘল-ঠেঙীয়াটো বা কি?’

বুঢ়ীৰ ভাত-ঘুমটি আহিল। চোৰে গৰু চুৰ কৰিবলৈ গোহালিত সোমাল। চোৰে ভাবিলে ‘কোনটো গৰু ভাল কোনটো গৰু বেয়া কেনেকৈ চিনিম? এতেকে যিটো গৰুৱে তাৰ টিকাত হাত দিলেই জঁপিয়াই উঠিব সেইটোৱেই নিশ্চয় চেঙা আৰু ভাল হ’ব।’



ইয়াকে থিৰ কৰি এটা এটাকৈ গৰুবোৰৰ টিকাত সি হাত ফুৰাবলৈ ধৰিলে। সেইদৰে সি হাত ফুৰাই চাই ফুৰোঁতে বাঘটোৰ টিকাত হাত পৰিলত বাঘটো জঁপিয়াই উঠিল। চোৰে ভাবিলে, ‘এইটো বৰ কাটন গৰু, ইয়াকে নিব লাগিল।’ ইয়াকে ভাবি সি বাঘটোৰ নেজডাল পকাই দি তাক খেদি লৈ যাব খোজোঁতেই বাঘে ভাবিলে, ‘এইটো বুঢ়ীয়ে কোৱা দীঘল-ঠেঙীয়াইহে মোক পালে।’ এই ভাবি সি আকৌ জাঁপ মাৰি উঠিল। চোৰে ভাবিলে ‘ই কম গৰু নহয়, ইয়াৰ পিঠিত নুঠিলে ইয়াক লৈ যাব নোৱাৰিম’। ইয়াকে ভাবি চোৰ জাঁপ মাৰি বাঘৰ পিঠিত উঠিলতে, বাঘে ঠিক তাক দীঘল-ঠেঙীয়াই ভালকৈয়ে পালে বুলি থিৰ কৰি

গোহালিৰ পৰা ওলাই চেঁকুৰি লৰ মাৰিলে। চোৰেও গৰুটোৰ কেৰামতালি দেখি বুজিলে, 'এইটো গৰু নহয়, কিবা দীঘল-ঠেঙীয়াহে। আজি মোক সঁচাকৈয়ে দীঘল-ঠেঙীয়াই ভালকৈয়ে পালে।' দুয়ো দুয়োকো দীঘল-ঠেঙীয়া ভাবি ভয়ত তৎমৎ এৰিলে।

চোৰক পিঠিত লৈ বাঘে ঢাপলি মেলি হাবিত সোমাবলৈ ধৰোঁতেই চোৰে মৰোঁ-জীওঁকৈ বাঘৰ গলধনটো মোকোটাই ধৰিলে।তেতিয়া বাঘে ভাবিলে, 'অ' ই দীঘল-ঠেঙীয়া নহয়, ঘাৰ-মোকোটোৱাহে।' বাঘে ভয়ত আৰু বেগেৰে লৰ দিবলৈ ধৰিলে। চোৰটোৱে ঘাৰ মোকোটায়ো বাঘক ৰাখিব নোৱাৰি শেহত বাঘৰ নেগুৰত হাত পৰিলত বাঘৰ লৰ আৰু চৰিল। লৰৰ কোবত চোৰটো বাঘৰ পিঠিৰ পৰা বাগৰি মাটিত পৰিল। কিন্তু সি বাঘৰ নেগুৰডালত ইমান বজ্ৰলেপ মুঠিৰে ধৰিছিল যে নেগুৰডাল চোৰৰ হাতৰ মুঠিতে পেঁপা-কাঢ়ি ৰ'ল। বাঘ লৰ মাৰি সাৰিল। সি হাবিৰ ভিতৰ পাই অলপ উশাহ লৈ ভাবিলে, তাক ঘাৰ-মোকোটোৱাই নহয়, পেঁপা-কঢ়াইহে পাইছিল। ইফালে চোৰে হাতৰ নেগুৰডাল পিটিকি-জিটিকি চাই দেখিলে যে সেইডাল গৰুৰ কি আন জন্তুৰ নেজ নহয় বাঘৰহে নেজ। তেতিয়াহে তাৰ বৰ ভয় লাগিবলৈ ধৰিলে। ৰাতি তেতিয়া ভালেমান আছিল। সেই দেখি সি ৰাতিটোৰ বাকীডোখৰ কটাবলৈ ওচৰৰে ওখ আম গছ এজোপাত উঠিল।

ইফালে বাঘে হাবিত সোমাই তাক পেঁপা-কঢ়াই পোৱা কথা তাৰ লগৰীয়া ভাই-বন্ধুহতঁক ক'লত, সিহঁতে গুণি-গাঁঠি থিৰ কৰিলে যে 'এইটো বৰ লাজৰ কথা হ'ল। সিহঁত বনৰ ৰজা; এতেকে সিহঁতৰ লগৰীয়া ভাই ৰজা এজনক পেঁপা-কঢ়াই এনে লঘু-লাঞ্ছনা কৰিব, ই বৰ অসহনীয় কথা। ইয়াৰ প্ৰতিকাৰ নকৰিলে পেঁপা-কঢ়াই পোৱা সেই বাঘটোৰ মাথোন নেজডালহে গৈছে, সিহঁতৰ কিন্তু অপমানত নাক-কাণ সোপাই যাব আৰু তাৰ বাহিৰেও পেঁপা-কঢ়া বুলি যদি কোনো জন্তু সিহঁততকৈ বলী হৈ ওলায়, তেন্তে সিহঁত ৰজাৰ শাৰীৰ পৰা গৈ খৰি-ভাৰী, পানী-ভাৰীৰ শাৰীত পৰিবগৈ।'





সেইদেখি সকলোবোৰ বাঘে লৰালৰিকৈ মেল পাতি ইয়াকে আলচ কৰিলে যে অলপো পলম নকৰি তেতিয়াই সিহঁতে পেঁপা-কঢ়াৰ বিৰুদ্ধে যুদ্ধ যাত্ৰা কৰা উচিত। দুকুৰি মান বাঘে পেঁপা-কঢ়াক বিচাৰি চলাথ লগালে, কিন্তু ক'তো সিহঁতে পেঁপা-কঢ়াক নেদেখিলে। শেহত এটা বাঘৰ চকু সেই আমজোপাৰ আগত পৰিলত, সি পেঁপা-কঢ়াক তাত বহি থকা দেখিলে। সেইটো পেঁপা-কঢ়া বুলি আঙুলিয়াই দেখুৱালত এটাইবোৰ বাঘে একেবাৰে হাউৰি মাৰি উঠিল। কিছুপৰ সিহঁতে ভাবি-চিন্তি বুধি এটা সাজিলে। পেঁপা-কঢ়াক ঢুকি পাবলৈ সিহঁতে এটাৰ পিঠিত এটা, আকৌ সেইটোৰ পিঠিত আন এটা সেইদৰে উঠি উঠি ওখ হৈ গ'ল। চোৰে ভাবিলে, 'এতিয়া সৰ্বনাশ। এতিয়াহে বিপাঙে মৰিলোঁ।' তৎক্ষণাৎ চোৰেও এটা বুধি উলিয়ালে। সি দেখিলে যে নিচেই তলত পেঁপা-কঢ়াই পোৱা সেই বাঘটো। সেই নেগুৰখঁৰা বাঘটোক চোৰটোৱে গলগলীয়া মাতেৰে মাত লগালে, 'খঁৰা, চাবি, চাবি, চাবি।' খঁৰা বাঘে ভাবিলে, 'আকৌ পেঁপা-কঢ়াই আনবোৰক এৰি মোকহে ধৰে নেকি?' ইয়াকে ভাবি সি সুৰ্তি-বুদ্ধি হেৰুৱাই হাবিৰ ফালে লৰ ধৰিলে। সি তেনে কৰিলত তাৰ পিঠিত এটা এটাকৈ উঠি ওখ হৈ যোৱা আটাইবোৰ বাঘ ঠল্‌ঠল্ কৰে মাটিত সৰি পৰিল। সিহঁতেও 'আমাকো পেঁপা-কঢ়াই পালে' বুলি ভাবি বৰকৈ ভয় খাই তৰা-নৰা ছিঙি ল'ৰি হাবিলৈ পলাই গুচি গ'ল।

চোৰে ৰাতিটো তাতে থাকি পুৱাতে গছৰ পৰা নামি তাৰ ঘৰলৈ গুচি আহিল; আৰু তেতিয়াৰে পৰা সি আৰু চুৰ নকৰে বুলি শপত খালে।

*(ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাদেৱৰ শতবৰ্ষ অতিক্ৰম কৰা 'বুঢ়ীআইৰ সাধু'ৰ পৰা লোৱা হৈছে।*
*উৎস ঃ বেজবৰুৱা গ্ৰন্থাৱলী, প্ৰথম খণ্ড, পৃষ্ঠা - ৮৭০, প্ৰকাশক ঃ সাহিত্য প্ৰকাশ)*

**ক্ৰিয়া-কলাপ**

## ক — পাঠভিত্তিক ক্ৰিয়া

**সাধুটো পঢ়া আৰু নিজৰ কথাৰে কোৱা।**

**সাধুটোত থকা তুমি বুজি নোপোৱা শব্দবোৰৰ তলত আঁচ টানা। শব্দ-সম্ভাৰ আৰু অভিধান চাই অৰ্থ লিখা।**

**উত্তৰ দিয়া।**

(ক) 'যিটো গৰুৱে তাৰ টিকাত হাত দিলেই জঁপিয়াই উঠিব সেইটোৱেই নিশ্চয় চেঙা আৰু ভাল হ'ব।' এই কথাষাৰ কোনে ভাবিছিল?

(খ) 'এইটো বৰ কাটন গৰু, ইয়াকে নিব লাগিল' — এইদৰে কোনে ভাবিছিল?

(গ) 'এ প্ৰভু, দীঘল-ঠেঙীয়াই নেপায় যেন।' — এই কথাষাৰ কোনে কৈছিল?

(ঘ) 'আমাকো পেঁপা-কঢ়াই পালে।' —কোনে, কেতিয়া কৈছিল?

**'ই কম গৰু নহয়, ইয়াৰ পিঠিত নুঠিলে ইয়াক লৈ যাব নোৱাৰিম।' প্ৰকৃততে কাৰ পিঠিত কোন উঠিব খুজিছিল লিখা।**



**বাঘে চোৰটোকে দীঘল-ঠেঙীয়া বুলি ভাবিছিল। দীঘল-ঠেঙীয়া বুলি ভবাৰ উপৰি আৰু কি কি বুলি ভাবিছিল?**

(ক) দীঘল-ঠেঙীয়া

(খ) ..........................

(গ) ..........................



**উত্তৰ দিয়া।**

(ক) বুঢ়ীয়ে দীঘল-ঠেঙীয়া বুলি কাক বুজাইছিল?

(খ) বাঘবোৰে কি কৌশলেৰে চোৰটোক ধৰিবলৈ চেষ্টা কৰিছিল?

(গ) চোৰটোৱে অৱশেষত কেনেকৈ বাঘবোৰৰ হাতৰ পৰা ৰক্ষা পৰিছিল?

(ঘ) চোৰটোৱে ঘৰলৈ আহি কি সিদ্ধান্ত লৈছিল?

**তলৰ শব্দসমূহৰ লগত অৰ্থৰ মিল থকা শব্দ বাকচৰ পৰা বিচাৰি আনি কাষৰ খালী ঘৰত লিখোঁ আহা।**

| | | | |
|---|---|---|---|
| চাং | | অসহনীয় | |
| চেঙা | তজবজীয়া | গভীৰ | |
| তৎমৎ | | কাটন | |
| খঁৰা | | গলধন | |

| | | | |
|---|---|---|---|
| তজবজীয়া, | নেজছিগা, | চেতনা, | বাঁহৰ বিছনা, |
| সহিব নোৱৰা, | বহুত তললৈ বিস্তৃত, | চোকা, | ডিঙিৰ পাছফাল, |

*নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

## খ— ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ)

যুক্তাক্ষৰ গঠন কৰোঁ আহা

| | | | | |
|---|---|---|---|---|
| বজ্ৰপাত | জ্ৰ | জই | ৰই | জ্ৰ |
| আন্ধাৰ | ন্ধ | নই | ধই | ন্ধ |

পঢ়োঁ আহা



| | | |
|---|---|---|
| বজ্ৰ | বজ্ৰপাত | বজ্ৰলেপ |
| কাণ্ড | প্ৰকাণ্ড | কৰ্মকাণ্ড |
| ব্ৰহ্মা | ব্ৰহ্মাণ্ড | ব্ৰহ্মানন্দ |
| অন্ধ | আন্ধাৰ | অন্ধকাৰ |

বজ্ৰ ইন্দ্ৰৰ প্ৰধান অস্ত্ৰ।

সেইবাবে ইন্দ্ৰৰ অন্য নাম বজ্ৰধৰ আৰু বজ্ৰপাণি।

ভয়ংকৰ গাজনিৰে সৈতে বিজুলীৰ পতন হ'লে বজ্ৰপাত হোৱা বা চৰগ পৰা বুলি কোৱা হয়।

বজ্ৰলেপ মানে এৰুৱাব নোৱৰাকৈ বা লেকেটা লাগি ধৰা।

যুক্তাক্ষৰ ভাঙি লিখোঁ আহা

জ্ৰ ☐ + ☐ = ☐

ন্ধ ☐ + ☐ = ☐

শ্চ ☐ + ☐ = ☐

ণ্ড ☐ + ☐ = ☐

**বিপৰীত অৰ্থ বুজোৱা শব্দ লিখা।**

দীঘল ⬭ অসহায় ⬭

আন্ধাৰ ⬭ বলী ⬭

পুৰণি ⬭ ৰাতি ⬭

গভীৰ ⬭

**বাক্য ৰচনা কৰা।**



(ক) চেঙা [গাত হাত দিবলৈ নিদিয়া (জন্তু) অস্থিৰ, তজবজীয়া]

(খ) চেঙা (তপত, যেনে-চেঙা তেল)

(গ) চেঙা (এবিধ মাছ)

(ঘ) চেঙালুটি (চেঙা মাছৰ দৰে কৰা লুটিয়া-লুটি, বেদনাত কৰা ধৰ্‌-ফৰ্‌ণি)

(ঙ) চেঙা-হিলৈ (আহোম ৰজাৰ দিনৰ এবিধ বন্দুক)

## গ— জ্ঞান সম্প্ৰসাৰণ

**বুঢ়ীয়ে গৰু পুহি জীৱিকা নিৰ্বাহ কৰিছিল। এনেদৰে আন কি কি পোহনীয়া জীৱ-জন্তুৱে আমাৰ জীৱিকা নিৰ্বাহত সহায় কৰে?**

**দীঘল-ঠেঙীয়া সাধুটোত গৰু চুৰি কৰিবলৈ আহি চোৰটোৰ নগুৰ্-নাগতি হোৱা তোমালোকে দেখিলা। বেয়া কামৰ পৰিণতি শুভ নহয়। তোমালোকে কোনবোৰ কামক বেয়া বুলি ভাবা?**

**বৰ্তমান সময়ত বাঘৰ সংখ্যা কমি যোৱাৰ কাৰণ কি? তোমাৰ কথাৰে লিখা।**

*☞ নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

বৰ্তমান বাঘৰ সংখ্যা ক্ৰমশঃ হ্ৰাস পাই আহিছে। গতিকে আমি বাঘ সংৰক্ষণ কৰাৰ কাৰণে কি কৰা উচিত?

এতিয়া অৰণ্য এৰি বাঘে জন অৰণ্যত প্ৰৱেশ কৰা বা-বাতৰি শুনিছা। অৰণ্য এৰি বাঘ জনবসতিপূৰ্ণ অঞ্চললৈ অহাৰ কাৰণবোৰ কি কি বুলি ভাবা? এনেদৰে যদি তোমালোকৰ অঞ্চলত বাঘ বা আন বন্য প্ৰাণী ওলায়, তেতিয়া তুমি কি কৰিবা?

বন বিভাগে বাঘ সংৰক্ষণৰ বাবে 'ব্যাঘ্ৰ প্ৰকল্প' প্ৰৱৰ্তন কৰিছে।

'তেন্তে সিহঁত ৰজাৰ শাৰীৰ পৰা গৈ খৰি-ভাৰী, পানী-ভাৰীৰ শাৰীত পৰিবগৈ।' এনেদৰে ভাৰ বোৱা অৰ্থাৎ "ভাৰী" শব্দ প্ৰয়োগ কৰি অন্য শব্দ কিছুমান লিখা।

দোলা ..............................

পাচলি ..............................

ডাঙৰি ..............................

মাছ ..............................

দৈ ..............................



জানো আহা

'কোনটো গৰু **ভাল** কোনটো **বেয়া**, আন্ধাৰে-মুন্ধাৰে কেনেকৈ চিনিম?'
ওপৰৰ বাক্যটোত **'ভাল'** আৰু **'বেয়া'** শব্দ দুটাই **'গৰু'** পদটোৰ দোষ-গুণ বুজাইছে।
এনেদৰে অইন পদৰ দোষ-গুণ বুজোৱা পদকে **বিশেষণ পদ** বুলি কোৱা হয়।
যেনে— **দীঘল, চুটি, ৰঙা, নীলা, ধুনীয়া, ওখ, চাপৰ, কুৎসিত, চেঙা, গৰিষ্ঠ** আদি।

*পাঠটোত থকা আন বিশেষণ পদবোৰ বিচাৰি উলিয়াই লিখাব।*

*নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*



**'বুঢ়ীৰ ভাত-ঘুমটি আহিল।' ভাতৰ লগত ঘুমটি শব্দ যোগ হৈ ভাত-ঘুমটি হ'ল। এইদৰে ভাত শব্দটো যোগ হৈ গঠিত হোৱা কেইটামান শব্দ আৰু তাৰ অৰ্থ জানো আহা।**

| | | |
|---|---|---|
| ভাত-কেৰেলা | — | তিতা গুণ নথকা এবিধ কেৰেলা। |
| ভাত-ঘিলা | — | ঘিলাৰ নিচিনা ছেঁই ধৰা এবিধ গছ। |
| ভাত-জ্বৰ | — | এবিধ খন্তেকীয়া সামান্য জ্বৰ। |
| ভাত-জাৰ | — | জাৰকালি ভাত খোৱাৰ পাছত লগা অধিক জাৰ। |
| ভাত-তিতা | — | ভাতৰ লগত খোৱা এবিধ তিতা গুটি আৰু তাৰ গছ। |
| ভাত-পিঠা | — | পানী বা গাখীৰত পিঠাগুৰি গুলি চালনীৰে সৰকাই তাৰ তলত উতলি থকা পানীত সিজাই কৰা এবিধ পিঠা। |
| ভাত-ভাৰী | — | ভতুৰা। |
| ভাত-মৰ্ | — | জীৱিকাৰ উপায় নষ্ট হ। |
| ভাত-ফেঁচু | — | শালিকা জাতিৰ এবিধ চৰাই। |
| ভাত-ঘৰ | — | মন কৰিলেই ভাত খাব পৰা অতি আপোন মানুহৰ ঘৰ। |



## ঘ— প্ৰকল্প

- **'দীঘল-ঠেঙীয়া' নামৰ এই সাধুটো লক্ষ্মীনাথ বেজবৰুৱাৰ 'বুঢ়ী আইৰ সাধু'ৰ পৰা লোৱা হৈছে। এনেকুৱা সাধুকথা প্ৰত্যেকে এটাকৈ সংগ্ৰহ কৰি পঢ়া আৰু শ্ৰেণীকোঠাত আনকো পঢ়ি শুনোৱা।**

- **'দীঘল-ঠেঙীয়া' সাধুটোৰ নাট্যৰূপ দি অভিনয় কৰা (প্ৰয়োজনবোধে শিক্ষক নাইবা স্থানীয় সমল ব্যক্তিৰ সহায় ল'বা আৰু সম্ভৱ হ'লে চৰিত্ৰবোৰৰ লগত খাপ খোৱা মুখা ব্যৱহাৰ কৰিবা)।**

- **বনৰীয়া জীৱ-জন্তু থকা এখন হাবিৰ ছবি আঁকা।**

## পাঠটোৰ পৰা আহৰণ কৰিবলগীয়া অৰ্হতা

- সাধুটো পঢ়ি বুজি ক'ব পৰা আৰু লিখিব পৰা
- লক্ষ্মীনাথ বেজবৰুৱাৰ সাধুবোৰৰ সৈতে পৰিচয় হোৱা
- সাধু কথাৰ কিতাপ পঢ়াৰ প্ৰতি আগ্ৰহ জন্মা আৰু সাধু ক'ব পৰা
- 'ভাৰী' শব্দ লগাই নতুন শব্দ গঠন কৰিব পৰা
- বিশেষণ পদৰ বিষয়ে জনা
- ভাত শব্দৰ লগত যোগ হৈ হোৱা শব্দৰ বিষয়ে জনা
- জীৱ-জন্তুৰ বিভিন্ন কাৰ্য-কলাপৰ প্ৰতি কৌতূহলী হোৱা
- বনৰীয়া জীৱ-জন্তু সংৰক্ষণৰ প্ৰতি আগ্ৰহ জন্মা আৰু সংৰক্ষণ কৰাৰ উপায় চিন্তা কৰিব পৰা
- সাধুটোৰ নাট্যৰূপ দি অভিনয় কৰিব পৰা

## শিকাৰুৰ পাঠভিত্তিক অৰ্হতাৰ মূল্যায়ন

| | | | | | | |
|---|---|---|---|---|---|---|
| **সাধু** | সাধু শুনি বুজি পোৱা আৰু নিজে ক'ব পৰা | নিজে জনা আন সাধু ক'ব পৰা | সাধু পাঠটো শুদ্ধ উচ্চাৰণেৰে পঢ়িব পৰা | পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ ক'ব পৰা, লিখিব পৰা | | |
| | | | | | | |
| | যুক্তাক্ষৰ— জ্ৰ, ন্ধ | যুক্তাক্ষৰ গঠন কৰিব পৰা | যুক্তাক্ষৰ থকা শব্দ পঢ়িব পৰা | যুক্তাক্ষৰ ভাঙি লিখিব পৰা | | |
| | | | | | | |
| **ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ)** | নতুন শব্দ পঢ়িব পৰা | শব্দ গঠন কৰিব পৰা | শব্দৰ অৰ্থ জানি প্ৰয়োগ কৰিব পৰা | | | |
| | | | | | | |
| | বিপৰীত অৰ্থ বুজোৱা শব্দ লিখিব পৰা | বিশেষণ পদৰ বিষয়ে জনা আৰু পাঠৰ পৰা বাছি উলিয়াব পৰা | শব্দৰ লগত আন শব্দ যোগ হৈ ভিন্ন অৰ্থ প্ৰকাশ হোৱা শব্দৰ বিষয়ে জনা | | | |
| | | | | | | |
| **জ্ঞান সম্প্ৰসাৰণ** | জীৱিকা অৰ্জনত কি কি জীৱ-জন্তুৱে সহায় কৰে তাক জনা | বেয়া কাম চিনাক্ত কৰিব পৰা | বাঘ সংৰক্ষণৰ বিষয়ে জনা | | | |
| | | | | | | |
| **প্ৰকল্প** | বেজবৰুৱাৰ সাধু আৰু আন সাধু সংগ্ৰহ কৰি পঢ়িব পৰা | সাধুৰ নাট্যৰূপ দি অভিনয় কৰিব পৰা | বনৰীয়া জীৱ-জন্তুৰ ছবি আঁকিব পৰা | | | |
| | | | | | | |

☞ *অৰ্হতা আয়ত্ত হ'লে ওপৰৰ তালিকাখনৰ তলৰ খালী ঘৰত ✓ চিন দিব আৰু নহ'লে ✗ চিন দিব। অৰ্হতা আয়ত্ত নোহোৱা শিকাৰুক অতিৰিক্তভাৱে শিকাই পুনৰ মূল্যায়ন কৰিব।*



# ৰাতিপুৱা







ৰাতিপুৱা হ'ল উঠা সোণফেৰি
উঠা গিৰিসাই চাৰি-পাটী এৰি।
নুশুবা, নুশুবা উঠা ঘপৰাই
এতেপৰ কেও শুই থকা নাই।
ৰীণা, বীণা, মীনা উঠিল আটাই
এলাহতে কেও শুই থকা নাই।
সকলোৱে চোৱা পুথি মেলি লই
শিকে নিজ পঢ়া মন থিৰ কই।
আৰু চোৱা সৌ পুব আকাশত
ৰঙা বেলি উঠে কেনে উলাহত।
চৰাইবিলাকে গছে গছে পৰি
বিধে বিধে গায় নানা ছেও ধৰি।
গছে গছে ফুল কতনো ফুলিছে
গোন্ধ লই জুৰ বতাহ বলিছে।
চোৱা আৰু সউ উঠিল মহিম
উঠিল কমল উঠিল কৰিম।
বনত বলিয়া মউমাখিবোৰে
ফুলে ফুলে মউ পান কৰি ফুৰে।
এতেকতে তুমি উঠা লৰা লৰি
পানী লই ধোৱা হাত মুখ ভৰি।
কিছুপৰ ফুৰি পুথি মেলি লই
শিকা নিজ পাঠ মন থিৰ কই।





**কবি- মহম্মদ চোলেইমান খাঁ**

*(উৎস — মৰুৱা ফুল, পৃষ্ঠা—৭৭, প্ৰকাশক —অসম প্ৰকাশন পৰিষদ)*

**ক্ৰিয়া-কলাপ** ক — পাঠভিত্তিক ক্ৰিয়া



**পদ্যটো স্পষ্ট আৰু শুদ্ধ উচ্চাৰণেৰে পঢ়োঁ আহা**

**পদ্যটো আবৃত্তি কৰোঁ আহা**

**উত্তৰ দিয়া।**

(ক) পদ্যটোত সোণফেৰিক কি কৰিবলৈ কোৱা হৈছে?

(খ) ৰীণা, মীনা, বীণা সকলোৱে শুই উঠি কি কৰিছে?

(গ) পুৱাৰ বেলি ওলোৱা দিশটো কি?

(ঘ) পুৱাৰ লগে লগে ডালে ডালে কোনে গীত গায়?

(ঙ) ফুলে ফুলে উৰি মৌ-মাখিয়ে কি কৰে?

(চ) কবিয়ে মন থিৰ কৰি কি কৰিবলৈ কৈছে?

**পদ্যটোত উল্লেখ কৰাৰ দৰে পুৱাৰ লগে লগে কি কি হয়?**

উদাহৰণ— ঢাৰি-পাটী এৰি সকলোৱে উঠে গিৰিসাই ।

(ক) পূব আকাশত ----------------------------------------

(খ) গছে গছে চৰায়ে ----------------------------------------

(গ) মৌ-মাখিবোৰে ফুলে ফুলে ------------------------------

(ঘ) পুথি মেলি লই ----------------------------------------


(ঙ) গছে গছে ফুল ----------------------------------------

**জানো আহা**

ঢাৰি-পাটী শব্দটোৱে পদ্যটোত বিছনাৰ কথাটোহে বুজাইছে। এই ঢাৰি-পাটী পুৱা সকলো মানুহে একে সময়তে একেলগে নেৰে। দোকমোকালিতে ঢাৰি-পাটী এৰাটো স্বাস্থ্যৰ পক্ষে উপকাৰী।

*নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

 ছবিখন চাই কি কি দেখিছা কোৱা আৰু লিখা।



☞ লক্ষ্য কৰিব যাতে প্ৰত্যেক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে।

বাঁওফালৰ শব্দবোৰৰ অৰ্থ সোঁফালৰ শব্দৰ লগত মিলাই লিখা।

| শব্দ | অৰ্থ |
|---|---|
| গিৰিসাই | অলপ সময় |
| ঘপৰাই | আনন্দত |
| এতেপৰ | গীতৰ লগত মিলাই নাচৰ ভংগি ধৰি, অংগ-ভংগি কৰি |
| উলাহত | ততালিকে, বেগেতে, ঘপ্‌কৰে |
| কিছুপৰ | বেগাই, শীঘ্ৰে, গিৰিস্‌কৰে |
| ছেও ধৰি | ইমান সময়ে, অত পৰে |

**খ— ভাষা অধ্যয়ন(ব্যাৱহাৰিক ব্যাকৰণ)**

**পদ্যটোৰ পৰা একবচন আৰু বহুবচন বুজোৱা শব্দবোৰ লিখা।**

উদাহৰণ— <u>একবচন</u> তুমি, ............ ............ ............

<u>বহুবচন</u> চৰাইবিলাক, ............ ............ ............

**পঢ়োঁ আহা**

দ্ম — পদ্ম ছদ্ম পদ্মাৱতী
ন্ম — জন্ম জন্মাষ্টমী জন্মান্তৰ
ক্ম — ৰুক্ম ৰুক্মিণী ৰুক্মিণীহৰণ
ত্ম — আত্মা মহাত্মা পৰমাত্মা
গ্ম — বাগ্মী যুগ্ম অযুগ্ম
ল্ম — গুল্ম কল্মৌ বাল্মীকি




*একবচন, বহুবচন লিখাত ছাত্ৰ-ছাত্ৰীক সহায় কৰিব।*



*নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

বাল্মীকিয়ে ৰামায়ণ ৰচনা কৰিছিল। মহাত্মা গান্ধীয়ে স্বাধীনতা আন্দোলনৰ নেতৃত্ব দিছিল। পদ্মাৱতী এজনী ধুনীয়া ছোৱালী। তাই অষ্টম শ্ৰেণীত পঢ়ে। ৰুক্মিণীৰ ককায়েক ৰুক্ম এজন বীৰ আছিল।





**উদাহৰণটো পঢ়া আৰু বুজি লৈ একোটা খণ্ড বাক্য লিখা।**

উদাহৰণ— প্ৰতিজোপা গছতে............ গছে গছে।

(ক) প্ৰতিটো ডালতে ______　　(ঘ) প্ৰতিটো পাততে ______

(খ) প্ৰতিটো দিনতে ______　　(ঙ) প্ৰতিটো মাহতে ______

(গ) প্ৰতিটো ঘৰতে ______　　(চ) প্ৰতিটো বছৰতে ______



**উদাহৰণটো ভালদৰে চোৱা। এতিয়া ফুলৰ পৰা শব্দ লৈ নতুন শব্দ গঠন কৰা।**

উদাহৰণ — ঢাৰি-<u>পাটী</u>

(ক) কিতাপ

(খ) কাম

(গ) হিচাপ

(ঘ) বজাৰ

(ঙ) ঘৰ




☞ *নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

## জানো আহা

সকলোৱে চোৱা পুথি মেলি **লই**
শিকে নিজ পঢ়া মন থিৰ **কই**।

পদ্যটোৰ বাক্যকেইটাত **লই** আৰু **কই** লিখা হৈছে যদিও আচলতে এই শব্দ দুটা **লৈ** আৰু **কৈ** বুলি লিখা হয়। পদ্যত ছন্দ মিলাবলৈহে এই শব্দ দুটা এনেধৰণে ব্যৱহাৰ হৈছে।

## তলৰ শব্দবোৰ তেনেদৰে লিখোঁ আহা—

| | | | |
|---|---|---|---|
| মউ | মৌ | সউ | |
| গই | | ঢউ | |
| মুখলই | | কেনেকই | |

## বাক্য ৰচনা কৰা।

পুথি .................................................................................................


মন থিৰ .................................................................................................

ৰঙা বেলি .................................................................................................

**তোমালোকে ইতিমধ্যে আগৰ পাঠত বিশেষণ পদৰ বিষয়ে শিকি আহিছা। এতিয়া এই পাঠটোত থকা বিশেষণ পদবোৰ বাছি উলিয়াই লিখা।**

.................. .................... .................... ....................

*নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*



নোহোৱা অৰ্থ প্ৰকাশ কৰা তলৰ বাক্যবোৰ হোৱা অৰ্থত সজাই লিখা।

উদাহৰণ— পুৱা ৰঙা বেলি নোলায়।
পুৱা ৰঙা বেলি ওলায়।

(ক) চৰাইবোৰে বিধে বিধে গান নাগায়।।

(গ) ল'ৰা-ছোৱালীয়ে মন থিৰকৈ নিজৰ পাঠ নিশিকে।

(খ) ফুলে ফুলে মৌ-মাখিয়ে মৌ পান নকৰে।

## গ—জ্ঞান সম্প্ৰসাৰণ

তোমালোকে বেলি ওলোৱা আৰু বেলি মাৰ যোৱা সময়খিনি ভালদৰে পৰ্যবেক্ষণ কৰি কি কি দেখিলা লিখা।

আজৰি পৰত সমনীয়াৰ লগত খেলা-ধূলা কৰাৰ উপৰি পৰিয়ালৰ লোকক কি কি কামত সহায় কৰা সেই বিষয়ে লিখা।

পুৱা তোমাৰ পৰিয়াল বা ওচৰ-চুবুৰীয়াসকল কি কি কামত ব্যস্ত হয় লিখা।

সোনকালে ঢাৰি-পাটী এৰি কামত ব্যস্ত হোৱাসকলৰ এখন তালিকা প্ৰস্তুত কৰা।

*নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*



## ঘ — প্ৰকল্প

- পুৱা শুই উঠাৰ পৰা ৰাতি শোৱালৈকে সময় অনুসৰি তুমি কি কি কাম কৰা সেই বিষয়ে লিখা আৰু পুৱাৰ দৃশ্য এটা আঁকা।

- পঢ়ায় পঢ়ে ৰোৱে পাণ,<br>এই তিনিয়ে নিচিন্তে আন।

এনে ধৰণৰ ফকৰা যোজনা, প্ৰবচন আদি সংগ্ৰহ কৰি সহপাঠীৰ লগত আলোচনা কৰা। আৱশ্যকবোধে জ্যেষ্ঠজনৰ সহায় লোৱা।



তলৰ তালিকাখন শিক্ষকৰ সহায়ত পূৰ কৰা।

| দিনত ওলোৱা চৰাই আৰু দিনত ফুলা ফুল | | ৰাতি ওলোৱা চৰাই আৰু ৰাতি ফুলা ফুল | |
|---|---|---|---|
| চৰাই | ফুল | চৰাই | ফুল |
| ১। | | ১। | |
| ২। | | ২। | |
| ৩। | | ৩। | |
| ৪। | | ৪। | |
| ৫। | | ৫। | |
| ৬। | | ৬। | |

☞ *ক্ষেত্ৰ ভ্ৰমণৰ সময়ত সম্ভৱ হ'লে নৈৰ কাষত বেলি মাৰ যোৱাৰ দৃশ্য উপভোগ কৰাব।*

☞ *নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

## পাঠটোৰ পৰা আহৰণ কৰিবলগীয়া অৰ্হতা

- পদ্য পঢ়ি বুজি পোৱা আৰু আবৃত্তি কৰিব পৰা
- পদ্যটোৰ মূল কথাখিনি ক'ব পৰা আৰু লিখিব পৰা
- ছবি পৰ্যৱেক্ষণ কৰি ক'ব পৰা
- একবচন আৰু বহুবচনৰ শব্দবোৰ বাছি উলিয়াই লিখিব পৰা
- পুৱা সোনকালে উঠা, হাত-মুখ ধোৱা, পঢ়া-শুনা কৰা আদি সু-অভ্যাস গঠন হোৱা
- বিশেষণ পদ চিনাক্ত কৰিব পৰা
- পুৱাৰ দৃশ্য আঁকিব পৰা
- ডাকৰ বচন সংগ্ৰহ কৰি আলোচনা কৰিব পৰা

## শিকাৰুৰ পাঠভিত্তিক অৰ্হতাৰ মূল্যায়ন


| পদ্য | পদ্য আবৃত্তি কৰিব পৰা | স্পষ্ট আৰু শুদ্ধ উচ্চাৰণেৰে পদ্য পঢ়িব পৰা | পদ্য পঢ়ি বুজি পোৱা | পদ্যৰ মূল কথাখিনি ক'ব আৰু লিখিব পৰা | পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ দিব পৰা | ছবি চাই ক'ব পৰা |
|---|---|---|---|---|---|---|
| | | | | | | |
| ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ) | দ্ম, ন্ম, স্ম, ত্ম, গ্ম, ল্ম - যুক্তাক্ষৰ কেইটা পঢ়িব পৰা | যুক্তাক্ষৰসমূহ লিখিব পৰা | যুক্তাক্ষৰসমূহ ভাঙিব পৰা | যুক্তাক্ষৰসমূহ গঠন কৰিব পৰা | যুক্তাক্ষৰযুক্ত শব্দ পঢ়িব পৰা | যুক্তাক্ষৰযুক্ত শব্দ লিখিব পৰা |
| | | | | | | |
| | নতুন শব্দ পঢ়িব পৰা | নতুন শব্দৰ অৰ্থ জনা | নতুন শব্দ বাক্যত প্ৰয়োগ কৰিব পৰা | যুৰীয়া শব্দ গঠন কৰিব পৰা | ৰূপ সলনি হোৱা শব্দ লিখিব পৰা | |
| | | | | | | |
| | বাক্য ৰচনা কৰিব পৰা | নঞৰ্থক বাক্য সদৰ্থক কৰিব পৰা | একবচন আৰু বহুবচন বুজোৱা শব্দ লিখিব পৰা | বিশেষণ পদ বাছি উলিয়াব পৰা | | |
| | | | | | | |
| জ্ঞান সম্প্ৰসাৰণ | প্ৰাকৃতিক দৃশ্য পৰ্যৱেক্ষণ কৰি বৰ্ণনা কৰি লিখিব পৰা | ঘৰুৱা পৰিৱেশ পৰ্যৱেক্ষণ কৰি বৰ্ণনা কৰি লিখিব পৰা | বিভিন্ন জীৱিকাৰ নাম লিখিব পৰা | | | |
| | | | | | | |
| প্ৰকল্প | নিজে কৰা কাম-কাজৰ বৰ্ণনা কৰি দিনলেখা লিখিব পৰা | ফকৰা-যোজনা, প্ৰবচন আদি জনা আৰু সংগ্ৰহ কৰিব পৰা | দিনত আৰু ৰাতি ফুলা ফুল, ওলোৱা চৰাইৰ নাম জনা | | | |
| | | | | | | |

☞ *অৰ্হতা আয়ত্ত হ'লে ওপৰৰ তালিকাখনৰ তলৰ খালী ঘৰত ✓ চিন দিব আৰু নহ'লে ✗ চিন দিব। অৰ্হতা আয়ত্ত নোহোৱা শিকাৰুক অতিৰিক্তভাৱে শিকাই পুনৰ মূল্যায়ন কৰিব।*

পাঠ ৮

# বীৰাংগনা মূলাগাভৰু

অসম এখন বুৰঞ্জীপ্ৰসিদ্ধ ৰাজ্য। ইয়াৰ লোকসকল বৰ উদাৰ আৰু কষ্টসহিষ্ণু। এওঁলোকৰ বীৰত্ব আৰু সাহসো অতুলনীয়। পুৰুষসকলৰ সমানে এই দেশৰ নাৰীয়েও প্ৰয়োজন হ'লে দেশৰ হকে যুঁজি মৃত্যু বৰণ কৰিব পাৰে। এনে বীৰাংগনাৰ অলেখ বীৰত্বৰ কাহিনীয়ে অসম ভূমিক মহীয়ান আৰু পৱিত্ৰ কৰিছে। সেই বীৰাংগনাসকলৰ ভিতৰত মূলাগাভৰুও অন্যতম।



এসময়ত আমাৰ ৰাজ্যখনত আহোমসকলে ৰাজত্ব কৰিছিল। আহোমসকলৰ ৰাজত্ব কালত পশ্চিমৰ মুছলমানসকলে কেইবাবাৰো অসম ৰাজ্য আক্ৰমণ কৰিছিল। আহোম ৰজা স্বৰ্গদেউ চুহুংমুং বা স্বৰ্গ নাৰায়ণৰ ৰাজত্ব কালতো মুছলমানসকলে অসম আক্ৰমণ কৰিছিল। তুৰ্বক আছিল মুছলমানসকলৰ প্ৰধান সেনাপতি। বাটত কোনো বাধা নোপোৱাকৈ তুৰ্বক সেনাপতি উজাই আহি কলিয়াবৰ পালেহি। স্বৰ্গদেৱে দেখিলে জোঁৰ পুৰি হাত পালেহি। কলিয়াবৰতে তুৰ্বকৰ সৈতে আহোম সেনাৰ থৈয়া-নথৈয়া ৰণ হ'ল। এই ৰণক 'কলিয়াবৰৰ ৰণ' বা 'কপিলী-গঙ্গা ৰণ' বুলিও বুৰঞ্জীত জনা যায়। ইতিমধ্যে মন্ত্ৰী বুঢ়াগোহাঁই প্ৰমুখ্যে আঠজন আহোমৰ প্ৰধান যোদ্ধা ৰণত পৰিল। স্বৰ্গদেউ বৰ চিন্তিত হ'ল। ইয়াৰ পাছত স্বৰ্গদেৱে আন এজন মন্ত্ৰী ফ্ৰাচেংমুং বৰগোহাঁইক প্ৰধান

সেনাপতি পাতি তুৰ্বকক প্ৰতিহত কৰিবলৈ আদেশ দিলে। এইজনা বৰগোহাঁইৰ পত্নীৰ নামেই মূলাগাভৰু। স্বৰ্গদেউৰ আদেশ মানি যুঁজলৈ যাবলৈ সাজু হৈ ফ্ৰাচেংমুং বৰগোহাঁয়ে পত্নী মূলাগাভৰুক কৰচ-কাপোৰ বিচাৰিলে। হঠাৎ বৰগোহাঁইদেউ যুঁজলৈ ওলোৱাত মূলাগাভৰু বিমোৰত পৰিল। বিশেষ লেঠাত মূলাগাভৰুৱে ৰাতিটোৰ ভিতৰতে কৰচ-কাপোৰ বৈ দিব নোৱাৰিলে। সেইবাবে তেওঁ বৰগোহাঁইক ৰণলৈ যাবলৈ বাধা দিলে। বৰগোহাঁয়ে ক'লে—'মই আৰু পলম কৰিব নোৱাৰোঁ। ৰণলৈ সকলো



আহিলা-পাতি সাজু হৈছে। কৰচ-কাপোৰ নোহোৱাকৈয়ে মই তুৰ্বকক ঘটুৱাব পাৰিম।' এইদৰে মূলাগাভৰুক বুজনি দি তেওঁ ৰণলৈ যাত্ৰা কৰিলে। দুয়োপক্ষৰ মাজত পুনৰ থৈয়া-নথৈয়া ৰণ হ'ল। তুৰ্বকৰ লগত প্ৰাণটাকি যুঁজিও বৰগোহাঁই জিকিব নোৱাৰিলে। অৱশেষত তেওঁ মৃত্যুক আকোঁৱালি ল'লে। বৰগোহাঁইৰ মৃত্যুৰ বাতৰি গড়গাঁও পালেগৈ। মূলাগাভৰু শোকত ভাগি পৰিল। তেওঁ ভাবিলে, 'ৰাতিটোৰ ভিতৰতে কৰচ-কাপোৰ বৈ দিব নোৱৰাৰ বাবেহে মোৰ বঙহৰদেউৰ এনে দশা হ'ল।'

স্বামীৰ মৃত্যুত বিচলিত নহৈ পতিহন্তা শত্ৰুৰ বিৰুদ্ধে যুঁজ দিবলৈ তেওঁ দৃঢ়প্ৰতিজ্ঞ হ'ল। স্বৰ্গদেউৰ আদেশ লৈ মূলাগাভৰুৱে হাতত হেংদাং লৈ হাতীত উঠি যুদ্ধক্ষেত্ৰলৈ ওলাল। মূলাগাভৰুৰ সাহস দেখি আন কেইবাগৰাকী আহোম ৰমণীয়েও তেওঁক সঙ্গ

দিলে। নাৰী বাহিনীৰ মনোবল আৰু বীৰত্ব দেখি আহোম সেনাৰ মনোবল দুগুণে বাঢ়িল। তেওঁলোকে মূলাগাভৰুৰ নেতৃত্বত মহাপৰাক্রমেৰে যুঁজি তুৰ্বকৰ বহু সৈন্য নিপাত কৰিলে। মুছলমান সৈন্যই মূলাগাভৰুৰ সাহস আৰু বীৰত্ব দেখি বিস্ময় মানিলে। তুৰ্বকৰ লগত ভেটা-ভেটি হোৱাত দুয়োৰে মাজত তুমুল যুদ্ধ হ'ল। অৱশেষত তুৰ্বকৰ অস্ত্ৰৰ আঘাতত মূলাগাভৰু হাতীৰ পিঠিৰ পৰা ঢলি পৰিল। পাছত কনচেং বৰপাত্ৰগোহাঁইৰ নেতৃত্বত আহোম সেনাই তুৰ্বকৰ সৈন্যক পৰাস্ত কৰি কৰতোয়া নদীলৈকে খেদি পঠালে। মূলাগাভৰুৰ মৃত্যু হ'ল সঁচা, কিন্তু তেওঁৰ আদৰ্শ চিৰস্মৰণীয় হৈ ৰৈ গ'ল। এনেদৰে দেশৰ হকে কাম কৰা অনেক মহিলাৰ নাম আমি পঢ়িবলৈ পাওঁ। সেইসকলৰ ভিতৰত ঝান্সী ৰাণী লক্ষ্মীবাই, চুলতানা ৰেজিয়া আদি উল্লেখযোগ্য।

*('আহোমৰ দিনৰ বুৰঞ্জী' আৰু সাহিত্যাচাৰ্য অতুলচন্দ্ৰ হাজৰিকাৰ 'শিশু-সাহিত্য সম্ভাৰ'ত থকা 'মূলাগাভৰু' কাহিনীটোৰ আধাৰত যুগুতোৱা হৈছে।)*



## জানো আহা

| | |
|---|---|
| **কৰচ-কাপোৰ** | ঃ *ৰাতিটোৰ ভিতৰতে কপাহ নেওঠি, পাঁজি কাটি, সূতা কাটি ৰাতি নৌপুৱাওঁতেই বৈ কাটি উলিওৱা কাপোৰক 'কৰচ-কাপোৰ' বোলে। এনেধৰণে প্ৰস্তুত কৰা কাপোৰ পিন্ধি যুঁজলৈ গ'লে সেই যুদ্ধত জয়লাভ কৰে বুলি আহোমসকলে বিশ্বাস কৰিছিল।* |
| **স্বৰ্গদেউ** | ঃ *আহোম ৰজাসকলক সম্বোধন কৰি মতা শব্দ।* |
| **বীৰাংগনা** | ঃ *যুঁজাৰু তিৰোতা, সাহসী তিৰোতা।* |
| **বঙহৰদেউ** | ঃ *ওপৰ শ্ৰেণীৰ আহোম ভাৰ্যাই স্বামীক সম্বোধন কৰি মতা নাম।* |
| **স্বদেশপ্ৰেম** | ঃ *নিজৰ দেশৰ প্ৰতি ভালপোৱা ভাব।* |

**ক্রিয়া-কলাপ**

## ক — পাঠভিত্তিক ক্ৰিয়া

**উত্তৰ দিয়া।**



(ক) ● মূলাগাভৰু কোন আছিল?

● তেওঁৰ স্বামীৰ নাম কি?

● মূলাগাভৰুৱে হেংদাং লৈ কিয় যুদ্ধক্ষেত্ৰলৈ ওলাল?

● কাৰ অস্ত্ৰাঘাতত মূলাগাভৰুৰ মৃত্যু হৈছিল?

(খ) ● তুৰ্বক কোন আছিল?

● তেওঁ অসমলৈ কিয় আহিছিল?

● যুদ্ধক্ষেত্ৰত কি দেখি তুৰ্বকবাহিনী বিস্মিত হৈছিল?

● কলিয়াবৰৰ ৰণত তুৰ্বক কাৰ হাতত পৰাস্ত হৈছিল?

(গ) ● কলিয়াবৰৰ ৰণ কাৰ কাৰ মাজত হৈছিল?

● কলিয়াবৰৰ ৰণক আৰু কি নামেৰে জনা যায়?

(ঘ) ● কৱচ-কাপোৰ কি?

● ইয়াক কেনেকৈ তৈয়াৰ কৰা হয়?

● মূলাগাভৰুৱে তেওঁৰ স্বামীয়ে কি কাৰণে ৰণত মৃত্যুবৰণ কৰা বুলি ভাবিছিল?

(ঙ) ● কোনজন আহোম ৰজাৰ দিনত তুৰ্বকে অসম আক্ৰমণ কৰিছিল?

● সেইজন স্বৰ্গদেউক আন কি নামেৰে জনা যায়?

● তুৰ্বকৰ হাতত আঠজন প্ৰধান যোদ্ধা মৰাৰ পাছত স্বৰ্গদেৱে কাক ৰণলৈ পঠিয়াইছিল?

● পাঠটোত মূলাগাভৰুৰ বাহিৰে আন কোন কোন বীৰাংগনাৰ নাম আছে?

কোনে, কেতিয়া আৰু কিয় কৈছিল কোৱা।

(ক) "মই আৰু পলম কৰিব নোৱাৰোঁ। ৰণলৈ সকলো আহিলা-পাতি সাজু হৈছে। কৱচ-কাপোৰ নোহোৱাকৈয়ে মই তুৰ্বকক ঘটুৱাব পাৰিম।"

(খ) 'ৰাতিটোৰ ভিতৰতে কৱচ-কাপোৰ বৈ-কাটি দিব নোৱৰাৰ বাবেহে মোৰ বঙহৰদেউৰ এনে দশা হ'ল।'

**খ— ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ)**

**যুক্তাক্ষৰ ভাঙি পঢ়োঁ আৰু লিখোঁ আহা**

| | | | | | | | |
|---|---|---|---|---|---|---|---|
| ম্ল | ম | + ল | মই | লই | ম্ল | ম্লান | অম্লান |
| ন্স | ন | + স | নই | সই | ন্স | ফ্রান্স | ঝান্সী |

**যুক্তাক্ষৰ গঠন কৰোঁ আহাঁ**

| | | | |
|---|---|---|---|
| ন + স | নই | সই | ন্স |
| ম + ল | মই | লই | ম্ল |

☞ *এইদৰে ক্ল, গ্ল, প্ল, ফ্ল, ল্ল, শ্ল, ব্ল, হ্ল এই যুক্তাক্ষৰকেইটা ভাঙি পঢ়িবলৈ আৰু লিখিবলৈ শিকাব।*

**পঢ়োঁ আহাঁ**

| | | | |
|---|---|---|---|
| ক্ল | ক্লান্ত | ক্লেশ | শুক্লপক্ষ |
| গ্ল | গ্লানি | গ্লোব | গ্লুকোজ |
| প্ল | প্লেগ | প্লাৱন | বিপ্লৱ |
| ফ্ল | ফ্লেগ | ফ্লাক্স | ফ্লোৰেন্স |
| ম্ল | ম্লান | অম্লান | অম্লজান |
| ল্ল | দিল্লী | উল্লাস | কল্লোল |



শ্ল  শ্লোক  শ্লেষ্মা  সংশ্লিষ্ট

ব্ল  ব্লেড  ব্লাউজ  ব্লেকবোৰ্ড

হ্ল  আহ্লাদ  প্ৰহ্লাদ



ফ্ৰান্সৰ ৰাজধানী পেৰিছ।

ঝান্সী ৰাণীয়ে ঘোঁৰাত উঠি যুদ্ধ কৰিছিল।

ফ্লোৰেন্স নাইটিংগেলে ৰুগীয়া মানুহৰ সেৱা কৰিছিল।

প্লেগ এবিধ সংক্ৰামক ৰোগ।  শ্লাঘা মানে প্ৰশংসা।

## জানো আহা

অসম এখন বুৰঞ্জীপ্ৰসিদ্ধ ৰাজ্য। **ইয়াৰ** লোকসকল বৰ উদাৰ আৰু কষ্টসহিষ্ণু। **এওঁলোকৰ** বীৰত্ব আৰু সাহসো অতুলনীয়।

**অসম** এখন ৰাজ্যৰ নাম। গতিকে ই বিশেষ্য পদ। ওপৰৰ দ্বিতীয় বাক্যত থকা **ইয়াৰ** পদটোৱে **অসম**ক বুজাইছে। অৰ্থাৎ **অসমৰ** সলনি ব্যৱহাৰ হৈছে।

**অসমৰ লোকসকল** বিশেষ্য পদ। ওপৰৰ তৃতীয় বাক্যটোত **অসমৰ লোকসকলৰ** ঠাইত **এওঁলোকৰ** পদটো বহিছে।

এনেদৰে **বিশেষ্য পদৰ সলনি ব্যৱহাৰ হোৱা পদকে সৰ্বনাম পদ বোলে।** ওপৰৰ **'ইয়াৰ'** আৰু **'এওঁলোকৰ'** পদ দুটা সৰ্বনাম পদ।

একেটা শব্দ বাৰে বাৰে ব্যৱহাৰ কৰিলে শুনিবলৈ শুৱলা নহয়। সেইকাৰণে বিশেষ্যৰ সলনি সৰ্বনাম পদ ব্যৱহাৰ কৰা হয়।

**তলৰ বাক্যকেইটা পঢ়া আৰু সৰ্বনাম পদবোৰ বাছি উলিয়াই লিখা। লগতে কোনটো বিশেষ্য পদৰ সলনি ব্যৱহাৰ হৈছে কাষত উল্লেখ কৰা।**

পৰিধিৰ ঘৰ নামশালা গাঁৱত। তাই সেই গাঁৱৰে পাঠশালাত পঢ়ে। তাইৰ ককাক গাঁওখনৰ গাঁওবুঢ়া। গাঁওবাসীয়ে তেখেতক সমীহ কৰি চলে। গাঁওবুঢ়ায়ো তেওঁলোকৰ সুখ-দুখৰ খবৰ ৰাখে।

| সর্বনাম পদ | কোনটো বিশেষ্য পদৰ সলনি বহিছে |
|---|---|
| তাই | পৰিধি |
| সেই | |
| | |
| | |
| | |
| | |
| | |
| | |



তোমালোকে পাঠটোত 'নাৰী' আৰু 'স্বামী' এই শব্দ দুটা পাইছা। প্ৰয়োগত পাৰ্থক্য থাকিলেও এই শব্দ দুটাৰ একে অৰ্থ প্ৰকাশ কৰা আৰু বহুত শব্দ আছে। যেনে—

**নাৰী** — স্ত্ৰী, তিৰোতা, মহিলা, ৰমণী, অংগনা

**স্বামী** — পতি, গৰাকী, নাথ, গিৰিহঁত, গিৰী, বঙহৰদেউ



**এতিয়া তলৰ শব্দকেইটিৰ সমাৰ্থক (একে অৰ্থ প্ৰকাশক) শব্দ লিখোঁ আহা—**

**বঙহৰদেউ** — ..........................................................................................

**পত্নী** — ..........................................................................................

**ৰণ** — ..........................................................................................

**শোক** — ..........................................................................................

**নদী** — ..........................................................................................

*নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

**বাক্য ৰচনা কৰা।**

থৈয়া-নথৈয়া    প্ৰাণটাকি    দৃঢ়প্ৰতিজ্ঞ    মহীয়ান

তুমুল    চিৰস্মৰণীয়    ভেটা-ভেটি

## গ — জ্ঞান সম্প্ৰসাৰণ

কলিয়াবৰ ৰণত কন্‌চেং বৰপাত্ৰগোহাঁয়ে তুৰ্বকক পৰাস্ত কৰি কৰতোয়া নদীলৈকে খেদি পঠিয়াইছিল। কিয়নো সেই সময়ত কৰতোয়ালৈ অসমৰ পৰিসীমা আছিল।

- **বৰ্তমান কৰতোয়া নদী কোন ৰাজ্যৰ মাজেৰে বৈ গৈছে ভূচিত্ৰাৱলী চাই উলিওৱা।**

**মোগলৰ হাতৰ পৰা অসমক ৰক্ষা কৰিবলৈ মূলা গাভৰুৱে প্ৰাণটাকি যুঁজি মৃত্যুক আঁকোৱালি লৈছিল। সেইদৰে ইংৰাজৰ হাতৰ পৰা আমাৰ দেশ উদ্ধাৰ কৰিবলৈ আমাৰ ৰাজ্যৰ কোন কোন বীৰাংগনাই স্বাধীনতা সংগ্ৰামত প্ৰাণ আহুতি দি ছহিদ হৈছিল কোৱা।**

**দলত আলোচনা কৰি উত্তৰ দিয়া।**

- ‘কপিলী-গংগা ৰণ’ লগা কলিয়াবৰ বৰ্তমান কোন জিলাত অৱস্থিত?
- সেইখন জিলাৰ মেপত কপিলী নদী আৰু আকাশীগংগা চিনাক্ত কৰা।
- কপিলী আৰু আকাশীগংগা কি কি কাৰণত বিখ্যাত?

☞ *ভূচিত্ৰাৱলী চোৱাত সহায় কৰি দিব।*

- *প্ৰয়োজন অনুসৰি স্বাধীনতা সংগ্ৰামত প্ৰাণ আহুতি দিয়া বীৰাংগনাসকলৰ বিষয়ে জনাব।*
- *সম্ভৱ হ'লে কপিলী জলবিদ্যুৎ প্ৰকল্প আৰু পবিত্ৰ আকাশীগংগা দৰ্শন কৰাব।*

জানো আহা

**চুলতানা ৰেজিয়া**— দিল্লীৰ ৰাজ সিংহাসনত বহা একমাত্ৰ নাৰীগৰাকী আছিল চুলতানা ৰেজিয়া। মোগল সাম্ৰাজ্যৰ পূৰ্বে দিল্লীৰ শাসন আছিল দাস বংশৰ হাতত। এই দাস বংশৰে জীয়াৰী চুলতানা ৰেজিয়া। অতি কম সময়তে শত্ৰুৰ ষড়যন্ত্ৰত ৰেজিয়াই স্বামীসহ যুদ্ধক্ষেত্ৰত প্ৰাণ দিব লগা হয়।

**তুৰ্বকৰ বাহিৰেও মীৰজুমলা, ৰামসিংহ আদিয়েও অসম আক্ৰমণ কৰিছিল। মহাপৰাক্ৰমী মোগল সেনাপতি ৰামসিংহক বীৰ লাচিতে শৰাইঘাটৰ ৰণত পৰাস্ত কৰিছিল। সেইজনা অসমীয়া বীৰৰ বিষয়ে লিখা।**



ঘ—প্ৰকল্প

- এসময়ত আহোম ৰাজ্যৰ ৰাজধানী গড়গাঁও আছিল। এতিয়াও তাত আহোম ৰাজত্বকালৰ অনেক কীৰ্তিচিহ্ন আছে। সেইবোৰৰ বিষয়ে পুথি-পাঁজি চাই বা বিজ্ঞজনক সোধা-পোছা কৰি তথ্য সংগ্ৰহ কৰি টোকা বহীত লিখা।
- তোমালোকৰ অঞ্চলত কিবা বুৰঞ্জীপ্ৰসিদ্ধ ঘটনা নাইবা ৰজাদিনীয়া দ'ল- দেৱালয়, পুখুৰী, শিলালিপি আদি আছে নেকি? যদি আছে, সেইবোৰৰ বিষয়ে তথ্য সংগ্ৰহ কৰি চমু টোকা লিখা।

পাঠ ৮

## পাঠটোৰ পৰা আহৰণ কৰিবলগীয়া অৰ্হতা

- বীৰাংগনাৰ বিষয়ে জানি ক'ব পৰা আৰু লিখিব পৰা
- সমসাময়িক অসম বুৰঞ্জীৰ ঘটনাৱলীৰ বিষয়ে জনা
- কৱচ-কাপোৰৰ বিষয়ে জনা
- বুৰঞ্জীমূলক কাহিনী জনাৰ প্ৰতি আগ্ৰহী হোৱা
- সমাৰ্থক শব্দ জনা
- সৰ্বনাম পদৰ ধাৰণা পাব আৰু প্ৰয়োগ কৰিব পৰা
- স্বাধীনতা সংগ্ৰামত প্ৰাণ দিয়া বীৰাংগনাৰ বিষয়ে জনা

## শিকাৰুৰ পাঠভিত্তিক অৰ্হতাৰ মূল্যায়ন

| | | | | | | |
|---|---|---|---|---|---|---|
| গদ্য | গদ্য পাঠ শুনি, পঢ়ি বুজি পোৱা | পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ ক'ব আৰু লিখিব পৰা | নতুন শব্দৰ অৰ্থ জনা | | | |
| | | | | | | |
| ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ) | ম্ল আৰু ল্প - যুক্তাক্ষৰকেইটা ভাঙি পঢ়িব আৰু লিখিব পৰা | ম্ল আৰু ল্প- যুক্তাক্ষৰকেইটা গঠন কৰি শব্দ পঢ়িব আৰু লিখিব পৰা | ল যুক্ত যুক্তাক্ষৰেৰে গঠিত শব্দ পঢ়িব, লিখিব পৰা | সৰ্বনাম পদৰ ধাৰণা হোৱা | সমাৰ্থক শব্দ লিখিব পৰা | |
| | | | | | | |
| | সৰ্বনাম পদ প্ৰয়োগ কৰি বাক্য লিখিব পৰা আৰু বাক্যত থকা সৰ্বনাম পদ চিনাক্ত কৰিব পৰা | বিশেষ্য আৰু সৰ্বনাম পদৰ পাৰ্থক্য বুজি পোৱা | নতুন বাক্য গঠন কৰিব পৰা | | | |
| | | | | | | |
| জ্ঞান সম্প্ৰসাৰণ | স্বাধীনতা সংগ্ৰামত প্ৰাণাহুতি দিয়া বীৰাংগনাসকলৰ বিষয়ে জনা | ভূচিত্ৰাৱলী চাই বিভিন্ন ঠাই আৰু নদীৰ অৱস্থান জনা | | | | |
| | | | | | | |
| প্ৰকল্প | আহোম ৰাজত্বকালৰ কীৰ্তিচিহ্ন, পুথি-পাঁজিৰ তথ্য সংগ্ৰহ কৰিব পৰা | অসমৰ বুৰঞ্জীপ্ৰসিদ্ধ স্থান/ঘটনাৰ তথ্য সংগ্ৰহ কৰি টোকা লিখিব পৰা | | | | |
| | | | | | | |


☞ *অৰ্হতা আয়ত্ত হ'লে ওপৰৰ তালিকাখনৰ তলৰ খালী ঘৰত ✓ চিন দিব আৰু নহ'লে ✗ চিন দিব। অৰ্হতা আয়ত্ত নোহোৱা শিকাৰুক অতিৰিক্তভাৱে শিকাই পুনৰ মূল্যায়ন কৰিব।*

পাঠ ৯

I9T8U7

# অসমৰ কাঁহ শিল্প

ক্ষ হ্ন হ্ন



অম্লান আৰু অনন্যাই অসমলৈ ফুৰিবলৈ আহিছে। দেউতাকৰ চাকৰি সূত্ৰে তেওঁলোক অসমৰ বাহিৰতে থাকে। এইবাৰ প্ৰথম তেওঁলোক পেহীয়েকৰ ঘৰলৈ আহিছে। পেহীয়েকৰ ঘৰ সৰ্থেবাৰীত।

শৰৎ কালৰ সন্ধিয়া। ফৰিংফুটা জোনাকত আধাফুলা শেৱালি ফুলবোৰ জিলিকি উঠিছে। ফুলৰ সুবাসে চৌদিশ আমোলমোলাইছে। দূৰৈৰ নামঘৰৰ পৰা বৰকাঁহৰ ঢং ঢং ধ্বনি ভাঁহি আহিছে। অম্লান আৰু অনন্যা পেহাকৰ লগত আগ চোতালতে বহিল। গোটেই পৰিৱেশটো তেওঁলোকৰ বৰ ভাল লাগিল। পেহাকে ঘৰুৱা খা-খবৰ সোধাৰ লগতে তেওঁলোকৰ পঢ়া-শুনাৰো খবৰ ল'লে।

এনেতে পেহীয়েকে আটাইকে ভাত খাবলৈ ভিতৰলৈ মাতি নিলে। বান-কাঁহীত ভাত আৰু কাঁহৰ বাটিত নানা তৰহৰ আঞ্জা বাঢ়ি দিছে। অনন্যাই ভাতৰ কাঁহীখন একেথৰে চাই থকা দেখি পেহাকে সুধিলে— "কি চাইছা অনন্যা?" অনন্যাই ক'লে— "এই বটাখন চাইছোঁ। বটাখন মোৰ বৰ ভাল লাগিছে।" ওচৰতে বৈ থকা পেহীয়েকে হাঁহি মাৰি ক'লে— "এইখন বটা নহয়, বান-কাঁহীহে। এনেকুৱা নানা ধৰণৰ সুন্দৰ সুন্দৰ কাঁহৰ পাত্ৰ পেহাৰাই নিজ হাতে গঢ়িছে। তাৰ বাবে চৰকাৰে তেখেতক পুৰস্কাৰো দিছে।"

পেহীয়েকৰ কথা শুনি অনন্যা আচৰিত হ'ল। তাই ক'লে—"পেহাই ইমান সুন্দৰ সুন্দৰ বস্তু গঢ়িব জানে! কামবোৰো ইমান মসৃণ।" অম্লানেও অনন্যাৰ কথাত হয়ভৰ দি ক'লে—"সচাঁ, আমাৰ পেহাই যে ইমান ভাল কাম কৰিব জানে!" তেওঁলোকৰ কথোপকথন শুনি পেহীয়েকে এফাকি ফকৰা মাতিলে—"হাতৰ নিব, কাণৰ নিব, দহো আঙুলি কোনে নিব?" লগে লগে অনন্যাই পেহীয়েকক ক'লে—"কি ক'লা পেহী, বুজি নাপালোঁ।" এইবাৰ পেহীয়েকে তেওঁলোকক ফকৰা ফাকি বুজাই ক'লে—"শুনাহঁক, মানুহে অৰ্জা টকা-পইচা, ধন-সোণ আদি একেবাৰেই ক্ষণস্থায়ী। অৰ্থাৎ এইবোৰ সদায় নাথাকে। আনে নিব পাৰে, হেৰাই যাব পাৰে। কিন্তু মানুহৰ হাতৰ বিদ্যা সদায় মানুহৰ লগতে থাকে। ইয়াক আনে নিবও নোৱাৰে, নষ্টও কৰিব নোৱাৰে।"



অম্লান অতি কৌতূহলী। তেওঁৰ বুদ্ধিও তীক্ষ্ণ। অম্লানে কৌতূহল দমাব নোৱাৰি পেহাকক সুধিলে— "আপুনি এই কাঁহী-বাটিবোৰ কেনেকৈ গঢ়ে, ক'বনে পেহা?" পেহাকে হাঁহি মাৰি ক'লে— "কাইলৈ পুৱা মই তোমালোকক কঁহাৰশাললৈ লৈ যাম আৰু তাত সকলো দেখুৱাম।"

পাছদিনা পুৱা পিঠা-পনাৰে জলপান খোৱাৰ পাছত পেহাকে অম্লানহঁতক কঁহাৰশাললৈ লৈ গ'ল। কাঁহী, বাটি, লোটা, বান-বাটি, ঘটি, গিলাচ, বটা, বৰ-কাঁহ, ভোৰতাল আদি কেনেকৈ গঢ়ে তেওঁলোকক দেখুৱালে। ডাঙৰ বাটি এটা দেখুৱাই অনন্যাই আচৰিত হৈ সুধিলে— "এই বাটিটো ইমান ডাঙৰ, পেহা!" পেহাকে ক'লে—"অ, এইটো হাতী-খুজীয়া বাটি। এনেকুৱা বাটিত জলপান খায়।" এইবাৰ পেহাকে কাঁহ শিল্পৰ বিষয়ে অম্লানহঁতক বিতংভাৱে বুজাই ক'লে— "কাঁহ এবিধ মিশ্ৰিত ধাতু। তাম আৰু ৰাং জোখমতে মিহলাই জুইত গলাই কাঁহ তৈয়াৰ কৰা হয়। কঁহাৰশালত নিয়াৰি, হাতুৰী, চেপেনা, কুন্দা, মহী, ভাতী আদি নানা ধৰণৰ সঁজুলি ব্যৱহাৰ কৰি কাঁহৰ বাচন গঢ়া হয়। ইয়াক যিমানেই ব্যৱহাৰ কৰা হয় সিমানে উজ্জ্বল হয়। কাঁহ শিল্প অসমৰ এবিধ লেখত ল'বলগীয়া কুটীৰ-শিল্প।"

**ক্ৰিয়া-কলাপ**

## ক — পাঠভিত্তিক ক্ৰিয়া



**পাঠটো শুদ্ধ আৰু স্পষ্ট উচ্চাৰণেৰে পঢ়া।**

**কোৱা আৰু লিখা।**

(ক) অম্লান আৰু অনন্যা কাৰ ঘৰলৈ ফুৰিবলৈ আহিল?

(খ) অম্লানহঁতৰ পেহীয়েকৰ ঘৰ ক'ত?

(গ) সেই ঠাই কি শিল্পৰ বাবে বিখ্যাত?

(গ) পেহীয়েকে অনন্যাহঁতক ভাত খাবলৈ দিয়া কাঁহীবিধক কি কাঁহী বুলি কয়?

(ঘ) হাতী-খুজীয়া বাটি কি?

(ঙ) কি কি ধাতু মিহলাই কাঁহ তৈয়াৰ কৰা হয়?

(চ) কাঁহেৰে গঢ়া কেইবিধমান বাচন-বৰ্তনৰ নাম লিখা।

(ছ) কঁহাৰশাল মানে কি?

(জ) কঁহাৰশালত ব্যৱহাৰ হোৱা সঁজুলি কেইবিধমানৰ নাম লিখা।





বৰ্ণনা কৰা।

- শৰৎকালৰ সন্ধিয়াৰ পৰিৱেশ
- বটা আৰু বান-কাঁহীৰ ব্যৱহাৰ



ভাব বহলাই লিখোঁ আহা

'হাতৰ নিব, কাণৰ নিব, দহো আঙুলি কোনে নিব?'

## খ— ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ)

যুক্তাক্ষৰ ভাঙি পঢ়োঁ আৰু লিখোঁ আহা

| | | | | |
|---|---|---|---|---|
| তীক্ষ্ণ | ক্ষ + ণ | ক্ষই | ণই | ক্ষ্ণ |
| প্ৰাহ্ণ | হ + ণ | হই | ণই | হ্ণ |
| অহ্ন | হ + ন | হই | নই | হ্ন |

যুক্তাক্ষৰ গঠন কৰোঁ আহা

| | | | | |
|---|---|---|---|---|
| ক্ষ + ণ | ক্ষই | ণই | ক্ষ্ণ |
| হ + ণ | হই | ণই | হ্ণ |
| হ + ন | হই | নই | হ্ন |

পঢ়োঁ আহা



**তীক্ষ্ণ শব্দৰ অৰ্থ চোকা।**

**অম্লান এজন তীক্ষ্ণ বুদ্ধিৰ ল'ৰা।**

**অহ্ন মানে দিন।**

**প্ৰাহ্ণ মানে দুপৰীয়া।**

**প্ৰাহ্ণৰ পৰা সন্ধিয়ালৈ অপৰাহ্ণ।**

তলৰ শব্দসমূহৰ যুক্তাক্ষৰবোৰ ভাঙি দেখুওৱা।

| | | | |
|---|---|---|---|
| কিন্তু | — | ন্তু | ☐ + ☐ + ☐ |
| সুন্দৰ | — | ন্দ | ☐ + ☐ |
| বস্তু | — | স্তু | ☐ + ☐ + ☐ |
| শিল্প | — | ল্প | ☐ + ☐ |
| স্থায়ী | — | স্থ | ☐ + ☐ |
| অম্লান | — | ম্ল | ☐ + ☐ |
| সূত্ৰ | — | ত্ৰ | ☐ + ☐ |
| সন্ধিয়া | — | ন্ধ | ☐ + ☐ |
| আজ্ঞা | — | জ্ঞ | ☐ + ☐ |
| ধ্বনি | — | ধ্ব | ধ + ৱ |





☞ *নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

**বাঁওফালৰ কথাখিনিৰ অৰ্থ সোঁফালে দিয়া আছে। বিচাৰি উলিয়াই কাঁড় চিনেৰে মিলোৱা।**

| | |
|---|---|
| • কাঁহৰ বাচন গঢ়া স্থান | ঢেঁকী-শাল |
| • লোৰ সঁজুলি গঢ়া স্থান | জুইশাল (জুহাল) |
| • কাপোৰ বোৱা যতন | কঁহাৰশাল |
| • ঢেঁকী ৰখা ঘৰ | তেলী-শাল |
| • সদায় জুই ধৰা ঠাই | তাঁত-শাল |
| • সৰিয়হ পেৰা যতন | কমাৰশাল |

**বাক্য ৰচনা কৰা।**

| | | | |
|---|---|---|---|
| খা-খবৰ | খা-খবৰ কৰ | খা-খবৰ ল | খা-খবৰ ৰাখ |
| হাত-মুখ | হাত-মুখ ধো | টকা-পইচা | ধন-সোণ |

**জানো আহা**

এই বটাখন **চাইছোঁ**।

বটাখন মোৰ ভাল **লাগিছে**।

এইখন বটা **নহয়**।

ওপৰৰ প্ৰথম বাক্যৰ **চাইছোঁ** পদটোৱে চোৱা কাৰ্যটো হোৱা বুজাইছে। সেইদৰে দ্বিতীয় বাক্যত **লাগিছে** পদটোৱে ভাল লগা কাৰ্যটো হোৱা বুজাইছে আৰু তৃতীয় বাক্যটোত **নহয়** পদটোৱে সেইখন যে বটা নহয় তাক বুজাইছে। এনেদৰে যিবোৰ পদে কোনো কাম কৰা, হোৱা বা নোহোৱা বুজায় তাক **ক্ৰিয়া পদ** বুলি কোৱা হয়। যেনে— চৰাইৰ দুখন ডেউকা **আছে**। তাৰে সিহঁত **উৰে**। উৰাজাহাজৰো পাখি **আছে**। কিন্তু ইয়াৰ চৰাইৰ দৰে প্ৰাণ **নাই**।

☞ *নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

**কাষৰ বাকচৰ পৰা ক্ৰিয়া পদ আনি তলৰ বাক্যকেইটা পূৰ কৰা।**

- মই ভাত ________
- ৰীণা সদায় স্কুললৈ ________
- আমটো মিঠা ________
- মইনাই ভালকৈ ________
- ৰহিমৰ দাদাক ডিব্ৰুগড়ত ________
- আমাৰ এখন খেলপথাৰ ________

| | |
|---|---|
| থাকে | আছে, |
| যায়, | নহয়, |
| নাচে, | খাওঁ, |

**তলৰ বাক্যকেইটাৰ ক্ৰিয়া পদত আঁচ টানা।**

- অম্লান আৰু অনন্যা পেহীয়েকৰ ঘৰলৈ আহিছে।
- ফৰিংফুটা জোনাকত আধাফুলা শেৱালি ফুলবোৰ জিলিকি উঠিছে।
- অম্লান আৰু অনন্যা পেহাকৰ লগত আগ চোতালতে বহিল।
- এনেতে পেহীয়েকে আটাইকে ভাত খাবলৈ মাতিলে।
- অম্লানহঁতক পেহাকে কঁহাৰশাললৈ লৈ গ'ল।

## গ— জ্ঞান সম্প্ৰসাৰণ

**কাঁহ শিল্প অসমৰ এবিধ লেখত ল'বলগীয়া কুটীৰ-শিল্প। অসমৰ আন কেইটামান কুটীৰ-শিল্পৰ নাম লিখা।**

________ ________ ________

________ ________ ________

*নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

তোমালোকৰ ঘৰত কাঁহৰ বাহিৰে আন কি কি ধাতুৰে তৈয়াৰ কৰা বাচন-বৰ্তন আছে? সেইবোৰৰ তালিকা কৰা।

__________ __________ __________

__________ __________ __________

__________ __________ __________

ছবিৰ সৈতে মিলাই নাম লিখা।

বটা, লোটা, বান-কাঁহী, বান-বাটি, গিলাচ, কলহ








*নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

## জানো আহা

এতিয়ালৈ

ৰাষ্ট্ৰপতি পুৰস্কাৰপ্ৰাপ্ত কাঁহ শিল্পীসকল

- ধনেশ্বৰ বৰ্মন
- ভগৱান ডেকা
- হৰেশ্বৰ ডেকা

অসম চৰকাৰৰ পৰা শিল্পী পেঞ্চন পোৱা কাঁহ শিল্পীসকল

- হৰেন্দ্ৰ নাথ ডেকা
- কল্প নাথ ভূঞা
- কুঁহিৰাম ডেকা
- মৃগেন পাঠক

- পুষ্পৰাম তামুলীয়ে কৃষক বিদ্ৰোহত আগ-ভাগ লোৱা বাবে কাৰাবাস খাটিছিল। কাৰাগাৰত গঢ়শাল পাতি তেওঁ জেলৰ বাবে কাঁহী আৰু বাটি গঢ়াই ইংৰাজৰ পৰা ভূয়সী প্ৰশংসা পাইছিল।
- নামশালা গাঁৱৰ হেমকান্ত ভূঞা কাঁহৰ ডগডগী লোটা গঢ়োৱা এগৰাকী বিখ্যাত কঁহাৰ আছিল। ঠাই বিশেষে ডগডগী লোটাক ডুগডুগী লোটাও বোলা হয়।
- সৰ্থেবাৰীৰ ওচৰৰ বণিয়াকুছি আৰু হালধিবাৰী পিতলৰ শৰাই গঢ়োৱাৰ বাবে বিখ্যাত।

### ঘ— প্ৰকল্প

- **তোমালোকৰ অঞ্চলৰ ওচৰে-পাঁজৰে থকা যিকোনো এটা কুটীৰ-শিল্প প্ৰতিষ্ঠানলৈ অভিভাৱকৰ সৈতে যোৱা আৰু ইয়াৰ কাম-কাজবিলাক নিৰীক্ষণ কৰি চমুকৈ এটি টোকা লিখা।**



*পাঠৰ পৰা বা অন্য কিতাপৰ পৰা শ্ৰুতলিপি দিব।*

## পাঠটোৰ পৰা আহৰণ কৰিবলগীয়া অৰ্হতা

- পাঠটো শুদ্ধ আৰু স্পষ্ট উচ্চাৰণেৰে পঢ়িব পৰা
- গদ্য পাঠ পঢ়ি বুজি পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ লিখিব পৰা
- অসমৰ ঐতিহ্যপূৰ্ণ কাঁহ শিল্পৰ লগতে অন্যান্য কুটীৰ-শিল্পৰ বিষয়ে জনা
- কাঁহৰ বাচন-বৰ্তনৰ প্ৰস্তুত প্ৰণালী আৰু তাৰ ব্যৱহাৰ সম্পৰ্কে জনা
- ভোৰতাল আৰু পিতলৰ শৰাই আদিৰ ব্যৱহাৰ সম্পৰ্কে জনা
- কাঁহ আদি ধাতু কিহেৰে তৈয়াৰ কৰা হয় সেই সম্পৰ্কে তথ্য লাভ কৰা
- ক্ৰিয়া পদৰ ধাৰণা লাভ কৰা

## শিকাৰুৰ পাঠভিত্তিক অৰ্হতাৰ মূল্যায়ন

<table>
<tr><td>বৰ্ণনামূলক পাঠ</td><td>বৰ্ণনামূলক পাঠ শুদ্ধকৈ পঢ়িব পৰা</td><td>পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ ক'ব আৰু লিখিব পৰা</td><td>বিভিন্ন বিষয় সম্পৰ্কে বৰ্ণনা কৰিব পৰা</td><td>ভাব বহলাই লিখিব পৰা</td><td></td><td></td></tr>
<tr><td></td><td></td><td></td><td></td><td></td><td></td><td></td></tr>
<tr><td rowspan="3">ব্যাৱহাৰিক ব্যাকৰণ</td><td>ক্ষ, হ্ন, হ্ম ভাঙি পঢ়িব আৰু লিখিব পৰা</td><td>যুক্তাক্ষৰকেইটা গঠন কৰিব পৰা</td><td>যুক্তাক্ষৰ থকা শব্দ পঢ়িব পৰা</td><td>পাঠত থকা যুক্তাক্ষৰবোৰ ভাঙিব পৰা</td><td>শব্দৰ অৰ্থ জনা</td><td></td></tr>
<tr><td></td><td></td><td></td><td></td><td></td><td></td></tr>
<tr><td>বাক্য ৰচনা কৰিব পৰা</td><td>ক্ৰিয়া পদৰ প্ৰয়োগ কৰিব পৰা</td><td></td><td></td><td></td><td></td></tr>
<tr><td></td><td></td><td></td><td></td><td></td><td></td><td></td></tr>
<tr><td>জ্ঞান সম্প্ৰসাৰণ</td><td>বিভিন্ন কুটীৰ-শিল্পৰ বিষয়ে জনা</td><td>বিভিন্ন ধাতুৰে তৈয়াৰ কৰা বাচন-বৰ্তনৰ নাম জনা</td><td>ছবিৰ সৈতে মিলাই নাম লিখিব পৰা</td><td></td><td></td><td></td></tr>
<tr><td></td><td></td><td></td><td></td><td></td><td></td><td></td></tr>
<tr><td>প্ৰকল্প</td><td>নিজ অঞ্চলৰ কুটীৰ-শিল্পৰ বিষয়ে ক'ব আৰু লিখিব পৰা</td><td></td><td></td><td></td><td></td><td></td></tr>
<tr><td></td><td></td><td></td><td></td><td></td><td></td><td></td></tr>
</table>

☞ *অৰ্হতা আয়ত্ত হ'লে ওপৰৰ তালিকাখনৰ তলৰ খালী ঘৰত ✓ চিন দিব আৰু নহ'লে ✗ চিন দিব। অৰ্হতা আয়ত্ত নোহোৱা শিকাৰুক অতিৰিক্তভাৱে শিকাই পুনৰ মূল্যায়ন কৰিব।*

পাঠ ১০

# বৰদৈচিলা

E6B5I7




চ'তৰ বিহুত   বৰদৈচিলা
মাকৰ ঘৰলৈ যায়,
গছ-গছনি   ঘৰ-দুৱাৰ
নিয়ে উৰুৱাই।
হিল-দল   ভাঙি
মেলিছে ঢাপলি,
লগত নিছে   লগৰীয়া
যত বা-মাৰলি।
আউল বাউল   চুলি মেলি
মাৰিছা কিয় লৰ?
লাহে ধীৰে   গ'লেও দেখোন
পাবা মাৰাৰ ঘৰ।



চোতালত দিছোঁ বৰপীৰা
কাকৈ-ফণি তাতে,
মূৰৰ চুলি মেলাই যোৱা
ৰজাৰ ৰাজবাটে।
মাৰাই দিব মাধৈ ফুল
বাপেৰাই দিব খাৰু,
ককায়েৰাই দিব কাপোৰ-কানি
ভায়েৰাই দিব কেৰু।
শুবলৈ দিব শীতল পাটি*
বহিবলৈ দিব পীৰা,
খাবলৈ দিব জহা ধানৰ
দোৱা-ভজা চিৰা।
কাবৌ কৰি মাতিছো আমি
লাহে ধীৰে যোৱা,
আমাৰ পঁজা ঘৰ কেইটি
ভালে ভালে থোৱা।

**কবি-হেমচন্দ্ৰ গোস্বামী**

*(উৎস—মৰুৱা ফুল,পৃষ্ঠা— ১৩১,প্ৰকাশক—অসম প্ৰকাশন পৰিষদ, গুৱাহাটী)*



*পদ্যটোৰ 'পাটি' বানানটো অভিধানৰ মতে —'পাটী'।*

জানো আহা

> আজিৰ পৰা পঞ্চাশ বছৰমান আগতে 'ৰঙালী বিহু'ক 'চ'তৰ বিহু' বুলিও কোৱা হৈছিল। আজি-কালি 'চ'তৰ বিহু'ৰ ঠাইত 'ৰঙালী বিহু' বা 'ব'হাগ বিহু' বোলা হয়। 'কাতি বিহু'ক 'কঙালী বিহু' আৰু 'মাঘ বিহু'ক 'ভোগালী বিহু' বোলা হয়।

## ক্ৰিয়া-কলাপ



### ক — পাঠভিত্তিক ক্ৰিয়া

**পদ্যটো শুদ্ধ উচ্চাৰণেৰে স্পষ্টকৈ পঢ়োঁ আহা**

**পদ্যটো আবৃত্তি কৰা।**

**উত্তৰ দিয়া।**

(ক)
- 'বৰদৈচিলা' পদ্যটো কোনে ৰচনা কৰিছে?
- চ'তৰ বিহুত হিল-দল ভাঙি কোনে মাকৰ ঘৰলৈ ঢাপলি মেলিছে?
- বৰদৈচিলাৰ লগৰীয়া কোন?
- মাকে বৰদৈচিলাক কি দিব?
- পদ্যটোৰ শেষত বৰদৈচিলাক কি কৰিবলৈ কাবৌ কৰা হৈছে?

(খ) ● বৰদৈচিলা আহিলে আমাৰ কি কি ক্ষতি হয়?

● বৰদৈচিলাক আদৰণি জনাবলৈ কবিয়ে কি কি কৰাৰ কথা কৈছে?

**শব্দৰ লগত অৰ্থ মিলোৱা—**

| | |
|---|---|
| বৰদৈচিলা | বেগাই যোৱা কাৰ্য |
| ঢাপলি | ৰাজ-আলি, অহা-যোৱা কৰা ৰাস্তা |
| লৰ | ব'হাগ বিহুৰ আগে-পাছে হোৱা ডাঙৰ ধুমুহা |
| কাঁকৈ | চেঁকুৰি যোৱা কাৰ্য |
| ৰাজবাট | চুলিৰ জঁট ভঙা দীঘলীয়া ফণি |
| কেৰু | খুৰা থকা কাঠৰ আসন |
| পীৰা | কাণত পিন্ধা এবিধ অলংকাৰ |

**বৰদৈচিলা মাকৰ ঘৰ আহি পালে কোনে কি দিব লিখা।**

- মাকে ______________________
- বাপেকে ______________________
- ককায়েকে ______________________
- ভায়েকে ______________________

**কাষৰ বৰপীৰাৰ পৰা শব্দ আনি বাক্যবোৰ সম্পূৰ্ণ কৰা।**




(ক) চুলি আঁচুৰিবলৈ ________ ব্যৱহাৰ কৰা হয়।

(খ) ব'হাগ বিহুৰ আগে-পাছে ________ আহে।

(গ) ________ এবিধ কাণত পিন্ধা অলংকাৰ।

(ঘ) সাধাৰণ পীৰাতকৈ ডাঙৰ কাঠৰ আসনক ________ বোলে।

(ঙ) জহকালি ________ পাটীত শুলে গা-মন জুৰ পৰে।

*নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

'মূৰৰ চুলি মেলাই' মানে 'মূৰ আঁচুৰি'। কবিয়ে বৰদৈচিলাক কিহেৰে মূৰ আঁচুৰি যাবলৈ কৈছে?

পদ্যটোৰ মূল কথাখিনি কোৱা আৰু নিজৰ বহীত লিখা।

**খ— ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ)**

**তলত উল্লেখ কৰা শব্দবোৰৰ বিপৰীত অৰ্থ বুজোৱা শব্দ পদ্যটোৰ পৰা বিচাৰি লিখোঁ আহা**

উদাহৰণ — গঢ়ি ....................ভাঙি

(ক) বেগাই ..........................

(খ) উষ্ণ ..............................

(গ) উঠিবলৈ .......................

(ঘ) ইয়াতে .........................



**তলৰ শব্দবোৰেৰে একোটাকৈ বাক্য সাজা।**

বৰদৈচিলা ..............................................................................................

হিল-দল ভাঙি ..............................................................................................

ঢাপলি মেলা ..............................................................................................

শীতল-পাটি (পাটী) ..............................................................................................

মূৰৰ চুলি মেলাই ..............................................................................................

*নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

## জানো আহা



**'মাৰাই** দিব মাধৈ ফুল
**বাপেৰাই** দিব খাৰু,
**ককায়েৰাই** দিব কাপোৰ-কানি
**ভায়েৰাই** দিব কেৰু।'

ওপৰৰ পদ্যফাকিত থকা **'বাপেৰাই'**, **'ককায়েৰাই'**, **'ভায়েৰাই'** আদি পদে পুৰুষ বা পুংলিংগ বুজাইছে আৰু **'মাৰাই'** শব্দটোৱে স্ত্ৰী বা স্ত্ৰীলিংগ বুজাইছে। স্ত্ৰীলিংগত ওপৰৰ শব্দকেইটা **মাৰাই, বায়েৰাই, ভনীয়েৰাই** হ'ব।

## তলত দিয়া শব্দবোৰৰ বিপৰীত লিংগ লিখা।

| পুংলিংগ | স্ত্ৰীলিংগ |
|---|---|
| বাপেক | মাক |
| ককায়েক | |
| ভায়েক | |
| পেহাক | |
| শহুৰেক | |

| স্ত্ৰীলিংগ | পুংলিংগ |
|---|---|
| মাকে | বাপেকে |
| বায়েকে | |
| ভনীয়েকে | |
| পেহীয়েকে | |
| শাহুৱেকে | |

### গ — জ্ঞান সম্প্ৰসাৰণ

## জানো আহা

কিংবদন্তি মতে বৰদৈচিলা এগৰাকী দেৱীৰ নাম। বছৰেকত এবাৰ ব'হাগ বিহুৰ সময়ত তেওঁ মাকৰ ঘৰলৈ আহে আৰু কিছুদিন পাছত নিজৰ ঘৰলৈ উভতি যায়। মাকৰ ঘৰলৈ এইদৰে অহা-যোৱা কৰোঁতে প্ৰবল বেগেৰে গতি কৰাৰ ফলত ধুমুহাৰ সৃষ্টি হয়।

এই কিংবদন্তিৰ আধাৰতে কবিয়ে বৰদৈচিলাক বিভিন্ন ধৰণে বৰ্ণনা কৰাৰ লগতে অনুৰোধো জনাইছে। কবিৰ এই অনুৰোধৰ লগত কিছুমান লোক-বিশ্বাস জড়িত হৈ আছে।

*☞ নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

উদাহৰণ স্বৰূপে, আজিও আমাৰ গাঁও অঞ্চলত বৰদৈচিলা অহাৰ সময়ত সহজ-সৰল গাঁৱৰ মানুহে চোতালত বৰপীৰা পাৰি দি তাৰ ওপৰত আৰ্চি, ফণি থৈ তেওঁক মূৰ ফণিয়াই শান্ত হ'বলৈ অনুৰোধ জনায়।

বৰদৈচিলা শব্দটো বহুতে বড়ো ভাষাৰ 'বৰ' (বতাহ), 'দৈ' (পানী) আৰু 'চিখ্‌লা' (গাভৰু বা গোসাঁনী) শব্দৰে গঠন হোৱা বুলি ভাবে। গতিকে শব্দটোৰ অৰ্থ হ'ব বতাহ-বৰষুণৰ গোসাঁনী।

**বৰদৈচিলাক বাপেকে খাৰু আৰু ভায়েকে কেৰু দিছে। ইয়াৰ বাহিৰে আৰু কি কি অসমৰ গহনা-গাঁঠৰি আছে লিখা।**

**ধুমুহা আহিলে তুমি কি কি সাৱধানতা ল'ব লাগে শিক্ষক বা অভিভাৱকক সুধি জানি লোৱা।**

**তোমালোকৰ অঞ্চলত কি কি লোক-উৎসৱ পালন কৰা হয় লিখা।**

জানো আহা

দুটা শব্দ লগ হৈ বা যোৰ হৈ গঠন হোৱা শব্দকে যুৰীয়া শব্দ বোলে।
উদাহৰণ— গছ-গছনি, ঘৰ-দুৱাৰ।
যুৰীয়া শব্দ তিনি প্ৰকাৰৰ—
কিছুমান যুৰীয়া শব্দত থকা দুয়োটা শব্দই প্ৰায় একে অৰ্থকে বুজায়। যেনে - পৰ্বত-পাহাৰ, গছ-গছনি।
কিছুমান যুৰীয়া শব্দই সিহঁতৰ নিজৰ অৰ্থৰ উপৰি এটি সমূহীয়া অৰ্থ বুজায়। যেনে- কাপোৰ-কানি, টকা-পইচা।
কিছুমান যুৰীয়া শব্দৰ দুয়োটা শব্দই অৰ্থৰ সমাহাৰ বুজায়। যেনে- ভাল-বেয়া, সুখ-দুখ।

☞ *মোৰ মা, তোৰ মাৰ, তোমাৰ মাৱা আৰু তাৰ মাক — এনেদৰে পুৰুষ অনুসৰি বিভিন্ন সম্বন্ধবাচক শব্দৰ যে পৰিৱৰ্তন হয় তাক বুজাই ক'ব।*

**পদ্যটোত থকা যুৰীয়া শব্দবোৰ বাছি উলিয়াই লিখা।**

**তলত কেইটামান সাঁথৰ দিয়া হৈছে। সেইবোৰৰ উত্তৰ কাষত ছবিৰে সানমিহলিকৈ দিয়া আছে। আঁচ টানি সঠিক উত্তৰটো মিলোৱা।**



(ক) মাত আছে মানুহ নাই
ঘৰ আছে দুৱাৰ নাই—

(খ) ঢাপে ঢাপে গ'লোঁ
ঢাপলিকা পালোঁ
কুটি-বাছি থৈ
ছমাহলৈ খালোঁ—

(গ) চাৰিটাকৈ ভৰি মোৰ
হাত হ'লে দুখন
আনক মই কোলাত লওঁ
যিমানেই হওক ওজন—



**(ঘ) প্ৰকল্প**

- **যিকোনো প্ৰাকৃতিক দুৰ্যোগৰ ছবি বাতৰি কাকত বা আলোচনীৰ পৰা সংগ্ৰহ কৰা। পুৰণি কেলেণ্ডাৰৰ খালী পৃষ্ঠাত সেইবোৰ আঠা লগোৱা। তলত প্ৰত্যেকটো দুৰ্যোগৰ নাম লিখা।**

*☞ বৰদৈচিলা আহিলে কি কি সাৱধানতা ল'ব লাগে তাক বুজাই দিব।*

*☞ নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

## পাঠ ১০

### পাঠটোৰ পৰা আহৰণ কৰিবলগীয়া অৰ্হতা

- পদ্যটো পঢ়ি বুজি পোৱা আৰু আবৃত্তি কৰিব পৰা
- পদ্যটোৰ মুল কথাখিনি ক'ব আৰু লিখিব পৰা
- বৰদৈচিলানো কি সেই বিষয়ে অৱগত হোৱা
- নতুন শব্দৰ লগত চিনাকি হোৱা
- যুৰীয়া শব্দৰ বিষয়ে জনা আৰু লিখিব পৰা
- পুৰুষ অনুসৰি সম্বন্ধবাচক শব্দৰ পুংলিংগ আৰু স্ত্ৰীলিংগ ৰূপ জনা
- সাঁথৰ ক'ব আৰু ভাঙিব জনা
- প্ৰাকৃতিক দুৰ্যোগৰ নাম জনা
- প্ৰাকৃতিক দুৰ্যোগৰ সময়ত ল'বলগীয়া সাৱধানতাৰ বিষয়ে জনা

### শিকাৰুৰ পাঠভিত্তিক অৰ্হতাৰ মূল্যায়ন

| পদ্য | পদ্যটো শুদ্ধ উচ্চাৰণেৰে পঢ়িব পৰা | পদ্যটো আবৃত্তি কৰিব পৰা | পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ ক'ব আৰু লিখিব পৰা | শব্দৰ অৰ্থ জনা | বাক্য সম্পূৰ্ণ কৰিব পৰা | |
|---|---|---|---|---|---|---|
| | | | | | | |
| ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ) | পুৰুষ অনুসৰি সম্বন্ধবাচক শব্দৰ পুংলিংগ আৰু স্ত্ৰীলিংগ ৰূপ জনা | বাক্য ৰচনা কৰিব পৰা | যুৰীয়া শব্দৰ বিষয়ে জনা আৰু এইবোৰ শব্দ বাছি উলিয়াব পৰা | বিপৰীত অৰ্থ বুজোৱা শব্দ লিখিব পৰা | | |
| | | | | | | |
| জ্ঞান সম্প্ৰসাৰণ | অসমীয়া গহনা-গাঁঠৰিৰ নাম ক'ব পৰা | ধুমুহাত ল'ব লগীয়া সাৱধানতাৰ বিষয়ে ক'ব পৰা | অঞ্চল বিশেষে পালন কৰা লোক উৎসৱৰ বিষয়ে ক'ব পৰা | সাঁথৰ ভাঙিব পৰা | | |
| | | | | | | |
| প্ৰকল্প | প্ৰাকৃতিক দুৰ্যোগৰ ছবি বাতৰি কাকত বা আলোচনীৰ পৰা সংগ্ৰহ কৰিব পৰা | প্ৰাকৃতিক দুৰ্যোগৰ নাম লিখিব পৰা | | | | |
| | | | | | | |

☞ *অৰ্হতা আয়ত্ত হ'লে ওপৰৰ তালিকাখনৰ তলৰ খালী ঘৰত ✓ চিন দিব আৰু নহ'লে ✗ চিন দিব। অৰ্হতা আয়ত্ত নোহোৱা শিকাৰুক অতিৰিক্তভাৱে শিকাই পুনৰ মূল্যায়ন কৰিব।*

পাঠ ১১

# ব্ৰহ্মপুত্ৰ


ল্ল ণ্ঢ ষ্প ষ্প্ৰ ষ্ক্ৰ ন্ত্ৰ



অসম এখন নদীমাতৃক দেশ। অসমৰ প্ৰধান নদী ব্ৰহ্মপুত্ৰ। এই নদী অসমৰ পূবে শদিয়াৰ পৰা পশ্চিমে ধুবুৰী জিলালৈকে বৈ গৈছে। পুৰণি আখ্যান মতে ব্ৰহ্মপুত্ৰ ব্ৰহ্মাৰ পুত্ৰ। ব্ৰহ্মাৰ পুত্ৰ হোৱাৰ বাবে এই নদীক নদ বুলিও কোৱা হয়।

ব্ৰহ্মপুত্ৰ হিমালয় পৰ্বতৰ মানস সৰোবৰৰ পৰা ওলাইছে। ই বিভিন্ন ঠাইৰ মাজেৰে বৈ আহোঁতে বিভিন্ন নাম লৈছে। অসমত ইয়াক লুইত নামেৰেও জনা যায়। অসমৰ বহুতো উপনদী এই নদীত পৰিছেহি। ইয়াৰ ফলত ব্ৰহ্মপুত্ৰ নদী অধিক শক্তিশালী আৰু বিশাল হৈ উঠিছে। ব্ৰহ্মপুত্ৰৰ উপনদীবিলাকৰ ভিতৰত— সোৱণশিৰি, কপিলী, দিচাং, দিখৌ, দিহিং, দিবং, ভোগদৈ, ধনশিৰি, ভৰলী, পাগ্‌লাদিয়া, মানাহ, আই আদিয়েই উল্লেখযোগ্য। হিমালয়ৰ চিৰতুষাৰ অঞ্চলৰ পৰা ওলোৱা বাবে ব্ৰহ্মপুত্ৰত বাৰমাহে পানী থাকে। ঠিক তেনেদৰে ৰাছিয়াৰ ভল্গা নদীতো বাৰ মাহে পানী পোৱা যায়।

অসমৰ কেইবাখনো নগৰ এই নদীৰ পাৰতে গঢ়ি উঠিছে। এইবোৰৰ ভিতৰত গুৱাহাটী, ডিব্ৰুগড়, তেজপুৰ, ধুবুৰী আদিয়েই প্ৰধান। পৃথিৱীৰ আটাইতকৈ ডাঙৰ নদী-দ্বীপ মাজুলী। এই মাজুলী ব্ৰহ্মপুত্ৰৰে সৃষ্টি। বাৰিষা কালত হোৱা ধাৰাসাৰ বৰষুণৰ ফলত ব্ৰহ্মপুত্ৰৰ পানীভাগ ওফন্দি উঠে। তাৰ ফলত বানপানীৰ সৃষ্টি হয়। বানপানীয়ে কাষৰীয়া অঞ্চল বুৰাই পলস পেলায়। এই পলসে অসমৰ মাটি সাৰুৱা কৰে। ব্ৰহ্মপুত্ৰৰ বুকুৱেদি জল পৰিবহণৰো সুব্যৱস্থা আছে। শৰাইঘাট দলং, কলীয়াভোমোৰা দলং আৰু নৰনাৰায়ণ সেঁতুৱে এই নদীৰ দুয়োপাৰ ওচৰ চপাই যাতায়াতৰ সুবিধা কৰি দিছে। আনহাতে লুইতৰ বানপানীয়ে খেতি- বাতি, ঘৰ-দুৱাৰ নষ্ট কৰে। মানুহৰ লগতে গৰু, ম'হ আদি জন্তুবোৰৰো অনিষ্ট সাধন কৰে।



ব্ৰহ্মপুত্ৰ নদীত প্ৰচুৰ পৰিমাণে মাছ, কাছ, শিহু আদি পোৱা যায়। মাছমৰীয়াসকলে ব্ৰহ্মপুত্ৰ নদীত মাছ মাৰে। সেই মাছ বিক্ৰী কৰি তেওঁলোকে জীৱিকা নিৰ্বাহ কৰে। ব্ৰহ্মপুত্ৰ প্ৰকৃততে অসমৰ প্ৰাণ স্বৰূপ জীৱনীশক্তি। ব্ৰহ্মপুত্ৰক কেন্দ্ৰ কৰি আমাৰ সভ্যতা, সংস্কৃতি গঢ় লৈ উঠিছে। শিল্পীৰ কণ্ঠত ব্ৰহ্মপুত্ৰৰ মাহাত্ম্য এনেদৰে ফুটি উঠিছে—

**মহাবাহু ব্ৰহ্মপুত্ৰ**
**মহামিলনৰ তীৰ্থ**
**কত যুগ ধৰি আহিছে প্ৰকাশি**
**সমন্বয়ৰ অৰ্থ**

*(গীতিকাৰ, গায়ক ড° ভূপেন হাজৰিকা)*

☞ *গীতটো সংগ্ৰহ কৰি গাবলৈ শিকাব।*

**ক্ৰিয়া-কলাপ**

## ক — পাঠভিত্তিক ক্ৰিয়া

**পাঠটো পঢ়া আৰু উত্তৰ দিয়া।**

(ক) অসমৰ প্ৰধান নদীখনৰ নাম কি?

(খ) এই নদীখনক নদ বুলি কোৱাৰ কাৰণ কি?

(গ) ব্ৰহ্মপুত্ৰ নদীখন ক'ৰ পৰা ওলাইছে?

(ঘ) অসমত ব্ৰহ্মপুত্ৰ নদীক আমি আন কি নামেৰে জানো?

(ঙ) পৃথিৱীৰ আটাইতকৈ ডাঙৰ নদী-দ্বীপটোৰ নাম কি?

(চ) ব্ৰহ্মপুত্ৰ নদীত প্ৰচুৰ পৰিমাণে কি কি পোৱা যায়?

(ছ) ব্ৰহ্মপুত্ৰৰ পানী কেতিয়া ওফন্দি উঠে?

**উত্তৰ লিখা।**

(ক) ব্ৰহ্মপুত্ৰ নদীৰ উপনৈবোৰৰ নাম লিখা।

(খ) ব্ৰহ্মপুত্ৰ নদীৰ পাৰত গঢ়ি উঠা তিনিখন নগৰৰ নাম লিখা।

(গ) ব্ৰহ্মপুত্ৰ নদীৰ ওপৰত থকা দলং তিনিখনৰ নাম লিখা।

**ব্ৰহ্মপুত্ৰক কেন্দ্ৰ কৰি আমাৰ সভ্যতা, সংস্কৃতি কেনেকৈ গঢ় লৈ উঠিছে লিখা।**

**শব্দ-সম্ভাৰ আৰু অভিধান চাই অৰ্থ লিখা।**

| | | | |
|---|---|---|---|
| ধাৰাসাৰ | পৰিবহণ | নদীমাতৃক | সভ্যতা |
| সংস্কৃতি | জীৱিকা | অন্যতম | ওফন্দি |

## খ —ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ)

  যুক্তাক্ষৰ ভাঙি পঢ়া আৰু লিখা।

ভল্গা ল্গ = ল + গ লই গই ল্গ

ল্গ ল + গ লই গই ল্গ — ভল্গা বল্গা

ণ্ঢ ণ + ঢ ণই ঢই ণ্ঢ — সণ্ঢালন সণ্ঢালনি

ষ্প ষ + প ষই পই ষ্প — বাষ্প পুষ্প

ত্ম্য ত + ম + য় তই মই ত্ম তাত য় কাৰে ত্ম্য — মাহাত্ম্য দৌৰাত্ম্য

ষ্প্র ষ + প + ৰ ষই পই ষ্প তাত ৰ কাৰে ষ্প্র — নিষ্প্রাণ দুষ্প্রাপ্য

ষ্ক্র ষ + ক + ৰ ষই কই ষ্ক তাত ৰ কাৰে ষ্ক্র — নিষ্ক্রিয় নিষ্ক্রান্ত

ন্ত্র ন + ত + ৰ নই তই ন্ত তাত ৰ কাৰে ন্ত্র — মন্ত্র যন্ত্র

যুক্তাক্ষৰ গঠন কৰা।

ল + গ লই গই ল্গ

ণ + ঢ ণই ঢই ণ্ঢ

ষ + প ষই পই ষ্প

ত + ম + য় তই মই ত্ম তাত য় কাৰে ত্ম্য

ষ + প + ৰ ষই পই ষ্প তাত ৰ কাৰে ষ্প্র

ষ + ক + ৰ ষই কই ষ্ক তাত ৰ কাৰে ষ্ক্র

ন + ত + ৰ নই তই ন্ত তাত ৰ কাৰে ন্ত্র

 যুক্তাক্ষৰবোৰেৰে একোটাকৈ শব্দ গঠন কৰা।

ণ্ঢ [ ] ষ্প [ ] ষ্প্র [ ] ষ্ক্র [ ] ন্ত্র [ ] ত্ম [ ]

  পঢ়োঁ আহা

**ব্ৰহ্মপুত্ৰত থকা শিহু বৰ্তমান দুষ্প্ৰাপ্য হৈ আহিছে।**

**ব্ৰহ্মপুত্ৰৰ নিচিনা ভল্লাও এখন ডাঙৰ নদী।**

**সণ্টালনি মানে সকলোৰে জনা শুনা।**

**তাহানিৰে পৰা আমাৰ গীতিকাৰসকলে ব্ৰহ্মপুত্ৰ নদীক লৈ গীত ৰচনা কৰিছে।**

 **যুক্তাক্ষৰ ভাঙি লিখা।**

হ্ম— □ + □　　　　ষ্ট — □ + □

ন্ত্ত — □ + □ + □　　　　ন্ত্ৰ — □ + □ + □

ক্ত— □ + □　　　　স্কৃ— □ + □ + □

  **দফাটো পঢ়া আৰু তাত থকা নাম বুজোৱা শব্দবোৰ বাছি উলিয়াই লিখা।**

ব্ৰহ্মপুত্ৰ হিমালয় পৰ্বতৰ মানস সৰোবৰৰ পৰা ওলাইছে। ই বিভিন্ন ঠাইৰ মাজেৰে বৈ আহোঁতে বিভিন্ন নাম লৈছে। অসমত ইয়াক লুইত নামেৰেও জনা যায়।

________　________　________　________

________　________　________　________

 **তলত দিয়া বাক্যবোৰৰ আঁচ টনা পদবোৰত লগ লাগি থকা শব্দবিভক্তিবিলাক পৃথক কৰি দেখুওৱা।**

<u>অসমৰ</u> বহুতো উপনদী এই <u>নদীত</u> পৰিছে।

উদাহৰণ—

| বাক্যত ব্যৱহাৰ হোৱা ৰূপ | শব্দৰ মূল ৰূপ | যোগ হোৱা শব্দ |
|---|---|---|
| অসমৰ | অসম | ৰ (অৰ) |

*নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

## গ— জ্ঞান সম্প্ৰসাৰণ

### জানো আহা

ব্ৰহ্মপুত্ৰ নদীক কেন্দ্ৰ কৰি বহুতো লোকে জীৱিকা নিৰ্বাহ কৰে। জীৱিকাৰ বাবে কোনে কি কৰে—

মাছমৰীয়াই — মাছ মাৰি জীৱিকা নিৰ্বাহ কৰে।

নাৱৰীয়াই — নাও হ'ল জল পৰিৱহণৰ স্থানীয় যান। নাৱেৰে যাত্ৰী অনা-নিয়া, কাঠ, বাঁহ, মাটিৰ বাচন আদি সামগ্ৰী কঢ়িওৱা কাম কৰি জীৱিকা নিৰ্বাহ কৰে।

ঘাটোৱালে — নৈৰ ঘাট ৰখে; নাও বা জাহাজৰ পৰা উঠা-নমাত সহায় কৰে।

ফেৰীচালকে — নদীপথত যাতায়াতৰ বাবে ফেৰী চলায়।

পানীভাৰীয়ে — ভাৰেৰে পানী কঢ়িয়াই বিতৰণ কৰে।

মহলদাৰে — মহল বা খণ্ডৰ কৰ-কাটল সংগ্ৰহ কৰে।

**নদীক কেন্দ্ৰ কৰি গঢ়ি উঠা ব্যৱসায়, জীৱিকাৰ নাম লিখা।**

### জানো আহা

মাজুলী— পৃথিৱীৰ বৃহত্তম নদী-দ্বীপ মাজুলী। ই অসমৰ গৌৰৱ। এই দ্বীপটো অসমীয়া সংস্কৃতিৰ কেন্দ্ৰস্থল। অসমৰ বিখ্যাত চাৰি সত্ৰৰ মিলনভূমি মাজুলী হৰিনামৰ বৰভেটি। বিভিন্ন সত্ৰ, থান, নামঘৰেৰে পৰিপূৰ্ণ মাজুলীৰ জনসাধাৰণে শংকৰী কৃষ্টি-সংস্কৃতি জীয়াই ৰাখি ইয়াৰ পৰিৱেশ জীপাল কৰি ৰাখিছে। মাজুলী হ'ল সত্ৰীয়া পৰম্পৰাৰ কেন্দ্ৰস্থল। মাজুলী বিভিন্ন জনগোষ্ঠীৰ সমন্বয়থলী। এনে এখন কৃষ্টি-সংস্কৃতিৰে পৰিপূৰ্ণ মাজুলী বিশ্ব ঐতিহ্য ক্ষেত্ৰলৈ পৰ্যৱসিত হ'ব বুলি অসমবাসী আশাবাদী।

**মাজুলীৰ বিষয়ে চমুকৈ লিখা।**

## জানি লোৱা

> ৰচনা হ'ল কোনো এটা বিষয়ৰ বৰ্ণনা বা বিৱৰণ। ৰচনা লিখিবলৈ হ'লে আমি তলত দিয়া ভাগ অনুসৰি লিখিব লাগিব—
>
> ১। আৰম্ভণি
> ২। বিৱৰণ
> ৩। উপকাৰিতা
> ৪। অপকাৰিতা
> ৫। সামৰণি
>
> ৰচনা লিখোঁতে এটা কথা মনত ৰাখিবা, সকলো বিষয়বস্তুৰে অপকাৰিতা নাথাকে।

**গৰুৰ বিষয়ে তলৰ বাক্যকেইটা ৰচনাৰ ক্ৰমত সজাই লিখা।**

গৰুৰ নেজ এডাল। গাই গৰুৱে গাখীৰ দিয়ে। গৰু বিভিন্ন বৰণৰ আছে। গৰুৰ প্ৰধান আহাৰ ঘাঁহ। প্ৰবাদ আছে, "যাৰ নাই গৰু সি সবাতোকৈ সৰু।" গোবৰ সাৰ হিচাপে ব্যৱহাৰ কৰা হয়। গৰুৰ কাণ দুখন, চকু দুটা। বলধ গৰুৱে হাল বায় আৰু মৰণা মাৰে। গৰু উপকাৰী জন্তু। ই শান্ত প্ৰকৃতিৰ। গৰু এবিধ চাৰিঠেঙীয়া ঘৰচীয়া জন্তু।

**নদীৰ উপকাৰিতা আৰু অপকাৰিতাৰ বিষয়ে লিখা।**

| উপকাৰিতা | অপকাৰিতা |
|---|---|
| ১ | ১ |
| ২ | ২ |
| ৩ | ৩ |
| ৪ | ৪ |
| ৫ | ৫ |

☞ *নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

### জানো আহা

> প্ৰকৃতিৰ কোনো বিপৰ্যয়কে মানুহে বাধা দিব নোৱাৰে। আগতীয়াকৈ সাৱধানতা অৱলম্বন কৰিলে সেইবোৰৰ পৰা হ'ব পৰা অনিষ্ট কিছু লাঘৱ কৰিব পাৰি। তেনে কিছুমান দুৰ্যোগ হ'ল— ভূমিকম্প, বানপানী, ধুমুহা-বতাহ, ছুনামি, খৰাং বতৰ আদি।

**নাৱৰীয়া, আৰক্ষী, ডুবাৰু, অগ্নিনিৰ্বাপক বাহিনী, ডাক্তৰ— এইসকল তলত উল্লেখ কৰা কি কি কামৰ লগত জড়িত লিখা।**

(ক) কোনোবা পানীত ডুবিলে উদ্ধাৰ কৰে ..............................................

(খ) জুই লাগিলে নুমুওৱাত সহায় কৰে ..............................................

(গ) নদী ইপাৰ-সিপাৰ কৰোৱায় ..............................................

(ঘ) আইন শৃঙ্খলা ৰক্ষা কৰে ..............................................

(ঙ) ৰোগীক চিকিৎসা কৰে ..............................................


### ঘ— প্ৰকল্প

- **ব্ৰহ্মপুত্ৰক লৈ লিখা কবিতা আৰু গীত সংগ্ৰহ কৰি সেইবোৰৰ এখন পুস্তিকা প্ৰস্তুত কৰা।**
- **অসমৰ মানচিত্ৰখন সংগ্ৰহ কৰা আৰু তাত থকা ব্ৰহ্মপুত্ৰ নদীৰ দুয়োপাৰে কি কি চহৰ-নগৰ গঢ়ি উঠিছে চাই চাই লিখা।**

☞ *ইতিমধ্যে ছাত্ৰ-ছাত্ৰীয়ে আগৰ পাঠ্যপুথিৰ পৰা প্ৰাকৃতিক দুৰ্যোগৰ বিষয়ে জানিব পাৰিছে। সেয়েহে বাতৰি কাকত, দূৰদৰ্শনত প্ৰকাশ পোৱা এই প্ৰাকৃতিক দুৰ্যোগসমূহৰ পৰা ৰক্ষা পাবলৈ অৱলম্বন কৰা সাৱধানতাৰ বিষয়ে তেওঁলোকক জনাব।*

☞ *নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

ছবিখন ভালদৰে পৰ্যৱেক্ষণ কৰি বৰ্ণনা কৰা।



পাঠ ১১

## পাঠটোৰ পৰা আহৰণ কৰিবলগীয়া অৰ্হতা

- পাঠটো পঢ়ি বুজি পোৱা আৰু পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ কব আৰু লিখিব পৰা
- অসমৰ প্ৰধান নদী ব্ৰহ্মপুত্ৰ আৰু অন্যান্য উপনদীৰ বিষয়ে জনাৰ উপৰি ভৌগোলিক জ্ঞান আহৰণ কৰিব পৰা
- অসমৰ বানপানীৰ সমস্যা, বানপানীৰ উপকাৰিতা আৰু অপকাৰিতা সম্পৰ্কে জনা আৰু দুৰ্যোগ ব্যৱস্থাপনাৰ বিষয়ে জানিবলৈ আগ্ৰহী হোৱা
- নদীৰ উপকাৰিতা আৰু অপকাৰিতাৰ বিষয়ে জনা
- ব্ৰহ্মপুত্ৰক কেন্দ্ৰ কৰি গঢ় লৈ উঠা অসমৰ সভ্যতা, সংস্কৃতি, অৰ্থনীতি সম্পৰ্কে জনা
- ৰচনা লিখাৰ ধাৰণা পোৱা আৰু লিখিব পৰা
- নদী-দ্বীপ মাজুলীৰ বিষয়ে জনা
- ছবি পৰ্যৱেক্ষণ কৰি কাহিনী সজাই ক'ব পৰা

## শিকাৰুৰ পাঠভিত্তিক অৰ্হতাৰ মূল্যায়ন

| | | | | | | |
|---|---|---|---|---|---|---|
| **ৰচনা** | ৰচনাধৰ্মী পাঠ পঢ়ি বুজি পোৱা | পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ ক'ব আৰু লিখিব পৰা | পাঠত থকা নতুন শব্দৰ অৰ্থ জনা | পাঠভিত্তিক উক্তি বহলাই লিখিব পৰা | | |
| | | | | | | |
| **ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ)** | ণ্ঢ, ষ্প, ষ্প্ৰ, ক্ৰ, ন্ত্ৰ, ত্ম্য — যুক্তাক্ষৰ ভাঙি পঢ়িব পৰা | ণ্ঢ, ষ্প, ষ্প্ৰ, ক্ৰ, ন্ত্ৰ, ত্ম্য — যুক্তাক্ষৰ গঠন কৰিব পৰা | যুক্তাক্ষৰযুক্ত শব্দ গঠন কৰি পঢ়িব পৰা | বাক্য পঢ়িব পৰা | নাম বুজোৱা শব্দ চিনাক্ত কৰিব পৰা | বাক্যত বিভক্তিযুক্ত পদবোৰ বাছিব পৰা |
| | | | | | | |
| **জ্ঞান সম্প্ৰসাৰণ** | কোনো বিষয়ৰ বৰ্ণনা কৰিব পৰা | ৰচনা লিখাৰ কৌশল আয়ত্ত কৰা | ক্ৰমত লিখিব পৰা | নদীৰ উপকাৰিতা সম্বন্ধে জনা | প্ৰাকৃতিক দুৰ্যোগসমূহৰ পৰা ৰক্ষা পাবৰ উপায় জনা | জীৱিকাৰ বাবে অৱলম্বন কৰা বৃত্তিবোৰৰ নাম জনা |
| | | | | | | |
| | নদী-দ্বীপ মাজুলীৰ বিষয়ে জনা | | | | | |
| | | | | | | |
| **প্ৰকল্প** | অসমৰ মানচিত্ৰ চাই ব্ৰহ্মপুত্ৰৰ দুয়োপাৰে থকা নগৰ-চহৰ চিনাক্ত কৰিব পৰা | কিতাপ, আলোচনী, বাতৰিকাকত আদিৰ পৰা কবিতা, গীত সংগ্ৰহ কৰি পুস্তিকা প্ৰস্তুত কৰি পৰা | | | | |
| | | | | | | |

☞ *অৰ্হতা আয়ত্ত হ'লে ওপৰৰ তালিকাখনৰ তলৰ খালী ঘৰত ✓ চিন দিব আৰু নহ'লে ✗ চিন দিব। অৰ্হতা আয়ত্ত নোহোৱা শিকাৰুক অতিৰিক্তভাৱে শিকাই পুনৰ মূল্যায়ন কৰিব।*

পাঠ ১২

# আজৰি পৰৰ কাম

V6F3J3




কথোপকথনৰ জৰিয়তে খেলা, সাধু শুনা, পানী অনা, মাক-দেউতাকক পাচলি বাগিচাত, ফুলনিত সহায়-সহযোগ কৰা আদিৰ বিষয়ে আলোচনা কৰিব।




**ক্রিয়া-কলাপ**

## ক —পাঠভিত্তিক ক্রিয়া

**উত্তৰ দিয়া।**

১। কোনে কি কৰিছে ছবি চাই কোৱা।

২। তোমালোকে মাৰা-দেউতাৰাক কি কি কামত সহায় কৰা ?

৩। তোমালোকে আজৰি পৰত কি কি কাম কৰা ? সেই কামবোৰৰ বিষয়ে কোৱা।

৪। যিকোনো এবিধ ফুল সংগ্ৰহ কৰি, সেই ফুলৰ ৰং কি আৰু পাহিৰ সংখ্যা কিমান ইত্যাদি চাই তিনিটা বাক্য লিখা।

## খ —ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ)

**তলৰ বাক্যবোৰত শব্দবোৰ খেলি-মেলিকৈ আছে। সজাই পৰাই লিখা।**

| | |
|---|---|
| (ক) ভাল খেলি কেৰম পাওঁ মই। | **মই কেৰম খেলি ভাল পাওঁ।** |
| (খ) ভিতৰত কৰি কাম আছে মায়ে। | |
| (গ) ধুইছে ৰীমাই কাপোৰ পাৰত কুঁৱাৰ। | |

  **তলৰ যুক্তাক্ষৰবোৰ ভাঙি দেখুওৱা।**

প্ৰ ন্দ ন্ধ ক্ৰ স্তু

 **তলৰ শব্দবোৰ ব্যৱহাৰ কৰি বাক্য সাজা।**

প্ৰশংসা চোতাল কাঁহী চিকুণাই তিৰ্‌বিৰ্

## গ—জ্ঞান সম্প্ৰসাৰণ

 **পঢ়োঁ আহা**

এইবাৰ গৰমৰ বন্ধত চন্দন আৰু প্ৰীতমে গাঁৱলৈ গৈ কেইদিনমান থকাৰ কথা ভাবিলে। সিহঁতে গাঁৱৰ ককাকৰ ঘৰখন বৰ ভাল পায়। সৰুতে সিহঁত দুয়ো মাক-দেউতাকৰ লগত ককাকৰ ঘৰলৈ গৈছিল। এতিয়া দুয়ো ডাঙৰ হ'ল। দুয়ো নিজে ককাকৰ ঘৰলৈ যাব পৰা হ'ল। সেইবাবে গৰমৰ বন্ধত দেউতাকে সিহঁতক গাড়ীত উঠাই দি ককাকৰ ঘৰলৈ পঠিয়ালে।

ককাকৰ ঘৰলৈ আহি আনন্দত সিহঁতৰ হিয়া নধৰা হ'ল। ককাকৰ লগত সময় কটাই দুয়ো ইটো-সিটো কৰিবলৈ ধৰিলে। চন্দনে মন কৰিলে যে ককাকে বৰ সোনকালে শুই উঠি পুৱাৰ মুকলি বতাহ ল'বলৈ যায়। সি প্ৰীতমক পাছদিনাৰ পৰা সোনকালে উঠি ককাকৰ লগত ফুৰিবলৈ যোৱাৰ প্ৰস্তাৱ দিলে। পুৱা ফুৰাটো স্বাস্থ্য আৰু মনৰ কাৰণে কিমান যে ভাল সেইকথা তেওঁলোকে অনুভৱ কৰিলে।

গাঁৱলৈ গৈ তেওঁলোকে দোকমোকালিতে বিছনা এৰা, খোজ কঢ়া, পুৱাৰ মুকলি বতাহ লোৱা, আজৰি সময়ত শাকনি বাৰী, ফুলনি বাৰীত কাম কৰাৰ অভ্যাস কৰিলে। তদুপৰি ককাকে সিহঁতক সময়ৰ সৎ ব্যৱহাৰ কৰাৰ কথাও শিকালে। আগতে সিহঁতে স্কুলৰ পৰা আহি নতুবা বন্ধৰ দিনত খেলি শুই সময় কটাইছিল। কিন্তু এতিয়াৰ পৰা সিহঁতে সময়ৰ সৎ ব্যৱহাৰ কৰাৰ আঁচনি ল'লে। সিহঁতে ঘৰৰ আগফাল চিকুণাই ফুলনি পাতিলে। ককাকে শিকোৱা মতে সন্ধিয়া হাত-ভৰি ধুই প্ৰাৰ্থনা কৰাৰ অভ্যাস কৰিলে। তদুপৰি ককাকে এই

☞ *নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

বয়সতো নিজৰ কাম নিজে কৰা দেখি সিহঁত সঁচাকৈয়ে পুলকিত হ'ল। এতিয়া সিহঁতে আৰু নিজৰ কাম আনক কৰিবলৈ নিদিয়ে। আজৰি সময়ত মাক বা দেউতাকক সহায় কৰে।



**উত্তৰ দিয়া।**

(ক) ১। চন্দন আৰু প্ৰীতম কেতিয়া গাঁৱৰ ঘৰলৈ গৈছিল?

২। গাঁৱত তেওঁলোকৰ কোন আছিল?

৩। তেওঁলোকে গাঁৱৰ ঘৰলৈ কিহেৰে গৈছিল?

৪। ককাকে ৰাতিপুৱা কি কৰে?

(খ) ১। চন্দন আৰু প্ৰীতমে ককাকৰ পৰা কি কি শিকিলে?

২। তেওঁলোকে ঘৰলৈ আহি কি কৰাৰ কথা ভাবিলে?

৩। সন্ধিয়া তেওঁলোকে ঘৰত কি কৰে?

৪। নিজৰ কাম নিজে কৰাটো তেওঁলোকে কাৰ পৰা শিকিলে?

(গ) মিতিৰ-কুটুমৰ ঘৰলৈ গৈ তুমি লাভ কৰা অভিজ্ঞতাৰ কথা বৰ্ণনা কৰা। সেই অভিজ্ঞতাই তোমাৰ স্বভাৱৰ কি কি সাল-সলনি কৰিলে কোৱা।



**আকস্মিক বক্তৃতাৰ খেল খেলোঁ আহা**

☞ *প্ৰতিজন ছাত্ৰ-ছাত্ৰীক অংশগ্ৰহণ কৰোৱাই খেলটো খেলাব।*





**তোমাৰ ঘৰত/ওচৰত আখৰ চিনি নোপোৱা কোনোবা আছেনে? যদি আছে তেওঁক তুমি কেনেকৈ লেখা-পঢ়া শিকাবা সেই বিষয়ে কোৱা আৰু লিখা।**



**আজৰি পৰত তোমালোকে নিজৰ উপৰি আনৰ বাবে কি কি কৰা লিখা।**

- ওচৰ-চুবুৰীয়াৰ বাবে
- কেও কিছু নথকা অক্ষম/বৃদ্ধলোকৰ বাবে
- ৰুগীয়া লোকৰ বাবে
- তোমাতকৈ সৰুবোৰৰ বাবে



## ঘ—প্ৰকল্প

- **প্ৰত্যেক সপ্তাহত পাঁচোটাকৈ নতুন শব্দৰ অৰ্থ অভিধান চাই লিখিবা।**

| ক্ৰমিক নম্বৰ | তাৰিখ | **শব্দ** | **অৰ্থ** |
|---|---|---|---|
| | | | |
| | | | |
| | | | |
| | | | |
| | | | |

- **ছবি সংগ্ৰহ কৰি তালিকা প্ৰস্তুত কৰা।**

— ডাক-টিকট

— খেল-ধেমালি / শৰীৰ চৰ্চা

— খেতি-বাতিৰ সঁজুলি

— খেলৰ সঁজুলি

☞ *নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

পাঠ ১২

## পাঠটোৰ পৰা আহৰণ কৰিবলগীয়া অৰ্হতা

- ছবি পৰ্যৱেক্ষণ কৰি ক'ব আৰু লিখিব পৰা
- ঘৰুৱা কাম কৰাৰ প্ৰতি আগ্ৰহী হোৱা আৰু নিজৰ কাম নিজে কৰিব পৰা
- আজৰি সময়ৰ সৎ ব্যৱহাৰ কৰিব পৰা
- আকস্মিক বক্তৃতাত অংশগ্ৰহণ কৰিব পৰা
- পাঠবহিৰ্ভূত দফা পঢ়ি উত্তৰ ক'ব আৰু লিখিব পৰা
- লিখা-পঢ়া নজনাসকলক শিকোঁৱাৰ প্ৰতি আগ্ৰহ জন্মোৱা

## শিকাৰুৰ পাঠভিত্তিক অৰ্হতাৰ মূল্যায়ন

| **ছবি পাঠ** | ছবি পৰ্যৱেক্ষণ কৰিব পৰা | ছবি চাই বৰ্ণনা কৰিব পৰা | আজৰি পৰত কৰা কামৰ বিষয়ে ক'ব পৰা | আজৰি পৰত কৰিবলগীয়া কামৰ নাম ক'ব পৰা | যি কোনো বিষয় চাই সেই সম্পৰ্কে কথা ক'ব পৰা, বাক্য গঠন কৰি লিখিব পৰা | বাক্য সজাই লিখিব পৰা |
|---|---|---|---|---|---|---|
| | | | | | | |
| **ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ)** | প্ৰ, ন্দ, ষ্ক, ক্ৰ, স্ত - যুক্তাক্ষৰকেইটা ভাঙিব আৰু গঠন কৰিব পৰা | যিকোনো শব্দৰে অৰ্থপূৰ্ণ বাক্য গঠন কৰিব পৰা | | | | |
| | | | | | | |
| **জ্ঞান সম্প্ৰসাৰণ** | শুদ্ধকৈ, স্পষ্ট উচ্চাৰণেৰে যিকোনো বৰ্ণনা পঢ়িব পৰা | অতিৰিক্ত পাঠ পঢ়ি প্ৰশ্নৰ উত্তৰ কৰিব পৰা | আকস্মিক বক্তৃতাত অংশগ্ৰহণ কৰিব পৰা | নিজে জনা ভাষাৰ জ্ঞান (স্বৰবৰ্ণ, ব্যঞ্জন বৰ্ণ) আনক শিকাই ভাষাৰ শুদ্ধ প্ৰয়োগ কৰিব পৰা | আজৰি পৰত নিজৰ উপৰি আনৰ বাবে কাম কৰাৰ অভ্যাস গঠন কৰা | |
| | | | | | | |
| **প্ৰকল্প** | অভিধান চাই শব্দৰ অৰ্থ জনা | ছবি সংগ্ৰহ কৰি তালিকা প্ৰস্তুত কৰিব পৰা | | | | |
| | | | | | | |

☞ *অৰ্হতা আয়ত্ত হ'লে ওপৰৰ তালিকাখনৰ তলৰ খালী ঘৰত ✓ চিন দিব আৰু নহ'লে ✗ চিন দিব। অৰ্হতা আয়ত্ত নোহোৱা শিকাৰুক অতিৰিক্তভাৱে শিকাই পুনৰ মূল্যায়ন কৰিব।*

পাঠ ১৩

V8I5X9

# জন্ম-দিনৰ আয়োজন

শ্ন শ্ছ ন্ত ন্ধু



*(সীমান্তৰ মাকে পাকঘৰৰ মজিয়াত বহি পাচলি কাটি থাকিব। কটা পাচলিখিনি একাষৰীয়াকৈ থৈ ঠাইখন মচি মচি ভিতৰলৈ চাই সীমান্তক মাতিব।)*

মাক — সীমান্ত, তোমাৰ টেবুলখন পৰিপাটি কৰা হ'লনে? আহাচোন, মোক অলপ পাকঘৰত সহায় কৰি দিয়াহি। ভন্টিয়েনো কিয় ইমান দেৰি কৰিছে?

সীমান্ত — *(সোমাই আহিব)* মোৰ কাম হ'ল মা। ভন্টি দেউতাৰ লগত বাৰীত আছে। কোৱাচোন তোমাক কি সহায় কৰিব লাগে!

মাক — *(হাত ধুই ধুই)* সৌ ডলাখনত থকা চাউলখিনি টিনটোত ভৰাই থোৱাচোন।

সীমান্ত — *(টিন এটা ডলাখনৰ ওচৰলৈ আনি চাউল ভৰাই ভৰাই ক'ব)* অ' মা, অহা সোমবাৰে যে মোৰ জন্ম-দিন তোমাৰ মনত আছেনে?

মাক — *(হাত দুখন মচি সীমান্তৰ ওচৰলৈ গৈ মূৰত হাত ফুৰাই ক'ব)* আছে সোণ, তোমাৰ জন্ম-দিনটো মোৰ মনত নাথাকিবনে? তোমাৰ হৈ নামঘৰত শৰাই এখন আগবঢ়াম বুলি ভাবিয়েই থৈছোঁ।

সীমান্ত — *(আবদাৰৰ সুৰত)* অকল শৰাই দিলেই নহ'ব কিন্তু। এইবাৰ মই মোৰ বন্ধু-বান্ধৱীসকলকো মাতিম বুলি ভাবিছোঁ। তুমি ঘৰতো জলপানৰ যোগাৰ কৰিবা।

মাক — *(মিচিকিয়াই হাঁহি বাচন-বৰ্তন সামৰি-সুতৰি থাকি ক'ব)* তাৰমানে এইবাৰ তুমি সবান্ধৱে জন্ম-দিন পালন কৰিবা। এৰা, পিছে কাক কাক মাতিম বুলি ভাবিছা?

সীমান্ত — *(চাউল ভৰাবলৈ এৰি আঙুলিৰ মূৰত গণি ক'ব)* ঋণজুন, মিতা, ভুলী, চিৰঞ্জীৱ, মকবুল .......।

মাক — ৰতন আৰু মীনাক তুমি পাহৰিলা নেকি?



সীমান্ত — নহয় মা, সিহঁতক মাতিম বুলি ভাবিছোঁৱেই, মাত্র নাম কেইটা ক'বলৈহে থাকি গ'ল।

মাক — মাতিবা, মাতিবা, সিহঁতকো মাতিবা; নহ'লে বেয়া পাব নহয়! তুমি পিছে কি কি কৰিম বুলি ভাবিছা?

সীমান্ত — অ' মা, আচল কথাটো কওঁ ৰ'বা। স্কুলৰ বাইদেৱে আমাক জন্ম-দিনত গছ পুলি ৰোৱাৰ কথা কৈছিল। সেইবাবে এইবাৰ মই পদূলি মূৰত এটি নাহৰ পুলি ৰুম।

মাক — বৰ ভাল কথা সোণ। পুলিটো কিন্তু ৰুলেই নহ'ব। তাৰ প্ৰতিপালৰ দায়িত্বও তোমাৰ। গছ পুলি ৰোৱাৰ উপৰি সেইদিনা আৰু কিছুমান কাম কৰিব পাৰা।

সীমান্ত — কি কাম মা?

মাক — তুমি পদ্য লিখিবা নাইবা ছবি আঁকিবা। মহৎ লোকৰ বাণী বা নীতি-বচনো সংগ্ৰহ কৰিবা। সেইবোৰ সুন্দৰকৈ লিখি বেৰত আৰি থ'বা। কিমান যে ভাল লাগিব!

**ক্ৰিয়া-কলাপ**

## ক — পাঠভিত্তিক ক্ৰিয়া



**নাটিকাখন ভালদৰে পঢ়া।**



**তলৰ প্ৰশ্নবোৰৰ উত্তৰ কোৱা আৰু লিখা।**

(ক) সীমান্তৰ মাকে পাকঘৰৰ মজিয়াত বহি কি কৰি আছিল?

(খ) সীমান্তৰ জন্ম-দিনটো কি বাৰত হ'ব?

(গ) মাকে সীমান্তৰ জন্ম-দিনত কি কৰিম বুলি ভাবিছে?

(ঘ) সীমান্তই জন্ম-দিনত কাক কাক নিমন্ত্ৰণ কৰিম বুলি ভাবিছে?


(ঙ) স্কুলৰ বাইদেৱে জন্ম-দিনত সীমান্তক কি কৰিবলৈ কৈছে?

 ‘জন্ম-দিনৰ আয়োজন’ নাটিকাখনিত কাৰ কাৰ মাজত কথোপকথন হৈছে? নাটিকাখনিৰ কথা-বতৰাখিনি নিজৰ কথাৰে গদ্য ৰূপত কোৱা আৰু লিখা।

 **শব্দৰ অৰ্থবোৰ জানি লোৱা।**

| | |
|---|---|
| পাকঘৰ | ৰান্ধনি-ঘৰ, ভাত ৰন্ধা ঘৰ |
| ডলা | বাঁহৰ কাঠীৰে সজা এবিধ চেপেটা ঘূৰণীয়া পাত্ৰ |
| প্ৰতিপাল | পালন কৰ |
| দায়িত্ব | পালন কৰিবলগীয়া কৰ্তব্য |
| প্ৰশ্ন | সোধা কাৰ্য, জিজ্ঞাসা |

## খ — ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ)

 **যুক্তাক্ষৰ ভাঙি পঢ়োঁ আৰু লিখোঁ আহা**

| | | | | | |
|---|---|---|---|---|---|
| প্ৰশ্ন | শ্ন = শ + ন | শই | নই | শ্ন | |
| শিৰশ্ছেদ | শ্ছ = শ + ছ | শই | ছই | শ্ছ | |
| সীমান্ত | ন্ত = ন + ত | নই | তই | ন্ত | |
| বন্ধু | ন্ধু = ন + ধ + উ | নই | ধই | ন্ধ | তাত উ-কাৰে ন্ধু |

**যুক্তাক্ষৰ গঠন কৰোঁ আহা**

| | | | |
|---|---|---|---|
| শ + ন | শই নই | শ্ন | |
| শ + ছ | শই ছই | শ্ছ | |
| ন + ত | নই তই | ন্ত | |
| ন + ধ + উ | নই ধই | ন্ধ | তাত উ-কাৰে ন্ধু |

(গ) পঢ়োঁ আহা

| | | |
|---|---|---|
| **প্ৰশ্ন** | **প্ৰশ্নোত্তৰ** | **প্ৰশ্নকাকত** |
| **উচ্ছেদ** | **বিচ্ছেদ** | **শিৰশ্ছেদ** |
| **বন্ধু** | **বান্ধৱী** | **বসুন্ধৰা** |
| **শান্ত** | **সীমান্ত** | **অন্তৰীক্ষ** |

**শিক্ষকে ছাত্ৰ-ছাত্ৰীক প্ৰশ্ন সোধে।**

**ছাত্ৰ-ছাত্ৰীয়ে সেই প্ৰশ্নৰ উত্তৰ দিয়ে।**

**প্ৰশ্নোত্তৰ শুদ্ধ হ'লে, প্ৰশ্নকৰ্তাই সন্তোষ পায়।**

জানো আহা

মাক — ৰতন **আৰু** মীনাক তুমি পাহৰিলা **নেকি**?

মাক — তুমি পদ্য লিখিবা **নাইবা** ছবি আঁকিবা। মহৎ লোকৰ বাণী **বা** নীতি-বচনো সংগ্ৰহ কৰিব পাৰা।

মাক — **এৰা**, পিছে কাক কাক মাতিম বুলি ভাবিছা?

সীমান্ত— **অ'** মা, আচল কথাটো কওঁ ৰ'বা।

প্ৰথম বাক্যটোত **আৰু** শব্দটোৱে (১) ৰতনক তুমি পাহৰিলা নেকি? (২) মীনাক তুমি পাহৰিলা নেকি? — এই বাক্য দুটা লগ লগাই এটা কৰিছে। **নেকি** শব্দটোৱে প্ৰশ্ন কৰা বুজাইছে।

দ্বিতীয় বাক্যটোত থকা **নাইবা** আৰু তৃতীয় বাক্যটোত থকা **বা** শব্দ দুটাই যথাক্ৰমে পদ্য লিখা আৰু ছবি অঁকা, 'মহৎ লোকৰ বাণী' আৰু 'নীতি- বচন'ক পৃথক কৰা বুজাইছে।

চতুৰ্থ বাক্যৰ **এৰা** শব্দটোৱে সমিধান বা সন্মতি প্ৰকাশ কৰিছে।

সীমান্তই কোৱা বাক্যটোৰ **অ'** শব্দটোৱে সম্বোধন কৰা বুজাইছে।

এনেদৰে সংযোগ কৰা, পৃথক কৰা, প্ৰশ্ন কৰা, সমিধান দিয়া, সম্বোধন কৰা আদি ভাব প্ৰকাশ কৰা পদক অব্যয় পদ বুলি কোৱা হয়। অব্যয় পদৰ ৰূপ সলনি নহয় অৰ্থাৎ সদায় একে থাকে আৰু ইহঁতৰ লগত বিভক্তি যোগ নহয়। যেনে—

- **আৰু, কাৰণে, তেন্তে, কিন্তু, কিয়নো, এতেকে**
- **নে — নেকি, জানো**
- **বা — নাইবা, নতুবা, অথবা**
- **হে — হেৰা, হেৰি, ঐ, অ', ও**
- **এৰা, বাৰু, হয়, ভাল আদি**



**তলৰ বাকচৰ ভিতৰত থকা স্ত্ৰীলিংগ বুজোৱা শব্দবোৰ বিচাৰি আনি পুংলিংগ বুজোৱা শব্দৰ কাষত লিখা।**

**উদাহৰণ— মামা মামী**

| | |
|---|---|
| দেউতা | .................. |
| বন্ধু | .................. |
| শিক্ষক | .................. |
| ভাইটি | .................. |
| ভিনিহি | .................. |

ভণ্টি বান্ধৱী
শিক্ষয়িত্ৰী মা
বাই



**বাক্য ৰচনা কৰা।**

জন্ম-দিন উপহাৰ নামঘৰ জলপান পৰিপাটি

*নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

**তলৰ বাকচত থকা বৰ্ণ, - কাৰ (স্বৰ) চিন বা স্বৰচিহ্ন আৰু যুক্তাক্ষৰবোৰ ভালদৰে পঢ়ি চোৱা। দলত বহি সেইবোৰ মিলাই অৰ্থপূৰ্ণ শব্দ লিখা।**

| | | | | | | | |
|---|---|---|---|---|---|---|---|
| ক | ম | ৰ | দ | া | ৃ | ৌ | ন্ত |
| স | ভ | ত | গ | ি | ে | ন্ধ | ন্দ |
| ব | প | জ | আ | ী | ৈ | ু | স্ত |

কপৌ ........ বান্দৰ ........ ................ ................

................ ................ ................ ................

**এটা শব্দত প্ৰকাশ কৰা।**

- জন্ম হোৱা দিনটো .............
- বন্ধু-বান্ধৱৰ সৈতে .............
- নাম গোৱা ঘৰ .............

**ইংৰাজী ভাষাৰ অনেক শব্দ আমাৰ ভাষাত সোমাইছে। তেনেকুৱা কেইটিমান শব্দ এই পাঠটোত ব্যৱহাৰ হৈছে। সেইবোৰৰ অসমীয়া প্ৰতিশব্দ লিখা।**

(ক) **ইংৰাজী শব্দ** **অসমীয়া প্ৰতিশব্দ**

টেবুল

স্কুল

ৰুম

*নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*




(খ) আজি-কালি আকৌ কিছুমান শব্দ অসমীয়াত ক'লে বহুতে নুবুজে, ইংৰাজীত ক'লেহে বুজি পায়। তেনেকুৱা অসমীয়া শব্দৰ থূপটোৰ কাষতে ইংৰাজী শব্দৰ থূপ এটা দিয়া হৈছে। তাৰ পৰা বিচাৰি উলিয়াই মিলাই লিখা।

| অসমীয়া শব্দ | ইংৰাজী শব্দ |
|---|---|
| জপনা, অট্টালিকা, পিয়লা, চিৰিয়াখানা, কৰমৰ্দন, দূৰদৰ্শন, বোলছবি, কাৰ্যবাহী-অভিযন্তা, উপপ্ৰতি সমাহৰ্তা, পৰিকলন যন্ত্ৰ | হেণ্ডচেক, কাপ, চিনেমা, গে'ট, বিল্ডিং, জু, টি ভি, এক্‌জিকিউটিভ ইঞ্জিনিয়াৰ, এছ ডি চি, কম্পিউটাৰ |

যেনে— বিদ্যালয় স্কুল

কিছুমান ইংৰাজী ভাষাৰ পৰা অহা শব্দৰ আকৌ অসমীয়া প্ৰতিশব্দ পাবলৈ টান। যেনে— বল, বেট, ট্ৰে, স্কেল, মাৰ্বল, গেৰেজ, ব্লাউজ, কোট, বেলুন, ক্ৰিকেট, বিস্কুট আদি।





জানো আহা

টি ভি মানে টেলিভিছন- টেলি মানে দূৰ, ভিছন মানে দৰ্শন। অসমীয়া দূৰদৰ্শন শব্দটো টেলিভিছনৰ আক্ষৰিক অনুবাদ। এনে প্ৰক্ৰিয়াক অনুবাদ-ধাৰ বোলে। বাতৰি কাকত, ৰূপালী জয়ন্তী, শক্তিশালী পদক্ষেপ, দূৰভাষ, ভ্ৰাম্যভাষ, ভ্ৰাম্যমাণ আদি আমাৰ ভাষাৰ এনে শব্দ।

## গ — জ্ঞান সম্প্ৰসাৰণ

পৰিপাটিকৈ থোৱাটো এটা ভাল গুণ। সীমান্তই নিজৰ বস্তুবোৰ পৰিপাটিকৈ থয়। তুমি তোমাৰ বস্তুবোৰ পৰিপাটিকৈ থোৱানে? বস্তু পৰিপাটিকৈ থ'লে আমাৰ কি কি সুবিধা হয়?

নিজৰ জন্ম-দিনৰ লগতে শ্ৰেণীৰ সকলোৰে জন্ম-দিনৰ তাৰিখবোৰৰ তালিকা কৰা। জন্ম-দিনৰ দিনা তেওঁলোকক শুভেচ্ছা জনোৱাৰ উপৰি আৰু কি কি কৰিবা?

এটা গছপুলি ৰুই কেনেকৈ যত্ন ল'বা দলত আলোচনা কৰা আৰু গছপুলিটোৰ শ্ৰীবৃদ্ধি পৰ্যৱেক্ষণ কৰি টোকাবহীত লিখি থ'বা।

ক অংশৰ সামগ্ৰীসমূহ খ অংশৰ কি কামত ব্যৱহাৰ হয় মিলাই লিখা।

| ক অংশ | খ অংশ |
|---|---|
| মূঢ়া | পাচলি আদি থোৱাৰ বাবে |
| চালনী | মাছ ভৰাবলৈ |
| খালৈ | ধান, মাহ আদি থোৱাৰ বাবে |
| ডুলি | বহাৰ বাবে |
| চেপা | চালিবৰ বাবে |
| খৰাহি | মাছ ধৰিবলৈ |

পণ্ডিত জৱাহৰলাল নেহৰুৰ জন্ম-দিনটো বিদ্যালয়ত কেনেকৈ পালন কৰা লিখা।

## ঘ — প্ৰকল্প

- বন্ধু-বান্ধৱীক জন্ম-দিনৰ শুভেচ্ছা জনাবলৈ এখন শুভেচ্ছা-পত্ৰ প্ৰস্তুত কৰা।
- দহগৰাকী মহান ব্যক্তিৰ জন্ম-তাৰিখৰ তালিকা কৰা।

শ্ৰেণীৰ সকলো ছাত্ৰ-ছাত্ৰী জড়িত হৈ 'জন্ম-দিনৰ আয়োজন' নাটিকাখন অভিনয় কৰা।

☞ *পুৰণি নিমন্ত্ৰণী-পত্ৰৰ সহায়ত শুভেচ্ছা-পত্ৰ প্ৰস্তুত কৰিবলৈ শিকাব।*

☞ *নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

## পাঠ ১৩

### পাঠটোৰ পৰা আহৰণ কৰিবলগীয়া অৰ্হতা

- নাটক পঢ়ি, বুজি কাহিনী আকাৰে ক'ব পৰা আৰু লিখিব পৰা
- পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ দিব পৰা
- শব্দৰ অৰ্থ শিকি প্ৰয়োগ কৰিব পৰা
- শ্ম, শ্ছ, ন্ত, ন্ধ - যুক্তাক্ষৰকেইটা ভাঙিব পৰা, গঠন কৰিব পৰা আৰু শব্দ লিখিব পৰা
- ইংৰাজী শব্দৰ অসমীয়া প্ৰতিশব্দ বুজি লিখিব পৰা
- অব্যয় পদৰ ধাৰণা পোৱা
- অভিনয় কৰিব পৰা
- জন্ম-দিনত উল্লেখযোগ্য কাম কৰাৰ প্ৰেৰণা পোৱা
- নাটক পঢ়ি অভিনয় কৰাৰ আগ্ৰহ জন্মা
- সমনীয়াৰ জন্ম-দিনৰ তাৰিখ মনত ৰাখি শুভেচ্ছা জনোৱাৰ মনোভাব গঠন হোৱা
- নিজৰ বস্তু পৰিপাটিকৈ থোৱাৰ অভ্যাস গঠন হোৱা
- মহান ব্যক্তিৰ জন্ম-দিনৰ তাৰিখৰ তালিকা কৰিব পৰা

### শিকাৰুৰ পাঠভিত্তিক অৰ্হতাৰ মূল্যায়ন

| | | | | | | |
|---|---|---|---|---|---|---|
| নাটিকা | নাটিকাখন কাহিনী আকাৰে ক'ব আৰু লিখিব পৰা | পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ ক'ব আৰু লিখিব পৰা | শব্দৰ অৰ্থ বুজি পোৱা | | | |
| | | | | | | |
| ভাষা অধ্যয়ন (ব্যাবহাৰিক ব্যাকৰণ) | শ্ম, শ্ছ, ন্ত, ন্ধ— যুক্তাক্ষৰকেইটা ভাঙি পঢ়িব আৰু লিখিব পৰা | যুক্তাক্ষৰযুক্ত শব্দ পঢ়িব আৰু লিখিব পৰা | অব্যয় পদৰ ধাৰণা হোৱা | স্ত্ৰীলিংগ আৰু পুংলিংগবাচক শব্দ চিনি পোৱা আৰু প্ৰয়োগ কৰিব পৰা | শব্দ গঠন কৰি লিখিব পৰা | ইংৰাজী শব্দৰ অসমীয়া প্ৰতিশব্দ বুজি লিখিব পৰা |
| | | | | | | |
| জ্ঞান সম্প্ৰসাৰণ | বস্তু পৰিপাটিকৈ থলে কি সুবিধা হয় বুজি পোৱা | নিজৰ বস্তু পৰিপাটিকৈ থোৱাৰ অভ্যাস গঠন কৰা | নিজৰ আৰু বন্ধুবৰ্গৰ জন্ম তাৰিখৰ তালিকা কৰিব পৰা | গছ-পুলি ৰোৱা আৰু গছ-পুলি সংৰক্ষণৰ অভ্যাস কৰা | দৈনন্দিন জীৱনত ব্যৱহাৰ কৰা বস্তুবোৰৰ প্ৰয়োগ বুজি পোৱা | |
| | | | | | | |
| প্ৰকল্প | জন্ম-দিনৰ শুভেচ্ছা-পত্ৰ প্ৰস্তুত কৰিব জনা | মহান ব্যক্তিৰ জন্ম তাৰিখৰ তালিকা কৰা | অভিনয় কৰাৰ কৌশল আয়ত্ত কৰা | | | |
| | | | | | | |

☞ *অৰ্হতা আয়ত্ত হ'লে ওপৰৰ তালিকাখনৰ তলৰ খালী ঘৰত ✓ চিন দিব আৰু নহ'লে ✗ চিন দিব। অৰ্হতা আয়ত্ত নোহোৱা শিকাৰুক অতিৰিক্তভাৱে শিকাই পুনৰ মূল্যায়ন কৰিব।*

N2Z4W6

# গছে যদি খোজ কাঢ়ে



গছে যদি আমাৰ দৰে
পাৰে কথা ক'ব,
গছে যদি খোজ কাঢ়ে
কেনে মজা হ'ব।

ফল আনি গছে যদি
ঘৰে ঘৰে দিয়ে,
আমাৰ পৰা মৰম-চেনেহ
পাতত বান্ধি নিয়ে।

হাবি এৰি গছ যদি
আমাৰ লগত যায়,
চাইকেল, ৰিক্সা, গাড়ীবোৰৰ
কি হ'ব বিলাই।

সৰু-ডাঙৰ গছ মিলি
শাৰী পাতি যাব,
দুয়ো কাষে ল'ৰা-বুঢ়াই
ৰ লাগি চাব।

কেনে মজা হ'ব যে ভাই
কেনে মজা হ'ব,
গছবোৰো আমাৰ দেখোন
লগৰীয়া হ'ব।



**ক্ৰিয়া-কলাপ**

## ক — পাঠভিত্তিক ক্ৰিয়া

**পদ্যটো স্পষ্ট আৰু শুদ্ধ উচ্চাৰণেৰে পঢ়োঁ আহা**

**পদ্যটো আবৃত্তি কৰোঁ আহা**

**উত্তৰ দিয়া।**

**(ক)** (১) পদ্যটোত আমাৰ দৰে গছেও কি কি কৰাৰ কথা কল্পনা কৰা হৈছে?
(২) গছে যদি খোজ কাঢ়ে তোমাৰ কেনে লাগিব?
(৩) আমাৰ মৰম-চেনেহবোৰ গছে কিহত বান্ধি নিব?
(৪) হাবি এৰি গছ কাৰ লগত যাব বুলি ভবা হৈছে?
(৫) আমাৰ লগৰীয়া কোন হ'ব বুলি কোৱা হৈছে?

**(খ)** (১) সৰু-ডাঙৰ গছবোৰ শাৰী পাতি গ'লে কি হ'ব?
(২) হাবি এৰি গছ গুচি গ'লে কাৰ কি অসুবিধা হ'ব?
(৩) গছ তোমাৰ ঘৰলৈ আহিলে তুমি কি কৰিবা?

**শব্দ সম্ভাৰ আৰু অভিধান চাই তলৰ শব্দবোৰৰ অৰ্থ লিখা।**

| শব্দ | অৰ্থ |
|---|---|
| মজা | |
| বিলাই | |
| ৰ লাগি | |
| লগৰীয়া | |

**পদ্যটো গদ্য ৰূপত কোৱা আৰু লিখা।**

☞ *নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

**তলৰ খালী ঠাইবোৰত পদ্যটোৰ পৰা শব্দ বহুৱাই সম্পূৰ্ণ কৰা।**

(ক) গছে যদি.........................................
পাৰে কথা ................................
গছে যদি খোজ কাঢ়ে
.................................................

(খ) সৰু-ডাঙৰ .......................................
শাৰী .......................................
.......................................................ল'ৰা-বুঢ়াই
ৰ লাগি চাব।


(গ) ..................................যে ভাই
কেনে মজা হ'ব,
গছবোৰো .......................................
লগৰীয়া হ'ব।

## খ — ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ)

**পদ্যটোত থকা যুক্তাক্ষৰ দুটা ভাঙি দেখুৱাই দুটাকৈ শব্দ লিখা।**

ক্ষ, ন্ধ


**যুক্তাক্ষৰ গঠন কৰা।**






নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী

**পদ্যটোৰ পৰা বিচাৰি উলিয়াই লিখা।**



(ক) বিশেষ্য পদবোৰ

যেনে - গছ, ঘৰ................

(খ) বিশেষণ পদবোৰ

যেনে - সৰু, ডাঙৰ...................

(গ) ক্ৰিয়া পদবোৰ

যেনে - কাঢ়ে, ক'ব.....................

**তলৰ শব্দবোৰেৰে একোটাকৈ বাক্য লিখা।**

মজা        মৰম-চেনেহ        বিলাই        লগৰীয়া

## গ— জ্ঞান সম্প্ৰসাৰণ



**দলত আলোচনা কৰি লিখা।**

(ক) গছে আমাক কি কি দিয়ে?

(খ) গছৰ পৰা আমি কি কি কৰিব পাৰোঁ?

(গ) গছ নাথাকিলে আমাৰ কি হ'ব?

(ঘ) গছ নাথাকিলে পশু-পক্ষীৰ কি হ'ব?

**সাঁথৰ ভাঙা।**

(ক) গছৰ ওপৰত গুটি
গুটিৰ ওপৰত গছ
কোৱাচোন বাৰু মই
কি গছৰ সাঁচ?






নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী



গছৰ পৰা আমি কি কি পাওঁ?






ভাবি গুণি কোৱা।

- **"আমাৰ পৰা মৰম-চেনেহ**
  **পাতত বান্ধি নিয়ে।"**

- যি বিলাক গছৰ পাত নাই সেইবিলাকে কিহত বান্ধি নিব?

- **"সৰু-ডাঙৰ গছ মিলি**
  **শাৰী পাতি যাব,**
  **দুয়ো কাষে ল'ৰা-বুঢ়াই**
  **ৰ লাগি চাব।"**

- ফল-ফুল নলগা কাঁইটীয়া গছ যদি তেনেকৈ আহে তেনেহ'লে কি হ'ব?

- **"হাবি এৰি গছ যদি**
  **আমাৰ লগত যায়,"**

- আশ্ৰয় বিচাৰি অৰণ্যৰ হিংস্ৰ জন্তুবোৰ আহি যদি আমাৰ বাসস্থান পায়হি, কি হ'ব?

*নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

জানো আহা

> বন্যপ্ৰাণী সংৰক্ষণৰ কাৰণে চৰকাৰৰ দ্বাৰা নিৰ্দিষ্টভাৱে ৰখা অৰণ্যকে অভয়াৰণ্য বোলে। এনে অভয়াৰণ্যত বিলুপ্তিৰ পথলৈ যোৱা বন্যপ্ৰাণীবোৰ চৰকাৰীভাৱে সংৰক্ষণৰ ব্যৱস্থা কৰা হয়। আনহাতে অৰণ্য হ'ল যিকোনো ডাঠ হাবি।



**দলত আলোচনা কৰি কোৱা।**

— গছে শিপাৰ সহায়ত সাধাৰণতে মাটিৰ পৰা খাদ্য সংগ্ৰহ কৰে। খোজ কাঢ়ি ঘূৰি ফুৰিলে সিহঁতে ক'ৰ পৰা কি খাদ্য খাব?

— খোজ কঢ়া গছে যদি কথাও পাতিব পাৰিলেহেঁতেন তেনেহ'লে তুমি সিহঁতৰ লগত কি কি কথা পাতিলাহেঁতেন?

— তুমিও যদি পানীৰ ওপৰেদি আৰু শূন্যত (বায়ুত) খোজ কাঢ়িব পাৰিলাহেঁতেন তেনেহ'লে তোমাৰ কি কি সুবিধা হ'লহেঁতেন?

— গছে খোজ কাঢ়ি ঘূৰি ফুৰিলে কাৰ কি সুবিধা আৰু অসুবিধা হ'ব?

— অৰণ্য আৰু অভয়াৰণ্যৰ মাজত পাৰ্থক্য কি?



**ঘ — প্ৰকল্প**

- **এথোক কলৰ সৈতে এজোপা কলগছৰ ছবি বহীত আঁকা।**

- **তুমি দেখা তিনিবিধ গছৰ আকৃতি-প্ৰকৃতি, ডাল-পাত আৰু ফল-মূলৰ বিষয়ে তলৰ তালিকাত লিখা।**

| গছৰ নাম | আকৃতি/প্ৰকৃতি | ডাল-পাত | ফল-মূল |
|---|---|---|---|
| | | | |
| | | | |
| | | | |
| | | | |

☞ *প্ৰয়োজন অনুসৰি ছাত্ৰ-ছাত্ৰীক সহায় কৰিব।*

☞ *নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

## পাঠ ১৪

### পাঠটোৰ পৰা আহৰণ কৰিবলগীয়া অৰ্হতা

- পদ্যটি পঢ়ি আৰু বুজি আবৃত্তি কৰিব পৰা
- পদ্যটোৰ মূল কথাখিনি ক'ব আৰু লিখিব পৰা
- কল্পনা শক্তিৰ বিকাশ ঘটা
- সাঁথৰ ক'ব আৰু ভাঙিব পৰা
- পদ চিনাক্ত কৰিব পৰা
- চিন্তা কৰি, নিজাকৈ কোনো বিষয় সম্পৰ্কে ক'ব পৰা
- গছৰ আকৃতি-প্ৰকৃতি অনুসৰি তুলনা কৰিব পৰা

### শিকাৰুৰ পাঠভিত্তিক অৰ্হতাৰ মূল্যায়ন

| পদ্য | পদ্যটো শুদ্ধকৈ পঢ়িব পৰা | পদ্য আবৃত্তি কৰিব পৰা | নতুন শব্দৰ অৰ্থ জনা | পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ দিব পৰা | পদ্যটো গদ্য ৰূপত ক'ব আৰু লিখিব পৰা | |
|---|---|---|---|---|---|---|
| | | | | | | |
| ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ) | যুক্তাক্ষৰ ভাঙি লিখিব আৰু পঢ়িব পৰা | যুক্তাক্ষৰযুক্ত শব্দ গঠন কৰিব পৰা | পদ্যত থকা পদবোৰ চিনাক্ত কৰিব পৰা | বাক্য গঠন কৰিব পৰা | | |
| | | | | | | |
| জ্ঞান সম্প্ৰসাৰণ | গছে কি কি দিয়ে ক'ব আৰু লিখিব পৰা | কল্পনা শক্তিৰ জৰিয়তে নিজৰ মনৰ ভাব প্ৰকাশ কৰিব পৰা | সাঁথৰ ভাঙিব পৰা | | | |
| | | | | | | |
| প্ৰকল্প | কলগছৰ ছবি আঁকিব পৰা | গছৰ আকৃতি-প্ৰকৃতি অনুসৰি তুলনা কৰি ক'ব আৰু লিখিব পৰা | | | | |
| | | | | | | |

☞ *অৰ্হতা আয়ত্ত হ'লে ওপৰৰ তালিকাখনৰ তলৰ খালী ঘৰত ✓ চিন দিব আৰু নহ'লে ✗ চিন দিব। অৰ্হতা আয়ত্ত নোহোৱা শিকাৰুক অতিৰিক্তভাৱে শিকাই পুনৰ মূল্যায়ন কৰিব।*

# শব্দ সম্ভাৰ

| শব্দ | | অৰ্থ |
|---|---|---|
| **অ** | | |
| অমাতৰ মাত | - | আধাফুটা মাত, শুনিবলৈ শুৱলা মাত |
| অৱহেলা | - | আওহেলা, অনাদৰ |
| অনুপ্ৰাণিত | - | উৎসাহিত |
| অন্যতম | - | বহুতৰ ভিতৰত বিশেষ এজন বা এটা |
| অমূল্য | - | যাৰ মূল্যৰ সীমা নাই, যাৰ উচিত মূল্য বা বেচ দিব পৰা নাযায় |
| অবিৰাম | - | বিৰামহীন, নেৰা-নেপেৰা |
| অসহনীয় | - | অসহ্য |
| অলেখ | - | লেখহীন বা গণনা কৰিব নোৱৰা, অসংখ্য |
| অনিষ্ট | - | হানি, ক্ষতি, অপকাৰ |
| **আ** | | |
| আপুৰুগীয়া | - | দুৰ্লভ, আটকীয়া |
| আকাৰ | - | আকৃতি, গঢ়, গঠন |
| আমোলমোল | - | মলমলীয়া গোন্ধযুক্ত, সুবাসিত |
| আখ্যান | - | কাহিনী, উপাখ্যান, সাধু-কথা |
| আবদাৰ | - | গভীৰ আৰু পৰিপূৰ্ণ মৰম, মৰম লগোৱা কাৰ্য; অসংগত দাবী |
| আউল-বাউল | - | বিশৃংখল, সানমিহলি |
| **উ** | | |
| উলাহ | - | উল্লাস, আনন্দ, আহ্লাদ, ৰং |
| উৰলি | - | গেলি পচি |
| উৰুখি | - | চালেদি (বৰষুণৰ পানী) সৰকি |
| **এ** | | |
| এতেকতে | - | এই কাৰণে, এই গতিকে, এই নিমিত্তে; এনেতে, এনেসময়তে |
| **ও** | | |
| ওফন্দি | - | উখহি, ফুলি |
| **ক** | | |
| কাটন | - | চোকা, তীক্ষ্ণ |
| কেৰামতালি | - | বল বা পৰাক্ৰম দেখুৱাই কৰা অহংকাৰ, শক্তি মন্ত্ৰৰ আচৰণ বা স্বভাৱ |
| কেও | - | কোনো, কোনো এটাও |

| শব্দ | | অৰ্থ |
|---|---|---|
| কৌতূহল | - | নেদেখা বস্তু দেখিবৰ বা নুশুনা কথা শুনিবৰ ইচ্ছা বা আগ্ৰহ |
| কুন্দা | - | কাঠ, ধাতু আদিৰ বস্তু ঘূৰাই ঘূৰাই কাটি গঢ় লগোৱা যন্ত্ৰ, কুন্দ-শাল |
| কাঁকৈ | - | চুলিৰ জঁট ভঙা এবিধ দীঘল দীঘল কাঁইট বা দাঁত থকা ফণি |
| **খ** | | |
| খঁৰা | - | নেজ ছিগা বা কটা, আধা-ডুখৰীয়া, আগ কটা |
| **গ** | | |
| গিৰি | - | পৰ্বত |
| গভীৰ | - | অতি দ, তৰাং বা বাম নোহোৱা, বহুত তললৈ বিস্তৃত |
| গলধন | - | ডিঙিৰ পাছফাল |
| গুণি-গাঁঠি | - | ভাবি চিন্তি, চিন্তা চৰ্চা কৰি |
| গিৰিসাই | - | বেগাই, শীঘ্ৰে, তৎক্ষণাৎ |
| গঢ়ি | - | নিৰ্মাণ কৰি, সাজি |
| **ঘ** | | |
| ঘাত-মাউৰা | - | নিচেই সৰুতে মাক-বাপেক মৰি আশ্ৰয়হীন হোৱা। |

| শব্দ | | অৰ্থ |
|---|---|---|
| ঘাৰ-মোকোটোৱা | - | ঘাৰ-মোচৰা, ডিঙি পকাই দুখ দিয়া (লোক), ডিঙি পকাওঁতা |
| ঘপৰাই | - | ততালিকে, অকস্মাৎ, ঘপ কৰে, বেগতে |
| ঘটুৱা | - | হৰুৱা, পৰাস্ত কৰ্ |
| **চ** | | |
| চিৰকাল | - | সদায়, অনেক দিন, বহু কাল |
| চকু থৰ | - | আচৰিত হৈ চকু লৰচৰ নকৰাকৈ চাই থকা অৱস্থা |
| চানেকি | - | নিদৰ্শন, আৰ্হি, কাপোৰত বাছিবলৈ বা তুলিবলৈ কৰা ফুলৰ আৰ্হি |
| চুকে-কোণে | - | য'তে-ত'তে, সকলো ঠাইতে |
| চাং | - | বাঁহৰ বিছনা, পাভটি, বস্তু আদি থ'বৰ কাৰণে বা শুবৰ কাৰণে বাঁহৰ গাধৈ বা তক্তাৰে কৰা ওখ ঠাই |
| চেঙা | - | তজ্‌বজীয়া (জন্তুত খাটে), ওচৰ চাপিব নিদিয়া; বৰ তপত |
| চেঁকুৰি | - | ঢাপলি মেলি, লৰ মাৰি |
| চৌদিশ | - | চতুৰ্দিশ, চাৰিওদিশ, চাৰিওফাল |

| শব্দ | | অৰ্থ |
|---|---|---|
| চেপেনা | - | বস্তু চেপি ধৰা যন্ত্ৰ, চেপি দুখ দিয়া যতন |
| চিৰতুষাৰ | - | সদায় বৰফ থকা |
| **ছ** | | |
| ছিদ্ৰ | - | বিন্ধা, ৰন্ধ্ৰ; জগৰ, দায়, দোষ |
| ছেও | - | বাজনাৰ মাজৰ ছেদ বা ৰোৱা কাৰ্য |
| ছেও ধৰি | - | নৃত্যৰ ভঙ্গী ধৰি, গীত আৰু নৃত্য অনুসৰি অঙ্গ চালনা কৰি |
| **জ** | | |
| জন্মান্তৰ | - | ইয়াৰ আগৰ বা পাছৰ জন্ম, এই জন্মৰ বাদে আন জন্ম |
| জুৰ | - | শীতল, চেঁচা, শাঁত |
| জলপৰিবহণ | - | নদী, সাগৰ, জলাশয় আদিত নাও জাহাজ আদিৰে মানুহ, বস্তু আদি ইঠাইৰ পৰা সিঠাইলৈ নিয়া ব্যৱস্থা |
| জলপান | - | লঘু আহাৰ, গুৰু আহাৰৰ বাহিৰে অলপকৈ কৰা আহাৰ |

| শব্দ | | অৰ্থ |
|---|---|---|
| **ট** | | |
| টেকেলি কাতি | - | ঘৰত একো নথকা অৱস্থা, অতি অভাৱত থকা অৱস্থা |
| টুক টুক টাক্ টাক্কৈ | - | নিচেই কম খৰচতে, কোনো মতে |
| **ঠ** | | |
| ঠেঁটুৰৈ ধৰ্ | - | জাৰত হাত ভৰি অৱশ বা ঠেৰেঙা হোৱা অৱস্থা হ |
| ঠল্‌ঠল্ | - | ঠলৰ্ ঠলৰ্; সৰু গোটা বস্তু ওপৰৰ পৰা গছৰ পাত বা মাটি আদিত অগা পিছাকৈ পৰাৰ নিচিনা শব্দ |
| **ঢ** | | |
| ঢাৰি-পাটী | - | শয্যা, বিছনা |
| ঢলি | - | হালি, এঢলীয়া হৈ, কাতি হৈ |
| ঢাপলি | - | বৰ বেগাই মৰা লৰ, চেঁকুৰ |
| **ত** | | |
| তৎমৎ | - | চেতনা |
| তুমুল | - | ভয়ংকৰ, ভয়ানক; ঘোৰ (যুদ্ধ), কটা-মৰা কৰা (দ্বন্দ্ব) |
| তীক্ষ্ণ | - | চোকা, ধাৰ থকা |

| শব্দ | | অৰ্থ |
|---|---|---|
| **থ** | | |
| থিৰ | - | স্থিৰ, শান্ত, ধীৰ, লৰচৰ নোহোৱা |
| থৈয়া-নথৈয়া | - | তুমুল, ভয়ংকৰ, ভয়ানক |
| **দ** | | |
| দলঙা | - | দলঙৰ দৰে বাঁহৰ চছালিৰে বোৱা মাছ ধৰা যতন |
| দীপ্-লিপ্ | - | দীপ্তিযুক্ত, উজ্জ্বল, বৰ সুন্দৰ, ধুনীয়া |
| দৃষ্টান্ত | - | উদাহৰণ, পটন্তৰ |
| **ধ** | | |
| ধৰণী | - | পৃথিৱী, ধৰা |
| ধৰা | - | পৃথিৱী, ধৰণী |
| ধাৰাসাৰ | - | ছেদ-ভেদ নথকা, নেৰানেপেৰা, একেৰাহে পৰা |
| **ন** | | |
| নদীমাতৃক | - | নৈৰ পানীৰ দ্বাৰা উৰ্বৰা বা সাৰুৱা হোৱা (দেশ) |
| নেতৃত্ব | - | গুৰি ধৰা বা চলোৱা কাৰ্য, কোনো কাৰ্যৰ গুৰিয়াল |
| নিয়াৰি | - | ধাতু পিটি গঢ় লগোৱা আৰু নিমজ কৰা এটা টান লোৰ ঠকুৰা; ভাঁজ নথকা, পোন, নিমজ, মিহি, উত্তম |

| শব্দ | | অৰ্থ |
|---|---|---|
| নিৰ্বাহি | - | সম্পন্ন, সম্পাদন, সাধনকৰণ |
| **প** | | |
| পেটত গাঁথি | - | লঘোনে থকা |
| প্ৰতিভাসম্পন্ন | - | অসাধাৰণ বুদ্ধিসম্পন্ন, প্ৰখৰ বুদ্ধিসম্পন্ন |
| প্ৰেৰণা | - | উৎসাহ-উদগনি, বিশেষ কাৰ্য সম্পাদনৰ বাবে অন্য ব্যক্তিৰ পৰা পোৱা উদগনি |
| পূজাৰী | - | যি পূজা কৰে, পূজা কৰোঁতা, পূজক |
| পালোৱান | - | হাতে হাতে যুদ্ধ কৰা বলৱান লোক |
| প্ৰকাণ্ড | - | বৰ ডাঙৰ |
| পেঁপা-কাঢ়ি | - | দুখ পাই কেঁকাই |
| পান কৰি | - | পি খাই |
| প্ৰসিদ্ধ | - | প্ৰখ্যাত, বিখ্যাত, সকলোৰে জনা |
| প্ৰমুখ্যে | - | আদি কৰি, আৰু আন আন, মুখ্য কৰি |
| প্ৰতিহত | - | বাধাপ্ৰাপ্ত |
| প্ৰাণটাকি | - | প্ৰাণপণে, দেহৰ কষ্টলৈ আওকাণ কৰি |
| পতিহন্তা | - | পতি বা স্বামীক হত্যা কৰোঁতা |

| শব্দ | | অৰ্থ |
|---|---|---|
| পাত্ৰ | - | বস্তু থোৱা সঁজুলি; উপযুক্ত মানুহ, দৰা; মন্ত্ৰী |
| পৰিপাটি | - | সুশৃংখল, নিয়াৰি, আটোম টোকাৰি |
| পাগ-ঘৰ | - | ৰন্ধা-বঢ়া কৰা ঘৰ, ৰন্ধন-শালা |
| প্ৰতিপালন | - | পোহ-পাল দিয়া কাৰ্য |
| পীৰা | - | বহাৰ বাবে চুটি খুৰা থকা কাঠৰ আসনবিশেষ |

**ফ**

| শব্দ | | অৰ্থ |
|---|---|---|
| ফৰিংফুটা জোনাক | - | বৰ উজ্জ্বল জোনাক |

**ব**

| শব্দ | | অৰ্থ |
|---|---|---|
| বাৰমাহ | - | গোটেই বছৰ জুৰি |
| বিস্ময় | - | তধা লগা অৱস্থা, আশ্চৰ্যবোধ, আচৰিত হোৱা কাৰ্য |
| বাৰেবৰণীয়া | - | বিভিন্ন ৰঙৰ |
| বজ্ৰলেপ | - | লেকেটা লাগি ধৰা, বৰ টানকৈ লাগি ধৰা, এৰুৱাব নোৱৰা |
| বিপাঙ্ | - | নিৰুপায় অৱস্থা, বিমোৰ হোৱা অৱস্থা |
| বঙহৰদেউ | - | উচ্চ শ্ৰেণীৰ আহোমৰ ভাৰ্যাই স্বামীক কৰা সম্বোধন |
| বিশাল | - | বৃহৎ, ডাঙৰ, বহল |
| বৰদৈচিলা | - | ব'হাগ বিহুৰ সময়ত হোৱা প্ৰবল ধুমুহা-বতাহ |
| বা-মৰলি | - | অতি কোবেৰে ঘূৰি ঘূৰি ওপৰলৈ উঠা বতাহ, ঘূৰ্ণ বায়ু |

**ভ**

| শব্দ | | অৰ্থ |
|---|---|---|
| ভেদ | - | পৃথকতা, প্ৰভেদ, বিভিন্নতা; ভিতৰুৱা কথা প্ৰকাশ (কৰা); বিদীৰ্ণ (কৰা) |
| ভূয়সী | - | বহুল, প্ৰচুৰ, অত্যধিক |
| ভাত-ঘুমটি | - | ৰাতি ভাত খোৱাৰ পাছতে ধৰা প্ৰথম ঘুমটি |
| ভাতী | - | ধাতুৰ বস্তু গঢ়া শালৰ জুই জ্বলোৱা যতন, ধাতু শালত জুইত বতাহ লগোৱা যতন |

**ম**

| শব্দ | | অৰ্থ |
|---|---|---|
| মনোহৰ | - | মনোমোহা, সুন্দৰ, মনোৰম |
| মোহিত | - | মোহ যোৱা, মুগ্ধ হোৱা |
| মনোবাঞ্ছা | - | মনৰ কামনা বা ইচ্ছা |
| মসৃণ | - | কোমল, মিহি, নিমজ |

**ৰ**

| শব্দ | | অৰ্থ |
|---|---|---|
| ৰচক | - | ৰচনা কৰোঁতা, লিখোঁতা |
| ৰহস্য | - | গুপ্ত, গোপন, সহজে ভেদ কৰিব নোৱৰা কথা বা কাম |

| শব্দ | | অৰ্থ |
|---|---|---|
| **ল** | | |
| লুকা-ভাকু | - | লুকোৱা শিশুক আন শিশুৱে বিচাৰি উলিওৱা এবিধ ল'ৰা-ধেমালি বা খেল |
| লঘু-লাঞ্চনা | - | অপমান, অপদস্থ |
| লেঠা | - | জগৰ, জঞ্জাল, দায়, আসোঁৱাহ |
| লৰ | - | বেগাই কৰা গতি, শীঘ্ৰ গতি, ঢাপলি |
| **শ** | | |
| শক্তিশালী | - | বলৱন্ত, পৰাক্ৰমী |
| **স** | | |
| সুধা | - | অমৃত |
| সৰগ | - | স্বৰ্গ |
| সৌন্দৰ্য | - | শোভা, শুৱনি গুণ, সুন্দৰতা |
| সংস্কৃতি | - | বিশেষ জনগোষ্ঠীৰ বিশ্বাস, ৰীতি-নীতি, উৎসৱ-অনুষ্ঠান, শিল্প-কলা আদিৰ বৌদ্ধিক উৎকৰ্ষ সাধনৰ সামগ্ৰিক ৰূপেই সংস্কৃতি |

| শব্দ | | অৰ্থ |
|---|---|---|
| সুনিপুণ | - | অতি পটু, সুদক্ষ |
| সুদক্ষ | - | সুনিপুণ, পাৰ্গত, পটু |
| সূক্ষ্ম | - | অতি ক্ষুদ্ৰ, নিচেই সৰু, বৰ মিহি ; পুঙ্খানুপুঙ্খ |
| সুৰুঙা | - | জলঙা, বিন্ধা বা ফুটা |
| সুৰঙ্গ | - | মাটি, পানী বা পৰ্বতৰ তলেদি কাটি উলিওৱা বাট |
| সৰ্বনাশ | - | সমূলি নাশ বা ধ্বংস |
| সুৰ্তি-বুদ্ধি | - | তত্ আৰু বুদ্ধি বা ধৈৰ্য হেৰুওৱা কাৰ্য |
| সুবাস | - | সুগন্ধ, সুৰভি |
| সামৰি-সুতৰি | - | চপাই কোঁচাই |
| সৎ ব্যৱহাৰ | - | সদ্ব্যৱহাৰ, ভাল কামত প্ৰয়োগ; ভদ্ৰ ব্যৱহাৰ |
| **হ** | | |
| হাউলি | - | ডাঙৰ লোকৰ টোল বা ঘৰ-বাৰী |
| হিল-দল ভাঙি | - | বাধা-বিঘিনি আওকাণ কৰি প্ৰবল বেগে, বাটৰ প্ৰতিবন্ধক নামানি |

# চতুৰ্থ শ্ৰেণীৰ ভাষাৰ পাঠ্যপুথিত জড়িত ব্যক্তিসকল

**উপদেষ্টা**

**কুমকুম সিন্‌হা,** সঞ্চালক
ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম, গুৱাহাটী

**পাঠ প্ৰস্তুত প্ৰক্ৰিয়াত জড়িত ব্যক্তিসকল**

**গৌৰী কান্ত ভূঞা,** অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক, নতুন ফটাশিল টাউন হাইস্কুল, গুৱাহাটী

**মীৰা শৰ্মা,** অৱসৰপ্ৰাপ্ত প্ৰবক্তা, ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম, গুৱাহাটী

**বীণা বৰুৱা,** পৰীক্ষা নিয়ন্ত্ৰক, ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম, গুৱাহাটী

**নীল শৰ্মা,** প্ৰবক্তা, বাণীকান্ত অগ্ৰণী শিক্ষা প্ৰতিষ্ঠান, গুৱাহাটী

**গীতাঞ্জলি দেৱী,** প্ৰবক্তা, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, বৰপেটা

**ৰূপালী হাজৰিকা বৰুৱা,** প্ৰবক্তা, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, শোণিতপুৰ

**ড° সন্ধ্যা পাঠক,** জ্যেষ্ঠ প্ৰবক্তা, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, কামৰূপ

**নীলিমা শৰ্মা মহন্ত,** প্ৰবক্তা, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, মৰিগাঁও

**শাৰদী ভট্টাচাৰ্য,** জ্যেষ্ঠ প্ৰবক্তা, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, কামৰূপ

**শৰৎ গগৈ,** প্ৰবক্তা, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, যোৰহাট

**কমলা গোস্বামী,** প্ৰবক্তা, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, নলবাৰী

**ড° আনাৰবালা দাস,** প্ৰবক্তা, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, নলবাৰী

**ৰঞ্জুমণি মহন্ত,** শৈক্ষিক বিষয়া, অসম মাধ্যমিক শিক্ষা পৰিষদ, গুৱাহাটী

**হেমেন্দ্ৰ শইকীয়া,** সহকাৰী শিক্ষক, ৩৭ নং নিজ হলেশ্বৰ নিম্ন বুনিয়াদী বিদ্যালয়, বালিপাৰা শিক্ষা খণ্ড, শোণিতপুৰ

**অনুভা চক্ৰৱৰ্তী,** সহকাৰী শিক্ষয়িত্ৰী, চম্পাৱতী হাইস্কুল, ধীৰেনপাৰা, গুৱাহাটী

**পৰমেশ্বৰ দাস,** প্ৰধান শিক্ষক, নাজিৰাখাত প্ৰাথমিক বিদ্যালয়, ডিমৰীয়া

**অনিতা ভাগৱতী,** মাছখোৱা মজলীয়া বিদ্যালয়, গুৱাহাটী

**ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসমৰ সমল ব্যক্তি**

**ড° মিজো প্ৰভা বৰা,** প্ৰবক্তা তথা মুৰব্বী, ভাষা বিভাগ, ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম, গুৱাহাটী

**ড° যুতিফুল বৰুৱা,** প্ৰবক্তা, ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম, গুৱাহাটী

**পুনৰীক্ষক মণ্ডলী**

**ড° ৰমেশ পাঠক,** সাহিত্যাচাৰ্য অৱসৰপ্ৰাপ্ত অধ্যাপক, কটন কলেজ গুৱাহাটী

**ড° লীলাৱতী শইকীয়া,** অধ্যাপিকা, অসমীয়া বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়

**ড° দীপ্তি ফুকন পাটগিৰি,** অধ্যাপিকা, অসমীয়া বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়

**মীৰা শৰ্মা,** অৱসৰপ্ৰাপ্ত প্ৰবক্তা, ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম, গুৱাহাটী

**গৌৰী কান্ত ভূঞা,** অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক, নতুন ফটাশিল টাউন হাইস্কুল, গুৱাহাটী

**পুনৰীক্ষণ কৰ্মশালাত উপস্থিত সমল ব্যক্তি**

**নীলিমা শৰ্মা মহন্ত,** প্ৰবক্তা, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, মৰিগাঁও

**ড° যুতিফুল বৰুৱা,** প্ৰবক্তা, ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম, গুৱাহাটী

**সংকলন আৰু সম্পাদনা**

**ড° ৰমেশ পাঠক,** সাহিত্যাচাৰ্য অৱসৰপ্ৰাপ্ত অধ্যাপক, কটন কলেজ গুৱাহাটী

**মীৰা শৰ্মা,** অৱসৰপ্ৰাপ্ত প্ৰবক্তা, ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম, গুৱাহাটী

**গৌৰী কান্ত ভূঞা,** অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক, নতুন ফটাশিল টাউন হাইস্কুল, গুৱাহাটী

**নীল শৰ্মা,** প্ৰবক্তা, বাণীকান্ত অগ্ৰণী শিক্ষা প্ৰতিষ্ঠান, গুৱাহাটী

**ড° যুতিফুল বৰুৱা,** প্ৰবক্তা, ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম, গুৱাহাটী

**সমন্বয়ক**

ড° যুতিফুল বৰুৱা, প্ৰবক্তা, ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম, গুৱাহাটী

**সহযোগী সমন্বয়কদ্বয়**

**শাৰদী ভট্টাচাৰ্য,** জ্যেষ্ঠ প্ৰবক্তা, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, কামৰূপ

**ৰূপালী হাজৰিকা বৰুৱা,** প্ৰবক্তা, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, শোণিতপুৰ

**আৰ্হি পাঠক** — হিৰণ্য কুমাৰ নাথ

**অলংকৰণ**

**গুণাভি ৰাম বৰা,** চিত্ৰশিল্পী, ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম, গুৱাহাটী

**অনন্ত গগৈ,** প্ৰবক্তা, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, গোলাঘাট

**শংকৰ কলিতা,** দখলা, পলাশবাৰী

ডি টি পি— শৈলেন কুমাৰ তালুকদাৰ, নিৰঞ্জন ডেকা, নিভা ৰাণী দাস, পৰাগ শৰ্মা, ৰমেন বৰ্মন, বীণাপাণি চৌধুৰী, বন্দনা বৈশ্য, ভণিমা দাস ।



হাত দুখন ৰাখিবা পৰিষ্কাৰ কৰি
সু-স্বাস্থ্য হ'ব তোমাৰ সদায় লগৰী
শৌচালয় ব্যৱহাৰ কৰি চাবোনেৰে হাত দুখন ধুবলৈ নাপাহৰিবা
শৌচালয়
খোৱাৰ আগেয়ে হাত দুখন চাবোনেৰে নিশ্চয়কৈ ধুবা
স্কুল
শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো
Mid Day Meal Scheme
unicef

# ক্ৰিয়া-কলাপত ব্যৱহাৰ হোৱা প্ৰতীকসমূহ আৰু ইয়াৰ অৰ্থ

 — গাওঁ আহা, গোৱা, লগে-ভাগে গোৱা

 — কওঁ আহা, ছবি চাই কওঁ, শব্দ কওঁ

 — কোৱা

 — পঢ়োঁ আহা, তুমিও পঢ়া

 — লিখোঁ আহা, লিখা, পঢ়োঁ আৰু লিখোঁ, ছবিৰ নাম পূৰোৱা, চাই চাই লিখা, শব্দ গঠন কৰোঁ

 — জানো আহা, শিকোঁ আহা, চিনাকি হোৱা

 — কৰোঁ আহা, কৰা, ক'ত আছে বিচৰা, প্ৰকল্প

 — আঁকা, আঁকো আহা, ৰং দিয়া, ছবি সম্পূৰ্ণ কৰা

 — কোৱা, লিখা, পঢ়া, কৰা, মিলোৱা, নাম পূৰোৱা ইত্যাদি

 — কৰা আৰু কোৱা, খেলা, গাই গাই নাচা, মিলাওঁ আহা

 — অভিনয় কৰা

 — সাঁথৰ ভাঙা, প্ৰকল্প

 — যুক্তাক্ষৰ ভাঙি পঢ়োঁ আৰু লিখোঁ আহা

 — সম্পূৰ্ণকৈ আয়ত্ত নোহোৱালৈকে নিজাববীয়াকৈ অনুশীলন কৰা

# প্ৰাথমিক শিক্ষা প্ৰতিগৰাকী শিশুৰ মৌলিক অধিকাৰ



| | | | | | | | |
|---|---|---|---|---|---|---|---|
| গ্ম | প্তু | স্ম | স্কৃ | ষ্ণ | শ্ব | ণ্ড | জ্জ্ব |
| ল্প | ড়্গা | স্ক | ক্ত | র্য | গ্ধ | স্ক | ক্ট |
| ক্ষ্ম | ঙ্গ | শ্ধ | দ্র | ন্ত্ব | জ্র | ন্ধ | জ্ঞ |
| শ্চ | ফ্ল | ন্স | ক্ল | স্ত্র | ত্ব | গ্ল | স্ব |
| প্ল | স্থ | ঞ্জ | ম্ল | ব্রু | ত্র | ধ্রু | ল্ল |
| ঙ্গু | ক্ষ্ন | হ্ল | হু | ভ্র | দ্ধ | ভ্রু | সৃ |
| গ্র | দ্দ | ল্গ | ণ্ট | ষ্প | ষ্প্র | ষ্ক্র | ন্ত্র |
| ক্ষ্মা | ন্ন | প্র | ন্দ | ক্র | স্তু | স্ম | ন্ড |
| শ্ন | শ্ছ | ন্ত | ন্ধ | ন্ম | ক্স | ষ্ট্র | ন্তু |
| শ্র | হ্ব | স্র | ত্য | ট্র | স্ফ | ঙ্ক | ষ্ঠ |
| ব্ব | চ্ছ | র্শ | ক্ত | ল্ট | র্ত্য | খ্য | ন্দ্র |
| দ্র | ক্ম | ষ্ক | ঞ্চ | প্ন | জ্ব | ব্ল | ষ্ণ |

শিক্ষা (প্ৰাথমিক) বিভাগ, অসম চৰকাৰ